GPS S6 03
Exam Code: PSM6C

মানৱ অধিকাৰ

ষষ্ঠ ষাণ্মাসিক

ৰাজনীতি বিজ্ঞান

খণ্ড ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শান্তণু চক্রৱর্তী, কটন বিশ্ববিদ্যালয়
ড° ধ্রুব প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° শুভ্রজিৎ কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	অর্পণা দাস প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী	
২,৩,৪	ড° খালেদা চুলতানা আহমেদ প্রাক্তন গৱেষিকা, গুৱাহাটী বিশ্ববিদ্যালয়	গীতাঞ্জলী মেধি কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১,২,৩,৪,৭)
৫	কৃষ্ণমণি শর্মা জে. বি আইন মহাবিদ্যালয়, গুৱাহাটী	মৃণাল শর্মা, ৱৰভাগ মহাবিদ্যালয়, নলবাৰী (অধ্যায় ৫)
৬	পদ্মেশ্বৰ কাটনী চিনামাৱা মহাবিদ্যালয়, যোৱহাট	ভৃগু কলিতা, বাক্সা (অধ্যায় ৬)
৭	জাহ্নবী দেৱী কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়	জাহ্নবী দেৱী কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৭)

সম্পাদনা ঃ

মূল বিষয়ৱস্তু সম্পাদনা ঃ ড° ধ্রুব প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয় **(অধ্যায় ১,২,৩,৪,৭)**
জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয় **(অধ্যায় ৫,৬)**
ভাষা সম্পাদনা ঃ জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নৱেম্বৰ, ২০১৯

ISBN : 978-93-89559-51-4

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৱাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্ৱাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৱাণী গেট, গুৱাহাটী-৭৮১০১৭ ; Web : www.kkhsou.in

উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ মানৱ অধিকাৰ ৯-২২

মানৱ অধিকাৰৰ অর্থ ; মানৱ অধিকাৰৰ প্রকৃতি আৰু বৈশিষ্ট্য ; মানৱ অধিকাৰৰ বিভিন্ন প্রকাৰ; মানৱ অধিকাৰৰ উৎসসমূহ ; মানৱ অধিকাৰৰ বিকাশ ঃ অধিকাৰৰ তিনিটা প্রজন্ম

অধ্যায় ২ ঃ মানৱ অধিকাৰ বিষয়ক বিভিন্ন দৃষ্টিভংগী ২৩-৩১

মানৱ অধিকাৰৰ সার্বজনীন দৃষ্টিভংগী ; মানৱ অধিকাৰৰ আপেক্ষিকতাবাদী দৃষ্টিভংগী

অধ্যায় ৩ ঃ মানৱ অধিকাৰ বিষয়ক বিভিন্ন মতবাদ ঃ মার্ক্সীয়, নাৰীবাদী, গান্ধীবাদী আৰু তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী ৩২-৪২

মানৱ অধিকাৰ বিষয়ক বিভিন্ন মতবাদ ঃ মানৱ অধিকাৰৰ মার্ক্সীয় দৃষ্টিভংগী, মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগী, মানৱ অধিকাৰৰ তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী, মানৱ অধিকাৰৰ গান্ধীবাদী দৃষ্টিভংগী

অধ্যায় ৪ ঃ ৰাষ্ট্রসংঘ আৰু মানৱ অধিকাৰ— মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র ৪৩-৫৯

ৰাষ্ট্রসংঘ আৰু মানৱ অধিকাৰ ; মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র (Universal Declaration of Human Rights) ঃ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ ঐতিহাসিক বিকাশ, মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ মূল বিষয়সূচী, মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ বৈশিষ্ট্য, মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ বিপক্ষে থকা সমালোচনা; মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র আৰু ভাৰতীয় সংবিধান ; মানৱ অধিকাৰ কেন্দ্রিক অন্য গুৰুত্বপূর্ণ আর্ন্তজাতিক চুক্তি

অধ্যায় ৫ ঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি ৬০-৭০

পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি ; অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি

অধ্যায় ৬ ঃ ভাৰতত মানৱ অধিকাৰ আন্দোলনৰ বিকাশ ৭১-৮০

প্রাচীন ভাৰতত মানৱ অধিকাৰৰ ধাৰণা; প্রাক্ মোগল যুগৰ ভাৰতত মানৱ অধিকাৰ; ইংৰাজ শাসন কালত ভাৰতত মানৱ অধিকাৰ; সংবিধান সভা আৰু মানৱ অধিকাৰ

অধ্যায় ৭ ঃ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক আৰু ন্যায়িক সংৰচনা ৮১-১০১

ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক আৰু ন্যায়িক সুবিধা সৃষ্টিৰ আঁৰৰ ঐতিহাসিক কাৰণ ; ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক সংৰচনা ঃ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা, ভাৰতীয় সংবিধানৰ অৰ্ন্তভুক্ত মৌলিক অধিকাৰসমূহ, ভাৰতীয় সংবিধানৰ অৰ্ন্তভুক্ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ, ভাৰতীয় সংবিধানৰ অৰ্ন্তভুক্ত মৌলিক কৰ্তব্যসমূহ ; ভাৰতত মানৱ অধিকাৰৰ ন্যায়িক সংৰচনাঃ মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩,ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ (National Human Rights Commission), ৰাজ্যিক মানৱ অধিকাৰ আয়োগ, অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগ, ২০০৪

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ ষষ্ঠ যাণ্মাসিকৰ তৃতীয় পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল 'মানৱ অধিকাৰ'। মানৱ অধিকাৰৰ ধাৰণাটো শিক্ষার্থীসকলক স্পষ্ট ৰূপত জনাৰ সুযোগ দিব পৰাকৈ এই পাঠ্যবিষয়টি প্রস্তুত কৰা হৈছে। সমসাময়িক কালত মানৱ অধিকাৰৰ ধাৰণাটোৱে অধ্যয়নৰ এক গুৰুত্বপূর্ণ বিষয়ৰ ৰূপ লৈছে। মানৱ অধিকাৰসমূহ প্রতিগৰাকী ব্যক্তিৰ জীৱনৰে অবিচ্ছেদ্য আৰু অন্তর্নিহিত অধিকাৰ। এইবোৰে ব্যক্তিক একোটা মর্যাদাসম্পন্ন জীৱন কটোৱাৰ সুযোগ দিয়ে। সকলো ব্যক্তিৰে সর্বাংগীন বিকাশৰ বাবে মানৱ অধিকাৰবোৰ অতি গুৰুত্বপূর্ণ। সেয়েহে , পাঠ্যবিষয়ৰ প্রথম অধ্যায়টিৰ জৰিয়তে শিক্ষার্থীসকলক মানৱ অধিকাৰৰ অর্থ, প্রকৃতি, উৎস আৰু প্রকাৰবোৰৰ সৈতে পৰিচয় কৰাই দিয়াৰ প্রয়াস কৰা হৈছে। প্রাচীন কালৰ পৰা বর্তমান সময়লৈকে, ক্রমবিকাশৰ বিভিন্ন পর্য্যায় অতিক্রম কৰি মানৱ অধিকাৰৰ ধাৰণাটোৱে সাম্প্রতিক ৰূপ লৈছে। প্রথম অধ্যায়ত মানৱ অধিকাৰৰ ধাৰণাটোৰ ক্রমবিকাশ সম্পর্কেও আলোচনা কৰা হৈছে। বর্তমানলৈকে বিভিন্ন পন্থা আৰু দৃষ্টিভংগীৰে মানৱ অধিকাৰৰ ধাৰণাটো বিচাৰ কৰি চোৱা হৈছে। পাঠ্যবিষয়ৰ দ্বিতীয় আৰু তৃতীয় অধ্যায়ত মানৱ অধিকাৰৰ সার্বজনীন দৃষ্টিভংগী, আপেক্ষিকতাবাদী দৃষ্টিভংগী, মার্ক্সীয় দৃষ্টিভংগী, নাৰীবাদী দৃষ্টিভংগী, তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী আৰু গান্ধীবাদী দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰা হৈছে। ৰাষ্ট্রসংঘই বিশ্বৰ নাগৰিকৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা ৰক্ষা তথা পোষকতা কৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। ৰাষ্ট্রসংঘই গ্রহণ কৰা 'মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র' (Universal Declaration of Human Rights) খনক মানৱ অধিকাৰক সংজ্ঞাৱদ্ধ কৰা মাইলৰ খুঁটি বুলি বিবেচনা কৰা হয়। UDHR এ ভাৰতীয় সংবিধানকো প্রভাৱিত কৰিছে। ইয়াৰ আধাৰতে সংবিধানত মানৱ অধিকাৰ ৰক্ষা বিষয়ক বহুকেইটা নীতি-নিয়ম অন্তর্ভুক্ত কৰা হৈছে। চতুর্থ অধ্যায়ত সমগ্র বিশ্বতে মানৱ অধিকাৰ আৰু ব্যক্তিৰ মৌলিক স্বাধীনতা সুৰক্ষিত ৰখা তথা পৃষ্ঠপোষকতা কৰাত ৰাষ্ট্রসংঘই লোৱা ভূমিকা সম্পর্কে বহলাই আলোচনা কৰা হৈছে। ইয়াত ৰাষ্ট্রসংঘই গ্রহণ কৰা বিভিন্ন ঘোষণাপত্র আৰু সন্মিলন কেন্দ্রিক সিদ্ধান্তৰ বর্ণনা দাঙি ধৰা হৈছে। ভাৰতীয় সংবিধানত UDHR ৰ প্রভাৱ সম্পর্কীয় আলোচনাকো অধ্যায়টিত স্থান দিয়া হৈছে। পঞ্চম অধ্যায়ৰ আলোচনাৰ মূল বিষয় হ'ল ৰাষ্ট্রসংঘই গ্রহণ কৰা দুখন গুৰুত্বপূর্ণ চুক্তি। চুক্তি দুখন হ'ল— পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি। ভাৰতত সমসাময়িক যুগত মানৱ অধিকাৰৰ ধাৰণাটোৱে এক তাৎপর্যপূর্ণ ৰূপ লৈছে। অতীজৰ পৰা ভাৰত স্বাধীন হোৱালৈকে ধাৰণাটোৱে ক্রমবিকাশৰ বিভিন্ন পর্য্যায় পাৰ হৈ আহি বর্তমান অৱস্থাত উপনীত হৈছে। ষষ্ঠ অধ্যায়ৰ আলোচনাৰ বিষয় হ'ল ভাৰতত মানৱ অধিকাৰ আন্দোলনৰ ক্রমবিকাশ আৰু এই ক্ষেত্রত সংবিধান সভাৰ ভূমিকা। সপ্তম অধ্যায়ত ভাৰতীয় সংবিধানৰ প্রস্তাৱনা, মৌলিক অধিকাৰ, মৌলিক কর্তব্য আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিৰ বিশেষ উল্লেখেৰে ভাৰতীয় সংবিধানত অন্তর্ভুক্ত কৰা মানৱ অধিকাৰ বিষয়ক সা-সুবিধাবোৰৰ কথা আলোচনা কৰা হৈছে। অধ্যায়টিত ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগ, ৰাজ্যিক মানৱ অধিকাৰ আয়োগ, অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ৰাষ্ট্রীয় আয়োগ তথা আন বহুতো আইনৰ উল্লেখেৰে ভাৰতত মানৱ অধিকাৰ ৰক্ষাৰ বাবে গঢ় লোৱা ন্যায়িক সা-সুবিধাবোৰৰ কথাও আলোচনা কৰা হৈছে। এই কথা আমি সকলোৱে জানো যে অধিকাৰবোৰ হ'ল ব্যক্তিৰ জীৱনৰ সৈতে অবিচ্ছেদ্যভাৱে জড়িত হৈ থকা উপাদান। অধিকাৰ নোহোৱাকৈ মানুহে নিজকে বিকশিত কৰিব নোৱাৰে। আমাৰ সমাজৰ কিছুমান শ্রেণীৰ লোকক দূর্বল বুলি গণ্য কৰা হয়, বিভিন্ন ধৰণে তেওঁলোকৰ অধিকাৰবোৰৰ উলংঘন ঘটে। এইটো কাৰণতে এইসকল লোকৰ বিশেষ প্রয়োজন পূৰাব পৰাকৈ কিছুমান বিশেষ অধিকাৰৰ প্রয়োজন। পাঠ্যবিষয়ৰ অষ্টম, নৱম, দশম, একাদশ, দ্বাদশ আৰু ত্রয়োদশ অধ্যায়ত দূর্বল শ্রেণী বুলি গণ্য কৰা মহিলা, শিশু, বিশেষভাৱে সক্ষম ব্যক্তি, শৰণার্থী, বয়সস্থ ব্যক্তি

আৰু খিলঞ্জীয়া বাসিন্দাসকলৰ অধিকাৰৰ বিষয়ে আলোচনা কৰা হৈছে। এইকেইটা অধ্যায়ত এনে শ্ৰেণীবোৰৰ অধিকাৰ ৰক্ষাৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত চলি থকা প্ৰয়াসবোৰৰ বিষয়েও আলোচনা কৰা হৈছে। চতুৰ্দশ অধ্যায়ত এটা অতি গুৰুত্বপূৰ্ণ ধাৰণা- মানৱ অধিকাৰ শিক্ষাৰ বিষয়ে আলোচনা কৰা হৈছে। মানৱ ব্যক্তিত্ব গঢ়াত, ভ্ৰাতৃত্ববোধৰ প্ৰসাৰ ঘটোৱাত আৰু সমাজত শান্তি বৰ্তাই ৰখাত এই ধাৰণাটোৰ ভূমিকা তাৎপৰ্যপূৰ্ণ। অধ্যায়টিৰ আলোচনাত আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত মানৱ অধিকাৰ শিক্ষাৰ পোষকতাকাৰী বিভিন্ন প্ৰয়াসৰ কথাও উল্লেখ কৰা হৈছে। পঞ্চদশ তথা অন্তিম অধ্যায়ৰ আলোচনাৰ প্ৰধান বিষয় হ'ল এম্‌নেষ্টি ইণ্টাৰনেশ্যনেল আৰু হিউমেন ৰাইটচ্ ৱাট্ চ্ছ নামৰ আন্তঃৰাষ্ট্ৰীয় সংস্থা দুটাৰ বিশেষ উল্লেখেৰে সমগ্ৰ বিশ্বতে মানৱ অধিকাৰ বিষয়ক সজাগতা সৃষ্টি কৰাত, এই অধিকাৰবোৰ সুৰক্ষিত ৰখাত বে -চৰকাৰী সংস্থা (NGO) বোৰৰ ভূমিকা।

'মানৱ অধিকাৰ' শীৰ্ষক পাঠ্যবিষয়টো দুটা খণ্ডত ভাগ কৰা হৈছে। খণ্ড-১ ত মুঠ সাতটা অধ্যায় (অধ্যায় ১-৭) আৰু খণ্ড-২ ত মুঠ আঠটা অধ্যায় (অধ্যায় ৮-১৫) সন্নিৱিষ্ট কৰা হৈছে।

প্রথম খণ্ডৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ ষষ্ঠ যাণ্মাসিকৰ তৃতীয় পাঠ্যবিষয়ৰ এইটো হ'ল প্রথম খণ্ড। এই পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল 'মানৱ অধিকাৰ'। পাঠ্যবিষয়ৰ প্রথম খণ্ডটোত মুঠ সাতটা অধ্যায় (অধ্যায় ১-৭) আছে।

প্রথম অধ্যায়ত শিক্ষার্থীসকলৰ বাবে মানৱ অধিকাৰৰ মৌলিক ধাৰণাসমূহ দাঙি ধৰা হৈছে। ইয়াত মানৱ অধিকাৰৰ অর্থ, প্রকৃতি, প্রকাৰ, উৎস আৰু মানৱ অধিকাৰৰ ক্রমবিকাশ আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়ত মানৱ অধিকাৰৰ ধাৰণাটো বুজাৰ দুটা গুৰুত্বপূর্ণ দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰা হৈছে। দৃষ্টিভংগী দুটা হ'ল— সার্বজনীন আৰু আপেক্ষিকতাবাদী।

তৃতীয় অধ্যায়ত মানৱ অধিকাৰ বিষয়ক দৃষ্টিভংগী কেইটামান আলোচনা কৰা হৈছে। আলোচনাৰ বাবে লোৱা দৃষ্টিভংগীকেইটা হ'ল— মার্ক্সীয় দৃষ্টিভংগী, নাৰীবাদী দৃষ্টিভংগী, তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী আৰু গান্ধীবাদী দৃষ্টিভংগী।

চতুর্থ অধ্যায়ত 'মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র'ৰ বিশেষ উল্লেখেৰে মানৱ অধিকাৰ ৰক্ষা তথা পোষকতাৰ ক্ষেত্রখনত ৰাষ্ট্রসংঘই পালন কৰা ভূমিকাৰ কথা আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়ত মানৱ অধিকাৰৰ সুৰক্ষা তথা পোষকতাৰ বাবে ৰাষ্ট্রসংঘই গ্রহণ কৰা দুখন অতি গুৰুত্বপূর্ণ আন্তঃৰাষ্ট্রীয় চুক্তিৰ বিষয়ে আলোচনা কৰা হৈছে। চুক্তি দুখন হ'ল— পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি। ।

ষষ্ঠ অধ্যায়ত অতীজৰ পৰা ভাৰত স্বাধীন হোৱাৰ পৰৱর্তী সময়ছোৱাত ভাৰতত চলা মানৱ অধিকাৰ কেন্দ্রিক আন্দোলনৰ ক্রমবিকাশ আলোচনা কৰা হৈছে।

সপ্তম অধ্যায়ৰ আলোচনাত ভাৰতত মানৱ অধিকাৰৰ সুৰক্ষা তথা পৃষ্ঠপোষকতাৰ সৈতে জড়িত বিভিন্ন সাংবিধানিক তথা বিধায়িনী সুবিধাত আলোকপাত কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল ' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক' সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

..

অধ্যায় ১ ঃ মানৱ অধিকাৰ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ মানৱ অধিকাৰৰ অর্থ

১.৪ মানৱ অধিকাৰৰ প্রকৃতি আৰু বৈশিষ্ট্য

১.৫ মানৱ অধিকাৰৰ বিভিন্ন প্রকাৰ

১.৬ মানৱ অধিকাৰৰ উৎসসমূহ

১.৭ মানৱ অধিকাৰৰ বিকাশ ঃ অধিকাৰৰ তিনিটা প্রজন্ম

১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৯ অধিক জানিবলৈ

১.১০ অগ্রগতিৰ খতিয়ান

১.১১ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ অধিকাৰৰ অর্থ আৰু উৎসসমূহ ব্যাখ্যা কৰিব পাৰিব
- মানৱ অধিকাৰৰ প্রকৃতি আৰু বৈশিষ্ট্য পৰীক্ষা কৰিব পাৰিব
- অধিকাৰৰ তিনিটা প্রজন্মৰ প্রেক্ষাপটত মানৱ অধিকাৰৰ বিকাশ সম্পর্কে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

মানৱ অধিকাৰ সকলো ব্যক্তিৰে জীৱনৰ অবিচ্ছেদ্য অংগ। মানুহ হিচাপে জন্মগ্রহণ কৰা সূত্রেই সকলো ব্যক্তি এই অধিকাৰবোৰৰ গৰাকী। এই পৃথিৱীত প্রতিগৰাকী ব্যক্তিয়েই মর্য্যাদা সহকাৰে জীয়াই থাকিব বিচাৰে। প্রতিগৰাকী ব্যক্তিয়ে মর্য্যাদাসম্পন্ন জীৱন-যাপন কৰাৰ সুযোগ পালে জীৱনটো অর্থবহ যেন অনুভৱ কৰে। মানৱ অধিকাৰে এই মর্য্যাদাৰ পৃষ্ঠপোষকতা কৰে। মানৱ অধিকাৰৰ ধাৰণাটোৰ অস্তিত্বই মানুহক পৰস্পৰৰ মূল্য সম্পর্কে সজাগ কৰি ৰাখে। এগৰাকী ব্যক্তিয়ে মর্য্যাদা সহকাৰে জীয়াই থকাটো সুনিশ্চিত কৰিবলৈ এই অধিকাৰবোৰ অতিকৈ জৰুৰী। জাতি, ধর্ম, ভাষা, লিংগ আৰু আন কাৰক নির্বিশেষে মানৱ অধিকাৰবোৰ সকলোৰে বাবে সমানে প্রযোজ্য।

মানৱ অধিকাৰবোৰে মানুহক পৰস্পৰে পৰস্পৰক সন্মান কৰিবলৈ শিকায়। সেই দিশৰ পৰা বিচাৰ কৰি চালে মানৱ অধিকাৰ মানে কেৱল অনুৰোধ নাইবা দাবী কৰি পোৱা অধিকাৰবোৰেই নহয়, ই সকলোৰে সন্মান কৰা আৰু সকলোকে দায়ৱদ্ধ কৰি ৰখা অধিকাৰবোৰকো সামৰি লয়। মানৱ অধিকাৰ অস্বীকাৰ কৰিলে সমাজত বেমেজালি আৰু অশান্তিৰ সৃষ্টি হয়। ইয়াৰ ফলত সমাজত নাইবা একাধিক সমাজৰ মাজত হিংসা আৰু দ্বন্দ্বৰ সূত্রপাত হ'ব পাৰে।

এই অধ্যায়টিত মানৱ অধিকাৰৰ অর্থ, উৎস, প্রকৃতি, বৈশিষ্ট্য আৰু বিকাশৰ বিষয়ে আলোচনা কৰা হ'ব।

১.৩ মানৱ অধিকাৰৰ অর্থ

মানুহ হ'ল বিচাৰবুদ্ধিসম্পন্ন জীৱ। মানুহ হিচাপে জন্মলাভ কৰা সূত্রেই আমি কিছুমান মৌলিক আৰু অবিচ্ছেদ্য অধিকাৰৰ গৰাকী। এই অধিকাৰবোৰকে মানৱ অধিকাৰ বোলে। মানুহ হিচাপে অস্তিত্ব বর্তাই ৰখা প্রতিজনেই এই অধিকাৰৰ গৰাকী। জন্মমুহূর্তৰ পৰাই এই অধিকাৰবোৰ সক্রিয় হৈ পৰে। জাতি, বর্ণ, ধর্ম, লিংগ আৰু নাগৰিকত্ব নির্বিশেষে এই অধিকাৰবোৰ প্রতিজন মানুহৰে জন্মস্বত্ব অধিকাৰ। পৃথিৱীত জন্মলাভ কৰা প্রতিগৰাকী ব্যক্তি সমান আৰু তেওঁ এক মর্যাদাসম্পন্ন জীৱন কটোৱাৰ বাবে সমান সুবিধা লাভ কৰিব লাগিব— এই ধাৰণাৰ ওপৰত মানৱ অধিকাৰৰ ভেঁটিটো গঢ় লৈ উঠিছে। এই অধিকাৰবোৰ প্রতিজন মানুহেই উপভোগ কৰাৰ সুযোগ পোৱা উচিত। কাৰণ মানৱ অধিকাৰে আমাক স্বাধীনতা আৰু মর্যাদা প্রদান কৰে। লগতে এই অধিকাৰবোৰ উপভোগৰ পূর্ণ সুযোগে আমাৰ শাৰীৰিক, নৈতিক, সামাজিক আৰু আধ্যাত্মিক কল্যাণ সাধন কৰে। মানৱ জীৱনত মানৱ অধিকাৰৰ এই গভীৰ প্রভাৱ আৰু সম্পর্কৰ প্রতি লক্ষ্য ৰাখি মানৱ অধিকাৰবোৰক মৌলিক অধিকাৰ, জন্মসিদ্ধ অধিকাৰ আৰু প্রাকৃতিক অধিকাৰ বুলিও কোৱা হয়।

মানৱ অধিকাৰৰ ধাৰণাটো কিদৰে সংজ্ঞাৱদ্ধ কৰা হৈছে সেই কথাটোলৈ মন কৰিলেই মানৱ অধিকাৰৰ অর্থটোও স্পষ্ট হৈ পৰে। সাধাৰণ ভাষাত মানৱ অধিকাৰ মানে হ'ল মানুহৰূপে জন্ম লাভ কৰাৰ সূত্রে পোৱা অধিকাৰ। ব্যক্তিৰ মর্যাদা বর্তাই ৰখা আৰু সুৰক্ষা প্রদান কৰা অধিকাৰবোৰকে মানৱ অধিকাৰ বোলে।

ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰ কেন্দ্রই মানৱ অধিকাৰৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে— "সেইবোৰ অধিকাৰকে মানৱ অধিকাৰ হিচাপে সংজ্ঞাবদ্ধ কৰিব পাৰি, যিবিলাক আমাৰ প্রকৃতিৰ সৈতে নিহিত হৈ আছে আৰু যিবিলাক নহ'লে আমি মানুহ হিচাপে জীয়াই থাকিব নোৱাৰো"।

১৯৯৩ চনত ভিয়েনাত অনুষ্ঠিত মানৱ অধিকাৰৰ বিশ্ব সম্মিলনৰ ঘোষণাপত্রত কোৱা হৈছিল যে ব্যক্তিৰ সত্বাত লীন হৈ থকা মর্যাদা আৰু মূল্যৰ (dignity and worth) পৰাই মানৱ অধিকাৰৰ উৎপত্তি। মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ কেন্দ্রীয় বিষয় হ'ল মানুহ।

বিশিষ্ট সাংবিধানিক বিশেষজ্ঞ ডি ডি বসুৰ মতে মানৱ অধিকাৰ হ'ল সেইবোৰ নূন্যতম অধিকাৰ যিবোৰ এগৰাকী ব্যক্তিয়ে মানৱ পৰিয়ালৰ সদস্যসূত্রে অন্য কোনো বিবেচনাৰ অধীন নোহোৱাকৈ ৰাষ্ট্ৰ অথবা অন্য ৰাজহুৱা কৰ্তৃত্বৰ বিৰুদ্ধে লাভ কৰে।

ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ উচ্চাযুক্তৰ কার্যালয়ৰ উচ্চাযুক্ত লুইচ আব'ৰৰ (Louise Arbour) মতে "মানৱ অধিকাৰবোৰ আমাৰ উমৈহতীয়া ঐতিহ্য আৰু এইবোৰৰ বাস্তৱ ৰূপায়ণ আমি প্ৰতিজনেই বর্তমান আৰু ভৱিষ্যতে ব্যক্তিগত অথবা সমূহীয়াভাৱে আগবঢ়োৱা সদিচ্ছামূলক অৱদানৰ ওপৰত নির্ভৰশীল"।

ওপৰৰ আলোচনাৰ পৰা স্পষ্ট হ'ল যে মানৱ অধিকাৰ হ'ল সেইবোৰ অধিকাৰ যিবোৰ আমি মানুহ হোৱা বাবে উপভোগ কৰাৰ সুযোগ পাঁও। এখন সুসংগঠিত সমাজ অথবা ৰাষ্ট্ৰত, য'ত সামাজিক শৃংখলা বর্তি থাকে, মানুহে মানৱ অধিকাৰ উপভোগ কৰাৰ সুযোগ বিচাৰিব পাৰে। । মানৱ অধিকাৰবোৰক সুৰক্ষা প্ৰদান কৰিব লাগে আৰু সমাজৰ সকলোৰে বাবে উপলব্ধ কৰি তুলিব লাগে। মানৱীয়তাৰ স্বার্থতে সকলো বিধি-বিধানৰ দ্বাৰা এই অধিকাৰবোৰক সুৰক্ষা প্ৰদানৰ প্ৰয়াস কৰা উচিত।

১.৪ মানৱ অধিকাৰৰ প্ৰকৃতি আৰু বৈশিষ্ট্য

মানুহ হিচাপে জন্মলাভ কৰা সূত্রে উপভোগৰ সুযোগ পোৱ অধিকাৰবোৰেই হ'ল মানৱ অধিকাৰ। এই অধিকাৰবোৰক সার্বজনীন, সমান আৰু অবিচ্ছেদ্য অধিকাৰ বুলি গণ্য কৰা হয়। কোনো বৈষম্য নৰখাকৈ প্ৰতিগৰাকী ব্যক্তিয়ে এই অধিকাৰবোৰ উপভোগ কৰাৰ সুযোগ পাব লাগে। এই অধিকাৰবোৰ মানৱ জীৱনৰ অভিন্ন অংশ আৰু ইয়াৰ প্ৰকৃতি বিশ্বজনীন। মানুহ হিচাপে বর্তি থাকিবলৈ এই অধিকাৰবোৰ হ'ল প্ৰত্যেকৰে নূন্যতম মৌলিক প্ৰয়োজনীয়তা। প্ৰতিগৰাকী ব্যক্তিৰ মর্যাদা আৰু মূল্যৰ প্ৰতি সন্মান জনোৱাটোৱেই হ'ল মানৱ অধিকাৰৰ ধাৰণাটোৰ বুনিয়াদ। এই বিশ্বৰ প্ৰতিগৰাকী ব্যক্তিয়ে অন্য এগৰাকীৰ অধিকাৰক প্ৰাপ্য সন্মান জনাব লাগিব। এখন ৰাষ্ট্ৰৰ পৰিসীমাৰ ভিতৰত ইয়াৰ নাগৰিকে মানৱ অধিকাৰ উপভোগ কৰাৰ সুযোগ পোৱা উচিত। সেয়েহে এই অধিকাৰবোৰ বলবৎ আৰু সুৰক্ষিত কৰিবলৈ প্ৰতিখন ৰাষ্ট্ৰৰ প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই অধিকাৰবোৰে ৰাষ্ট্ৰৰ ক্ষমতা ইতিবাচকভাৱে সীমাৱদ্ধ কৰে। এই অধিকাৰবোৰ থকা বাবে ৰাষ্ট্ৰই ব্যক্তিৰ জীৱনত অহেতুক হস্তক্ষেপ কৰিব নোৱাৰে।

মানৱাধিকাৰৰ কেইটামান বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল ঃ

- **মানৱ অধিকাৰবোৰ অভিন্ন ঃ** মানুহ হিচাপে জন্ম লাভ কৰা প্ৰত্যেকেই এই অধিকাৰবোৰৰ গৰাকী। লিংগ, জাতি, বর্ণ, ধর্ম আৰু নাগৰিকত্ব নির্বিশেষে প্ৰতিগৰাকী ব্যক্তিৰে এই অধিকাৰবোৰ জন্মস্বত্ব অধিকাৰ।

- **মানৱ অধিকাৰবোৰ সার্বজনীন ঃ** মানৱ অধিকাৰৰ প্ৰকৃতি সার্বজনীন। পৃথিৱীৰ প্ৰতিজন ব্যক্তিৰ ক্ষেত্ৰতে কোনো বিভেদ আৰু ব্যতিক্ৰম নথকাকৈ এই অধিকাৰবোৰ প্ৰযোজ্য। মানৱ অধিকাৰ সদায়েই এক সার্বজনীনভাবে প্ৰযোজ্য বিষয়।
- **মানৱ অধিকাৰবোৰ গতিশীল ঃ** মানৱ অধিকাৰবোৰ স্থিৰ নহয়। ইয়াৰ প্ৰকৃতি গতিশীল। পৰিৱৰ্তিত সময়ৰ সৈতে মানৱ অধিকাৰ সম্পৰ্কীয় নতুন দৃষ্টিভংগী আৰু মানৱ অধিকাৰৰ নতুন ৰূপৰ উত্থান ঘটিছে। সময়ৰ নিত্য নতুন প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰাকৈ মানৱ অধিকাৰবোৰ বিৱৰ্তনৰ মাজেৰে গতি কৰি আছে।
- **মানৱ অধিকাৰবোৰ স্থায়ী ঃ** কোনো কৰ্তৃত্বই কোনো ব্যক্তিৰ পৰা মানৱ অধিকাৰবোৰ কাঢ়ি নিব নোৱাৰে। মানুহ জন্মাৰ লগে লগেই এই অধিকাৰবোৰৰ গৰাকী হয়।
- **মানৱ অধিকাৰবোৰ বাধাহীন নহয় ঃ** মানৱ অধিকাৰবোৰ ব্যক্তিৰ জন্মস্বত্ব যদিও এই অধিকাৰবোৰৰ প্ৰকৃতি অসীম নহয়। সমাজৰ উমৈহতীয়া কল্যাণ আৰু বৃহত্তৰ স্বাৰ্থৰক্ষাৰ বাবে ৰাষ্ট্ৰই প্ৰয়োজনসাপেক্ষে এই অধিকাৰবোৰ উপভোগৰ ক্ষেত্ৰত কেতিয়াবা কিছুমান সীমাৱদ্ধতা আৰোপ কৰিব পাৰে। সমাজৰ অন্য ব্যক্তিৰ অসুবিধা নোহোৱাকৈহে আমি আমাৰ মানৱ অধিকাৰবোৰ উপভোগ কৰিব পাৰো।
- **মানৱ অধিকাৰবোৰ ব্যক্তিগত আৰু সমূহীয়া ঃ** মানৱ অধিকাৰবোৰ ব্যক্তিগতভাৱে আৰু সমূহীয়াকৈ উপভোগ কৰা হয়। কিছুমান অধিকাৰ গাইগুটীয়াভাৱে আৰু কিছুমান দলীয়ভাৱে উপভোগ কৰা হয়। উদাহৰণস্বৰূপে জীৱনৰ অধিকাৰ হ'ল ব্যক্তিগত আৰু উন্নয়ণৰ অধিকাৰ হ'ল সমূহীয়া অধিকাৰ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ কেন্দ্ৰই আগবঢ়োৱা মানৱ অধিকাৰৰ সংজ্ঞাটো উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰবোৰৰ প্ৰকৃতি অভিন্ন আৰু সার্বজনীন। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন ৩ ঃ মানৱ অধিকাৰৰ যিকোনো দুটা বৈশিষ্ট্যৰ বিষয়ে লিখক।

.....

.....

১.৫ মানৱ অধিকাৰৰ বিভিন্ন প্ৰকাৰ

যদিও মানৱ অধিকাৰবোৰক বিভিন্ন শিতানত ভাগ কৰা হৈছে তথাপিও সেইবোৰৰ চৰম আৰু সম্পূৰ্ণ বিভাজন সম্ভৱ নহয়। মানৱ অধিকাৰবোৰ অবিভাজ্য আৰু আন্তঃনিৰ্ভৰশীল। মানুহৰ অস্তিত্ব বৰ্তাই ৰখা আৰু মৰ্যাদাসম্পন্ন জীৱন নিৰ্বাহৰ বাবে আটাইবোৰ মানৱ অধিকাৰেই সমানে জৰুৰী। এই অধিকাৰবোৰক কেৱল ভালদৰে বুজা আৰু বিস্তৃতৰূপত অধ্যয়ন কৰাৰ বাবেহে বিভিন্ন শিতানত ভাগ কৰা হৈছে। তলত মানৱ অধিকাৰৰ প্ৰকাৰবোৰ উল্লেখ কৰা হ'ল ঃ-

- **পৌৰ আৰু ৰাজনৈতিক অধিকাৰ ঃ** ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু সম্পত্তিৰ সৈতে জড়িত অধিকাৰবোৰেই হ'ল পৌৰ অধিকাৰ। এটা সভ্য আৰু মৰ্যাদাসম্পন্ন জীৱন-যাপন কৰিবলৈ এই অধিকাৰবোৰৰ প্ৰয়োজন। পৌৰ অধিকাৰৰ উদাহৰণ হ'ল জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ ইত্যাদি। ৰাষ্ট্ৰৰ ৰাজনৈতিক কাৰ্যকলাপত ভাগ ল'বলৈ ব্যক্তিয়ে লাভ কৰা অধিকাৰবোৰকে ৰাজনৈতিক অধিকাৰ বোলে। কেইটামান ৰাজনৈতিক অধিকাৰ হ'ল— ভোট দিয়াৰ অধিকাৰ, নিৰ্বাচিত হোৱাৰ অধিকাৰ, চৰকাৰী নীতিক সমালোচনা কৰাৰ অধিকাৰ ইত্যাদি।
- **অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ ঃ** মানুহক অৰ্থবহ জীৱন এটা যাপন কৰিবলৈ কিছুমান অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ প্ৰয়োজন। এই অধিকাৰবোৰে ব্যক্তিক একোটা সুৰুচিপূৰ্ণ জীৱন-যাপন কৰাৰ সুবিধা দিয়ে। সামাজিক সমতা আৰু ন্যায় প্ৰতিষ্ঠা কৰিবলৈও এই অধিকাৰবোৰৰ প্ৰয়োজন। কৰ্মৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ, জিৰণিৰ অধিকাৰ, সাংস্কৃতিক জীৱনত অংশগ্ৰহণৰ অধিকাৰ আদি হ'ল অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ উদাহৰণ।
- **সামূহিক অধিকাৰ ঃ** সামূহিক অধিকাৰক ঐক্যৱদ্ধ অধিকাৰ (solidarity rights) বুলিও কোৱা হয়। সমূহীয়া স্তৰত এই অধিকাৰবোৰ মানুহে দলৱদ্ধভাৱে উপভোগ কৰে। স্ব-শাসনৰ অধিকাৰ, উন্নয়নৰ অধিকাৰ, শান্তিৰ অধিকাৰ আদি হ'ল দুটামান সামূহিক অধিকাৰৰ উদাহৰণ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃ পৌৰ অধিকাৰ মানে কি বুজা যায়?

.....

.....

প্ৰশ্ন ৫ ঃ যিকোনো দুটা ৰাজনৈতিক অধিকাৰ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন ৬ ঃ ..... আৰু ..... সুনিশ্চিত কৰিবলৈ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰবোৰ অতি জৰুৰী। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন ৭ ঃ যিকোনো তিনিটা সামূহিক অধিকাৰ উল্লেখ কৰক।

.....

.....

.....

১.৬ মানৱ অধিকাৰৰ উৎসসমূহ

বৰ্তমান সময়ত মানৱ অধিকাৰৰ প্ৰধান উৎস হ'ল ১৯৪৮ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই গ্ৰহণ কৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ হৈছে সকলো ৰাষ্ট্ৰৰে মানৱ অধিকাৰৰ ক্ষেত্ৰখনত গ্ৰহণ কৰিবলগীয়া কাৰ্য্যপন্থাৰ মানদণ্ড স্বৰূপ। এই ঘোষণাপত্ৰত অতি গুৰুত্বপূৰ্ণ আৰু মৌলিক প্ৰকৃতিৰ পৌৰ, ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক অধিকাৰ অন্তৰ্ভুক্ত কৰা হৈছে। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ বাদেও ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি আৰু অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তিকো মানৱ অধিকাৰৰ গুৰুত্বপূৰ্ণ উৎস হিচাপে বিবেচনা কৰা হয়। মানৱ অধিকাৰৰ আন কিছুমান গুৰুত্বপূৰ্ণ উৎস হ'ল বিভিন্ন আন্তৰ্জাতিক আৰু আঞ্চলিক সংস্থাই, যেনে- ইউৰোপীয় পৰিষদ, আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংগঠন, ইউৰোপীয় সংস্থাই মানৱ অধিকাৰ সম্পৰ্কীয় গ্ৰহণ কৰা বিভিন্ন চুক্তি আৰু ঘোষণাপত্ৰ। এই সংস্থাসমূহে গ্ৰহণ কৰা এনে কিছুমান চুক্তি হ'ল — ১৯৬৯ চনৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ মানৱ অধিকাৰ সম্পৰ্কীয় চুক্তি, ১৯৫০ চনৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ ইউৰোপীয় চুক্তি, ১৯৮১ চনৰ জনগণৰ অধিকাৰৰ আফ্ৰিকাৰ চনদ ইত্যাদি।

১.৭ মানৱ অধিকাৰৰ বিকাশ ঃ অধিকাৰৰ তিনিটা প্ৰজন্ম

মানৱ অধিকাৰৰ উৎস প্ৰাচীন চিন্তা আৰু দাৰ্শনিক ধাৰণাৰ মাজত অন্তৰ্নিহিত হৈ আছে। প্ৰাচীন কালৰ 'প্ৰাকৃতিক আইন' আৰু 'প্ৰাকৃতিক অধিকাৰ' আদিৰ দৰে ধাৰণাই হ'ল মানৱ অধিকাৰৰ আদিমূল। গ্ৰীক আৰু ৰোমান দাৰ্শনিকসকলে 'প্ৰাকৃতিক অধিকাৰ'ৰ ধাৰণাটোক স্বীকৃতি দিছিল। কিন্তু মানৱ অধিকাৰৰ ধাৰণাটোৱে ১২১৫ খ্ৰীষ্টাব্দতহে পোনপ্ৰথমবাৰৰ বাবে আনুষ্ঠানিক ৰূপ লৈছিল। সেই বছৰত ইউৰোপত ***মেগনা কার্টা*** (Magna Carta) ঘোষণাৰ জৰিয়তে আইনৰ শাসন (Rule of Law) প্ৰতিষ্ঠা কৰা হৈছিল। এই চনদখনত বহুতো মানৱ অধিকাৰ সম্পৰ্কীয় কথা অন্তৰ্ভুক্ত কৰা হৈছিল। এনেকুৱা অধিকাৰৰ



মেগনা কার্টা ঃ মেগনা কার্টা হৈছে এখন চনদ যিয়ে ইংলেণ্ডৰ ৰজাৰ ক্ষমতাত কিছুমান সীমাৱদ্ধতা আৰোপ কৰিছিল আৰু সামন্ত প্ৰভু -ক কিছুমান অধিকাৰ আৰু সুবিধা প্ৰদান কৰিছিল।

দুটামান উদাহৰণ হ'ল— গীর্জাবোৰ চৰকাৰী হস্তক্ষেপৰ পৰা মুক্ত হোৱাৰ অধিকাৰ, সকলো স্বাধীন নাগৰিকৰ সম্পত্তি আহৰণ কৰাৰ আৰু উত্তৰাধিকাৰীসূত্রে সম্পত্তি লাভ কৰাৰ অধিকাৰ থাকিব, সকলো স্বাধীন নাগৰিক অতিৰিক্ত কৰৰ বোজাৰ পৰা মুক্ত হোৱাৰ অধিকাৰ ইত্যাদি। চনদখনে বিধৱা মহিলাৰ অধিকাৰো প্রতিষ্ঠা কৰিছিল। সম্পত্তিৰ মালিকনী বিধৱা মহিলাসকলক চনদখনৰ দ্বাৰা স্বইচ্ছাৰে পুনৰবিবাহত নবহাৰ অধিকাৰ প্রদান কৰা হৈছিল। চনদখনে উপঢৌকন আৰু বিভাগীয় অশোভনীয় আচৰণ নিষেধ কৰিও নানা নীতি-নিয়ম প্রণয়ন কৰিছিল। মেগনা কার্টাৰ উপৰি ১৭৭৬ খ্রীষ্টাব্দৰ আমেৰিকাৰ স্বাধীনতা ঘোষণাপত্রতো মানৱাধিকাৰৰ ধাৰণাটোক আনুষ্ঠানিকভাৱে স্বীকৃতি দিয়া হৈছিল। তাৰ পিছতে ধাৰণাটো প্রতিষ্ঠাত সহায় কৰিছিল ১৭৮৯ চনৰ মানুহ আৰু নাগৰিকৰ অধিকাৰৰ ফৰাচী ঘোষণাপত্র আৰু ১৯১৭ চনৰ ৰাছিয়াৰ বলচেভিক আন্দোলনে। আমেৰিকাৰ স্বাধীনতা ঘোষণাপত্রখনৰ আধাৰ আছিল 'জীৱন, স্বাধীনতা আৰু আনন্দৰ সন্ধান সকলো মানুহৰে মৌলিক অধিকাৰ' বুলি গঢ় লৈ উঠা এটা বোধ। মানুহ আৰু নাগৰিকৰ অধিকাৰ বিষয়ক ফৰাচী ঘোষণাপত্রৰ দ্বাৰা অভিজাততন্ত্রৰ সার্বভৌমত্বক প্রত্যাহ্বান জনোৱা হৈছিল। ঘোষণাপত্রখনত ব্যক্তিগত অধিকাৰ আৰু সামূহিক অধিকাৰৰ এলানি সংজ্ঞাও অর্ন্তভুক্ত কৰা হৈছিল। এইবোৰে যদিও মানৱ অধিকাৰৰ ধাৰণাটো প্রতিষ্ঠা কৰাত মাইলৰ খুঁটিৰূপে থিয় দিছিল, তথাপিও মানৱ অধিকাৰৰ ধাৰণাটোৱে এটা সার্বজনীন ৰূপ পোৱা নাছিল। কাৰণ এই চনদ আৰু ঘোষণাপত্রবোৰে সকলো ব্যক্তিকে সামৰি লোৱা নাছিল। যেনে— মেগনা কার্টাৰ জৰিয়তে কেৱল সামন্ত প্রভুসকলৰ অধিকাৰক স্বীকৃতি প্রদান কৰা হৈছিল আৰু আমেৰিকাৰ স্বাধীনতা ঘোষণাপত্রৰ জৰিয়তে কেৱল শ্বেতাংগসকলৰ ব্যক্তিগত অধিকাৰৰ কথা কোৱা হৈছিল। ৰাছিয়াৰ বলচেভিক আন্দোলনে ৰাজতন্ত্রৰ স্বেচ্ছাচাৰী(ঝাঁৰ) ক্ষমতা ওফৰাই শ্রমিক শ্রেণীৰ অধিকাৰ নিশ্চিত কৰিছিল।

বিশং শতিকাৰ মাজভাগত মানৱ অধিকাৰৰ ধাৰণাটো অধিক বিস্তৃত আৰু সর্বাত্মক ৰূপত বিকশিত হৈ উঠিছিল। ইয়াৰ দৃষ্টিভংগী আৰু প্রয়োগক্ষেত্র সার্বজনীন হৈ পৰিছিল। প্রথম বিশ্বযুদ্ধৰ পিছত, বিংশ শতিকাৰ প্রথমার্দ্ধত, 'জাতি সংঘ' (League of Nations) গঠন কৰা হৈছিল। জাতিসংঘই কেইটামান মানৱ অধিকাৰ বিষয়ক নীতি-নিয়ম গ্রহণ কৰিছিল। তাৰ ভিতৰত আছিল সংখ্যালঘুসকলৰ অধিকাৰক সুৰক্ষা প্রদান। উপনিবেশিক ৰাষ্ট্রবোৰৰ জনসাধাৰণৰ মানৱ অধিকাৰক সুৰক্ষা প্রদান কৰাত জাতিসংঘ ব্যর্থ হৈছিল। ১৯৩৯ চনত দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হৈছিল। যুদ্ধৰ কালছোৱাত সমগ্র বিশ্বতে ব্যাপক হাৰত মানৱ অধিকাৰ উলংঘনৰ ঘটনা ঘটিছিল। দ্বিতীয় বিশ্বযুদ্ধ শেষ হোৱাৰ পিছত ১৯৪৫ চনত ৰাষ্ট্রসংঘ গঠন কৰা হৈছিল। ৰাষ্ট্রসংঘৰ প্রচেষ্টাতে মানৱ অধিকাৰৰ ধাৰণাটোৱে এক সক্রিয় আৰু বিস্তৃত ৰূপ ধাৰণ কৰিছিল। ৰাষ্ট্রসংঘৰ চনদ আৰু মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রই (Universal Declaration of Human Rights) মানৱ অধিকাৰৰ ধাৰণাটোক সম্পূর্ণ সার্বজনীন ৰূপ প্রদান কৰিছিল। ৰাষ্ট্রসংঘৰ

চনদে পুনৰবাৰ দোহাৰিছিল যে ই "মৌলিক মানৱ অধিকাৰ, মানুহৰ মর্যাদা আৰু মূল্য, পুৰুষ-মহিলাৰ সম অধিকাৰ আৰু সৰু-বৰ সকলো ৰাষ্ট্ৰৰ অধিকাৰত বিশ্বাসী"। ১৯৪৮ চনৰ ১০ ডিচেম্বৰত মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রখন গৃহীত হোৱাৰ লগে লগে ৰাষ্ট্রসংঘই ইয়াৰ সদস্য দেশবোৰক কিছুমান মানৱীয়, পৌৰ, অর্থনৈতিক আৰু সামাজিক অধিকাৰৰ পৃষ্ঠপোষকতা কৰিবলৈ গোঁহাৰি জনাইছিল। মানুহৰ অধিকাৰক সুৰক্ষা প্রদান কৰাৰ উপৰি অধিকাৰবোৰৰ পৃষ্ঠপোষকতা কৰিবলৈ ৰাষ্ট্রবোৰক বাধ্য কৰাবলৈ ৰাষ্ট্রসংঘই ১৯৬৬ চনত দুখন চুক্তি গৃহীত কৰিছিল। ইয়াৰে এখন হ'ল— পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু আনখন হ'ল— অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি । পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ দুখন ঐচ্ছিক প্ৰ'ট'ক'লো গ্রহণ কৰিছিল। এই ঐচ্ছিক প্ৰ'ট'ক'ল দুখন হ'ল—পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ ঐচ্ছিক প্ৰ'ট'ক'ল আৰু পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ দ্বিতীয় প্ৰ'ট'ক'ল। ইয়াৰে প্রথমখন ১৯৭৩ চনৰ ২৩ মার্চৰ পৰা কার্যকৰী হৈছিল। ১৯৮৯ চনৰ পৰা কার্যকৰী হোৱা দ্বিতীয়খন ঐচ্ছিক প্ৰ'ট'ক'লৰ লক্ষ্য আছিল মৃত্যুদণ্ড দিয়া প্রথা বিলোপ কৰা।

ৰাষ্ট্রসংঘৰ উপৰিও আঞ্চলিক পর্যায়তো বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানে মানৱ অধিকাৰৰ ধাৰণাটোৰ বিকাশত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। ইউৰোপীয় পৰিষদে ১৯৫০ চনৰ ৪ নৱেম্বৰত মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ সুৰক্ষাৰ বাবে মানৱ অধিকাৰৰ ইউৰোপীয় সিদ্ধান্ত গ্রহণ কৰিছে। মার্কিন ৰাষ্ট্রসমূহৰ সংগঠনে ১৯৬৯ চনত মানৱ অধিকাৰৰ মার্কিন সিদ্ধান্ত গ্রহণ কৰিছিল। আফ্রিকাৰ সংহতি সংগঠনে ১৯৮১ চনত জন সম্প্রদায় আৰু মানৱ অধিকাৰৰ আফ্রিকীয় চনদ গৃহীত কৰিছিল।

মানৱ অধিকাৰৰ ধাৰণাটোৰ বিকাশ অধিকাৰৰ তিনিটা প্রজন্মৰ পটভূমিত পৰীক্ষা কৰি চাব পাৰি। ১৯৭৯ চনক চেক্‌গণৰাজ্যৰ আইনজ্ঞ কাৰেল ভাচালে (Karel Vasale) মানৱ অধিকাৰক পোনপ্রথমবাৰৰ বাবে তিনিটা প্রজন্মত ভাগ কৰি বিশ্লেষণ আগবঢ়াইছিল। তলত এই প্রজন্ম তিনিটাৰ বিষয়ে আলোচনা কৰা হ'ল ঃ-

- **প্রথম প্রজন্মৰ মানৱ অধিকাৰ ঃ** এই প্রজন্মত ওঠৰশ শতিকাত ইউৰোপত বিকশিত হোৱা মানৱ অধিকাৰসমূহক ধৰা হয়। ই হ'ল মানৱ অধিকাৰৰ প্রাৰম্ভিক ৰূপ। ইয়াৰ মূল উৎস আছিল আমেৰিকাৰ স্বাধীনতা যুদ্ধ আৰু ফৰাছী বিপ্লৱ। এই সময়ছোৱাত গা কৰি উঠা অধিকাৰবোৰ আছিল মূলতঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰ। এই অধিকাৰবোৰৰ লক্ষ্য আছিল ব্যক্তিগত জীৱনত ৰাষ্ট্রৰ অহেতুক হস্তক্ষেপ নিয়ন্ত্রণ কৰা। ভাব প্রকাশৰ স্বাধীনতা, চিন্তা আৰু বিশ্বাসৰ স্বাধীনতা, জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, ভোট দিয়াৰ অধিকাৰ, নির্বাচিত হোৱাৰ অধিকাৰ আদি আছিল এই সময়ছোৱাত বিকশিত হোৱা কেইটামান অধিকাৰ। এই অধিকাৰবোৰৰ

দ্বাৰা অনুপ্রাণিত হৈ বহুতো দেশে পৰৱৰ্তী সময়ত নিজ নিজ সংবিধানত এইবোৰ অন্তর্ভুক্ত কৰিছিল। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র আৰু পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ দ্বাৰা এই অধিকাৰবোৰক বিশ্বজনীনভাৱে প্রতিষ্ঠা কৰা হৈছিল।

- **দ্বিতীয় প্রজন্মৰ মানৱ অধিকাৰ ঃ** ঊনবিংশ শতিকাত শ্রমিক শ্রেণীৰ আন্দোলনৰ সৈতে দ্বিতীয় প্রজন্মৰ মানৱ অধিকাৰবোৰেও গা কৰি উঠিছিল। এই সময়ৰ অধিকাৰবোৰ আছিল 'সুৰক্ষাকেন্দ্রিক অধিকাৰ'। অধিকাৰবোৰৰ লক্ষ্য আছিল মানুহক আর্থ-সামাজিক আৰু সাংস্কৃতিক সুৰক্ষা প্রদান কৰা। অধিকাৰবোৰৰ ভিত্তি আছিল সমতাৰ ধাৰণা। এই অধিকাৰবোৰে শ্রমিক শ্রেণীৰ প্রয়োজনীয় সামাজিক আৰু অর্থনৈতিক কল্যাণ, সেৱা আৰু সুবিধা নিশ্চিত কৰাৰ লক্ষ্য বান্ধি লৈছিল। অধিকাৰবোৰৰ প্রকৃতি আছিল সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক। এই অধিকাৰবোৰে ৰাষ্ট্রৰ ইতিবাচক হস্তক্ষেপৰ কথা সূচায় আৰু ৰাষ্ট্রই এই অধিকাৰবোৰৰ সুৰক্ষাৰ বাবে বিভিন্ন ব্যৱস্থা গ্রহণ কৰে। নিযুক্তি লাভৰ অধিকাৰ, সমান মজুৰিৰ অধিকাৰ, জীৱিকা নির্বাহৰ উপযুক্ত মাধ্যমৰ অধিকাৰ, সংগঠন গঠনৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ আদি হ'ল এই প্রজন্মৰ কেইটামান অধিকাৰ।
- **তৃতীয় প্রজন্মৰ মানৱ অধিকাৰ ঃ** দুখনকৈ বিশ্বযুদ্ধই সৃষ্টি কৰা বিভীষিকাৰ ফলশ্রুতিতে বিংশ শতিকাত মানৱ অধিকাৰৰ তৃতীয় প্রজন্মৰ উত্থান ঘটিছিল। এই অধিকাৰবোৰ আছিল প্রধানতঃ সামাজিক অধিকাৰ। কিছুমান নির্দিষ্ট বিষয়ত বিশ্বজনীন সহমত গঢ়ি উঠাৰ ফলস্বৰূপে এই অধিকাৰবোৰৰ বিকাশ ঘটিছিল। আচলতে এই অধিকাৰবোৰ হ'ল 'বিশ্বজনীন আন্তঃ নির্ভৰশীলতা' পৰিঘটনাটোৰ প্রতি বিশ্বই জনোৱা সহাঁৰি। এই অধিকাৰবোৰ সামগ্রিকভাৱে সমূহীয়া। স্বশাসনৰ অধিকাৰ, স্বাস্থ্যকৰ পৰিবেশৰ অধিকাৰ, বহনক্ষম উন্নয়নৰ অধিকাৰ, শান্তিৰ অধিকাৰ, ভাল চৰকাৰ লাভৰ অধিকাৰ, মানৱীয় সাহার্য্য লাভৰ অধিকাৰ, খিলঞ্জীয়া সংখ্যালঘুৰ অধিকাৰ আদি হ'ল এই প্রজন্মত বিকশিত হোৱা কেইটামান অধিকাৰ। বিশ্ব সম্প্রদায়ে বিভিন্ন প্রগতিশীল নথি-পত্র, সন্ধি, আচাৰ-বিধি আদিত ইয়াৰে বহুকেইটা সমূহীয়া অধিকাৰক স্বীকৃতি প্রদান কৰিছে। উন্নয়নৰ অধিকাৰক ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই ১৯৮৬ চনত উন্নয়নৰ অধিকাৰৰ ঘোষণাপত্র, মানৱীয় পৰিবেশ বিষয় ৰাষ্ট্রসংঘ সম্মিলনৰ ষ্টকহ'ম ঘোষণাপত্রই ১৯৭২ চনত, পৰিবেশ আৰু উন্নয়ন বিষয়ক ৰিঅ' ঘোষণাপত্রই ১৯৯২ চনত, মানৱীয় আৰু জনসম্প্রদায় আৰু মানৱ অধিকাৰৰ আফ্রিকীয় চনদে জন্মলগ্নতে স্বীকৃতি প্রদান কৰিছে।

শেহতীয়াভাৱে মানৱ অধিকাৰৰ চতুর্থ প্রজন্মৰো উত্থান ঘটিছে। বর্তমান সময়ৰ কিছুমান বিশেষ প্রয়োজন পূৰাবলৈ এই অধিকাৰবোৰক লৈ চিন্তা-চর্চা আৰম্ভ হৈছে। সমলিংগী পুৰুষ-মহিলাৰ মাজৰ সম্পর্কৰ অধিকাৰ হ'ল ইয়াৰ এক উদাহৰণ (gay rights, lesbian rights)।

ওপৰৰ আলোচনাৰ পৰা আমি জানিব পাৰিলো যে মানৱ অধিকাৰৰ ধাৰণাটোৱে বিকাশৰ এক দীঘলীয়া ইতিহাস গঢ়িছে আৰু বিভিন্ন পর্য্যায় পাৰ হৈ বিংশ শতিকাত এক সর্বাত্মক আৰু সুদৃঢ় ৰূপ ধাৰণ কৰিছে।

চিন্তা-চর্চা কৰক ১.১

প্রথম প্রজন্মৰ মানৱ অধিকাৰ আৰু দ্বিতীয় প্রজন্মৰ মানৱ অধিকাৰৰ মাজৰ পার্থক্যসমূহ জানিবলৈ যত্ন কৰক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ কোন চনত মেগনা কাৰ্টা গ্রহণ কৰা হৈছিল?

.....

প্রশ্ন ৯ ঃ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র ..... চনত গৃহীত কৰা হৈছিল। (খালী ঠাই পূৰ কৰক)

প্রশ্ন ১০ ঃ মানৱ অধিকাৰৰ তিনিটা প্রজন্ম সম্পর্কে আলোচনা কৰক।

.....

.....

.....



১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জাতি, বর্ণ, ধর্ম, লিংগ আৰু নাগৰিকত্ব নির্বিশেষে মানৱ অধিকাৰ সকলো ব্যক্তিৰে জন্মস্বত্ব অধিকাৰ। মানুহ হিচাপে জন্ম লাভ কৰা প্রতিগৰাকী ব্যক্তিৰেই সত্বাৰ সৈতে অভিন্ন আৰু অবিচ্ছেদ্যভাৱে মানৱ অধিকাৰবোৰ সাঙোৰ খাই আছে।
- মানৱ অধিকাৰ ব্যক্তিগত অথবা সমূহীয়া হ'ব পাৰে। মানৱ অধিকাৰৰ কিছুমান মৌলিক বৈশিষ্ট্য আছে। যেনে— মানৱ অধিকাৰবোৰ অভিন্ন, সার্বজনীন, গতিশীল, স্থায়ী। মানৱ অধিকাৰবোৰ অসীম নহয়।
- মানৱ অধিকাৰৰ প্রকাৰ ভিন্ ভিন্। যেনে— পৌৰ আৰু ৰাজনৈতিক অধিকাৰ, অর্থনৈতিক-সামাজিক-সাংস্কৃতিক অধিকাৰ, সামূহিক অধিকাৰ ইত্যাদি। দুটামান পৌৰ আৰু ৰাজনৈতিক অধিকাৰ হ'ল— জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, ভোট দিয়াৰ অধিকাৰ, নির্বাচিত

হোৱাৰ অধিকাৰ ইত্যাদি। অর্থনৈতিক-সামাজিক-সাংস্কৃতিক অধিকাৰৰ উদাহৰণ হ'ল— কর্মৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ, বিশ্রামৰ অধিকাৰ, সাংস্কৃতিক জীৱনত ভাগ লোৱাৰ অধিকাৰ আদি। স্বশাসনৰ অধিকাৰ, উন্নয়নৰ অধিকাৰ ইত্যাদি হ'ল সামূহিক অধিকাৰৰ উদাহৰণ।

- মানৱ অধিকাৰৰ ধাৰণাটোৱে সুদীর্ঘ দিনৰ অন্তত সর্বাত্মক ৰূপ ধাৰণ কৰিবলৈ সক্ষম হৈছে। প্রাচীন কালৰ 'প্রাকৃতিক আইন' আৰু 'প্রাকৃতিক অধিকাৰ' আদি ধাৰণা আৰু দার্শনিক চিন্তাই হ'ল মানৱ অধিকাৰৰ ধাৰণাটোৰ মূল উৎস। মানৱ অধিকাৰ বিষয়ক নীতি-নিয়ম সন্নিৱিষ্ট কৰা দুখনমান পুৰণি গুৰুত্বপূর্ণ নথি হ'ল ১২১৫ চনৰ মেগনা কার্টা চনদ, ১৭৭৬ চনৰ আমেৰিকাৰ স্বাধীনতাৰ ঘোষণাপত্র, ১৭৮৯ চনৰ মানুহ আৰু নাগৰিকৰ অধিকাৰ বিষয়ক ফৰাছী ঘোষণাপত্র আদি। জাতিসংঘইও কিছুমান অধিকাৰৰ সুৰক্ষাৰ ওপৰত জোৰ দিছিল।

  ● ৰাষ্ট্রসংঘ গঠন হোৱাৰ লগে লগে প্রকৃতার্থত মানৱ অধিকাৰৰ ধাৰণাটো বিকশিত হ'ল। ৰাষ্ট্রসংঘৰ চনদে ধাৰণাটোক এটা সম্পূর্ণ বিশ্বজনীন ৰূপ দিলে। মানৱ অধিকাৰ বিষয়ক ৰাষ্ট্রসংঘই গ্রহণ কৰা দুখনমান গুৰুত্বপূর্ণ ঘোষণাপত্র, চুক্তি হ'ল— ১৯৪৮ চনৰ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র, ১৯৬৬ চনৰ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি।

- মানৱ অধিকাৰৰ ধাৰণাটো বিকশিত কৰাত ৰাষ্ট্রসংঘৰ লগতে আঞ্চলিক পর্যায়ৰ অনুষ্ঠান-প্রতিষ্ঠানেও গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। এই উদ্দেশ্যে আঞ্চলিক পর্যায়তো বিভিন্ন ঘোষণাপত্র, চুক্তি গৃহীত কৰা হৈছে। যেনে— ১৯৫০ চনৰ মানৱ অধিকাৰৰ ইউৰোপীয় সিদ্ধান্ত, ১৯৬৯ চনৰ মানৱ অধিকাৰৰ মার্কিন সিদ্ধান্ত আৰু ১৯৮১ চনৰ জনসম্প্রদায় আৰু মানৱ অধিকাৰৰ আফ্রিকীয় চনদ আদি।

- মানৱ অধিকাৰৰ বিৱর্তন তিনিটা প্রজন্মৰ পটভূমিত বিশ্লেষণ কৰিব পৰা যায়। মানৱ অধিকাৰৰ প্রথম প্রজন্ম হ'ল অধিকাৰবোৰৰ প্রাৰম্ভিক ৰূপ। ওঠৰশ শতিকাৰ ইউৰোপত ইয়াৰ বিকাশ ঘটিছিল। এই অধিকাৰবোৰ মূলতঃ আছিল পৌৰ আৰু ৰাজনৈতিক। দুটামান উদাহৰণ হ'ল— জীৱন, স্বাধীনতা আৰু সম্পত্তিৰ অধিকাৰ, ভোট দিয়াৰ অধিকাৰ আৰু নির্বাচিত হোৱাৰ অধিকাৰ। ঊনবিংশ শতিকাত শ্রমিক শ্রেণীৰ আন্দোলন আৰম্ভ হোৱাৰ লগে লগে মানৱ অধিকাৰৰ দ্বিতীয় প্রজন্মৰ সূচনা হয়। এই অধিকাৰবোৰ মূলতঃ আছিল সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক। দুটামান উদাহৰণ হ'ল— নিযুক্তি লাভৰ অধিকাৰ, সমান মজুৰি লাভৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ ইত্যাদি। মানৱ অধিকাৰৰ তৃতীয়টো প্রজন্মৰ বিকাশ ঘটে বিংশ শতিকাত। এই অধিকাৰবোৰ হ'ল সামূহিক অধিকাৰ। কোনো নির্দিষ্ট বিষয়ত বিশ্বজনীন সহমত গঢ়ি উঠাৰ ফলশ্রুতিতে এই

অধিকাৰবোৰৰ বিকাশ ঘটিছিল। দুটামান উদাহৰণ হ'ল— স্বশাসনৰ অধিকাৰ, স্বাস্থ্যকৰ পৰিবেশৰ অধিকাৰ, বহনক্ষম উন্নয়নৰ অধিকাৰ ইত্যাদি।



১.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.

2) Stephen, R.M. (2002). *Human Rights : Concepts and Perspectives*. New Delhi : Concept Publishing Company.

3) Syed, M.H. (2003). *Human Rights : The New Era*. New Delhi : Kilaso Books.

4) Yasin, Adil-ul. & Upadhayay, Archana. (2004). *Human Rights.* New Delhi : Akansha Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) বৈশ্য ধনেশ্বৰ ২০০৫ ঃ *মানৱ অধিকাৰ*। গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল প্ৰকাশক।

২) দেৱ, অ., দেৱ, ই., দেৱ, সু (অনুবাদ, গুণ বৰুৱা) ২০০১ ঃ *মানৱ অধিকাৰ ঃ এখনি আদি গ্ৰন্থ*। নতুন দিল্লীঃ নেশ্যনেল বুক ট্ৰাষ্ট।

১.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সেইবোৰ অধিকাৰকে মানৱ অধিকাৰ হিচাপে সংজ্ঞাবদ্ধ কৰিব পাৰি, যিবিলাক আমাৰ প্ৰকৃতিৰ সৈতে নিহিত হৈ আছে আৰু যিবিলাক নহ'লে আমি মানুহ হিচাপে জীয়াই থাকিব নোৱাৰো।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) মানৱ অধিকাৰবোৰ অভিন্ন ঃ মানুহ হিচাপে জন্ম লভা প্ৰত্যেকেই এই অধিকাৰবোৰৰ গৰাকী। লিংগ, জাতি, বৰ্ণ, ধৰ্ম আৰু নাগৰিকত্ব নিৰ্বিশেষে প্ৰতিগৰাকী ব্যক্তিৰে এই অধিকাৰবোৰ জন্মস্বত্ব অধিকাৰ।

খ) মানৱ অধিকাৰবোৰ সাৰ্বজনীন ঃ মানৱ অধিকাৰৰ প্ৰকৃতি সাৰ্বজনীন। পৃথিৱীৰ প্ৰতিজন ব্যক্তিৰ ক্ষেত্ৰতে কোনো বিভেদ আৰু ব্যতিক্ৰম নথকাকৈ এই অধিকাৰবোৰ প্ৰযোজ্য। মানৱ অধিকাৰ সদায়েই এক সাৰ্বজনীনভাৱে প্ৰযোজ্য বিষয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু সম্পত্তিৰ সৈতে জড়িত অধিকাৰবোৰেই হ'ল পৌৰ অধিকাৰ। সভ্য আৰু মৰ্যাদাসম্পন্ন জীৱন-যাপন কৰিবলৈ এই অধিকাৰবোৰৰ প্ৰয়োজন।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ভোট দিয়াৰ অধিকাৰ, নিৰ্বাচিত হোৱাৰ অধিকাৰ।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিক সমতা, সামাজিক ন্যায়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ স্ব-শাসনৰ অধিকাৰ, উন্নয়নৰ অধিকাৰ, শান্তিৰ অধিকাৰ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ১২১৫ চনত।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৮ চনৰ ১০ ডিচেম্বৰত।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ক) মানৱ অধিকাৰৰ প্ৰথম প্ৰজন্ম ঃ এই প্ৰজন্মত ওঠৰশ শতিকাত ইউৰোপত গা কৰি উঠা মানৱ অধিকাৰসমূহক ধৰা হয়। ই হ'ল মানৱ অধিকাৰৰ প্ৰাৰম্ভিক ৰূপ। ইয়াৰ মূল উৎস আছিল আমেৰিকাৰ স্বাধীনতা যুদ্ধ আৰু ফৰাচী বিপ্লৱ। এই সময়ছোৱাত গা কৰি উঠা অধিকাৰবোৰ আছিল মূলতঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰ। এই অধিকাৰবোৰৰ লক্ষ্য আছিল ব্যক্তিগত জীৱনত ৰাষ্ট্ৰৰ অহেতুক হস্তক্ষেপ নিয়ন্ত্ৰণ কৰা। ভাৱ প্ৰকাশৰ স্বাধীনতা, চিন্তা আৰু বিশ্বাসৰ স্বাধীনতা, জীৱনৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, ভোট দিয়াৰ অধিকাৰ, নিৰ্বাচিত হোৱাৰ অধিকাৰ আদি আছিল এই সময়ছোৱাত মূৰ দাঙি উঠা কেইটামান অধিকাৰ। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ আৰু পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তিৰ দ্বাৰা এই অধিকাৰবোৰক বিশ্বজনীনভাৱে প্ৰতিষ্ঠা কৰা হৈছিল।

খ) মানৱ অধিকাৰৰ দ্বিতীয় প্ৰজন্ম ঃ ঊনবিংশ শতিকাত শ্ৰমিক শ্ৰেণীৰ আন্দোলনৰ সৈতে দ্বিতীয় প্ৰজন্মৰ মানৱ অধিকাৰবোৰেও গা কৰি উঠিছিল। অধিকাৰবোৰৰ ভিত্তি আছিল সমতাৰ ধাৰণা। এই অধিকাৰবোৰে শ্ৰমিক শ্ৰেণীৰ প্ৰয়োজনীয় সামাজিক আৰু অৰ্থনৈতিক কল্যাণ, সেৱা আৰু সুবিধা নিশ্চিত কৰাৰ লক্ষ্য বান্ধি লৈছিল। অধিকাৰবোৰৰ প্ৰকৃতি আছিল সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক। এই অধিকাৰবোৰে ৰাষ্ট্ৰৰ ইতিবাচক হস্তক্ষেপৰ কথা সূচায় আৰু ৰাষ্ট্ৰই এই অধিকাৰবোৰৰ সুৰক্ষাৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল। নিযুক্তি লাভৰ অধিকাৰ, সমান মজুৰিৰ অধিকাৰ, জীৱিকা অৰ্জনৰ উপযুক্ত মাধ্যমৰ অধিকাৰ, সংগঠন গঠনৰ অধিকাৰ, সামাজিক সুৰক্ষাৰ অধিকাৰ আদি হ'ল এই প্ৰজন্মত সৃষ্ট কেইটামান অধিকাৰ।

গ) মানৱ অধিকাৰৰ তৃতীয় প্ৰজন্ম ঃ দুখনকৈ বিশ্বযুদ্ধই সৃষ্টি কৰা বিভীষিকাৰ ফলশ্ৰুতিতে বিংশ শতিকাত মানৱ অধিকাৰৰ তৃতীয় প্ৰজন্মৰ উত্থান ঘটিছিল। এই অধিকাৰবোৰ আছিল প্ৰধানতঃ সামূহিক অধিকাৰ। কিছুমান নিৰ্দিষ্ট বিষয়ত

বিশ্বজনীন সহমত গঢ়ি উঠাৰ ফলস্বৰূপে এই অধিকাৰবোৰৰ বিকাশ ঘটিছিল। স্ব-শাসনৰ অধিকাৰ, স্বাস্থ্যকৰ পৰিবেশৰ অধিকাৰ, অবিৰত উন্নয়নৰ অধিকাৰ,শান্তিৰ অধিকাৰ, ভাল চৰকাৰ লাভৰ অধিকাৰ, মানৱীয় সাহায্য লাভৰ অধিকাৰ, খিলঞ্জীয়া সংখ্যালঘুৰ অধিকাৰ আদি হ'ল এই প্ৰজন্মত বিকশিত হোৱা কেইটামান অধিকাৰ।



১.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰক তিনিটা প্ৰজন্মত কোনে বিভাজিত কৰিছে?

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰৰ সুৰক্ষা আৰু পৃষ্ঠপোষকতাৰ বাবে ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা দুখন আন্তৰ্জাতিক চুক্তিৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ সামূহিক অধিকাৰ মানে কি?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰ মানে কি বুজা যায়?

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰৰ তিনিটা প্ৰজন্মৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ মানৱ অধিকাৰৰ উৎসসমূহ ব্যাখ্যা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰৰ প্ৰকৃতি আৰু বৈশিষ্ট্য ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰৰ বিকাশ সম্পৰ্কে আলোচনা কৰক।

****

অধ্যায় ২ ঃ মানৱ অধিকাৰ বিষয়ক বিভিন্ন দৃষ্টিভংগী

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ মানৱ অধিকাৰৰ সার্বজনীন দৃষ্টিভংগী
২.৪ মানৱ অধিকাৰৰ আপেক্ষিকতাবাদী দৃষ্টিভংগী
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৬ অধিক জানিবলৈ
২.৭ অগ্রগতিৰ খতিয়ান
২.৮ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ অধিকাৰৰ সার্বজনীন দৃষ্টিভংগী বর্ণনা কৰিব পাৰিব
- মানৱ অধিকাৰৰ আপেক্ষিকতাবাদী দৃষ্টিভংগী পৰীক্ষা কৰিব পাৰিব ।

২.২ পৰিচয়

মানৱ অধিকাৰৰ ধাৰণাটো হ'ল এক গতিশীল ধাৰণা। সময় সলনি হোৱাৰ লগে লগে মানৱ অধিকাৰৰ ধাৰণাটোৰো বিৱর্তন ঘটিছে। কোনো এক সম্প্রদায়ৰ সামাজিক পৰিৱেশ আৰু সংশ্লিষ্ট ঐতিহাসিক পটভূমিৰ সৈতে মানৱ অধিকাৰৰ ব্যাখ্যাৰ আন্তঃসম্পর্ক আছে। অৱশ্যে ব্যাখ্যাৰ ভিন্নতা থাকিলেও কিছুমান অধিকাৰৰ, যেনে— জীৱনৰ অধিকাৰ আৰু স্বাধীনতাৰ অধিকাৰৰ সার্বজনীনতা থাকে। এনে অধিকাৰবোৰ সকলো মানৱ সমাজত প্রযোজ্য। বর্তমান আদর্শগত সমস্যা আৰু নাৰীবাদী দৃষ্টিভংগীয়ে মানৱ অধিকাৰৰ প্রকৃতি বহু পৰিমাণে নির্ধাৰণ কৰিবলৈ লৈছে। এই অধ্যায়টিৰ জৰিয়তে আমি মানৱ অধিকাৰৰ ধাৰণাটোক সার্বজনীন আৰু আপেক্ষিকতাবাদী দৃষ্টিভংগীৰে বুজাৰ প্রয়াস কৰিম।

২.৩ মানৱ অধিকাৰৰ সার্বজনীন দৃষ্টিভংগী

মানৱ অধিকাৰৰ সার্বজনীন দৃষ্টিভংগী অনুসৰি বিশ্বৰ প্রতিগৰাকী ব্যক্তিৰ ক্ষেত্রতে একেবোৰ মানৱ অধিকাৰ প্রযোজ্য। অর্থাৎ মানৱ অধিকাৰসমূহ সার্বজনীন। লিংগ, বর্ণ, শ্রেণী, সম্প্রদায়, সংস্কৃতি আৰু অন্য কোনো বৈষম্যৰ দ্বাৰা মানৱ অধিকাৰৰ ধাৰণাটো খর্ব কৰিব

নোৱাৰি। মানৱ অধিকাৰ পৃথিৱীৰ প্ৰতিগৰাকী ব্যক্তিৰে জন্মস্বত্ব অধিকাৰ। ৰাষ্ট্ৰসংঘৰ গঠন হোৱাৰ লগে লগে মানৱ অধিকাৰ বিষয়ক সাৰ্বজনীন দৃষ্টিভংগী গঢ় লৈ উঠিল। ৰাষ্ট্ৰসংঘৰ চনদে মানৱ অধিকাৰৰ সাৰ্বজনীন ৰূপটোক স্বীকৃতি প্ৰদান কৰি কৈছে যে, "মানৱ অধিকাৰ হ'ল বৰ্ণ, লিংগ, জাতি, ভাষা অথবা ধৰ্ম নিৰ্বিশেষে পৃথিৱীৰ সকলো ব্যক্তিৰে থকা মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি থকা বিশ্বজনীন সন্মান আৰু এই অধিকাৰ তথা স্বাধীনতা উপভোগৰ সুবিধা প্ৰদান কৰা উচিত"। চনদৰ উপৰি ৰাষ্ট্ৰসংঘই আন বহুতো চুক্তি তথা ঘোষণাপত্ৰৰ জৰিয়তে মানৱ অধিকাৰ ধাৰণাটো গঢ় লৈ উঠাত সহায় কৰিছে। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ, পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি আদিৰ জৰিয়তে ৰাষ্ট্ৰসংঘই সাৰ্বজনীনভাৱে মানি লৈছে যে মানৱ অধিকাৰসমূহ মানৱ জীৱনৰ অভিন্ন অংশ। এই অধিকাৰসমূহৰ অস্তিত্ব স্বীকাৰ কৰাৰ লগে লগে প্ৰতিগৰাকী ব্যক্তি আৰু প্ৰতিখন ৰাষ্ট্ৰৰ ওপৰত এইবোৰৰ সু�ৰক্ষা প্ৰদান কৰাৰ দায়িত্বও আহি পৰে। প্ৰতিগৰাকী ব্যক্তিৰ মানৱ অধিকাৰক ৰক্ষণাবেক্ষণ দিয়াত আঞ্চলিক পৰ্যায়তো গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ প্ৰয়োজনীয়তা আছে। আঞ্চলিক পৰ্যায়ত মানৱ অধিকাৰৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব পালন কৰি অহা দুখনমান প্ৰখ্যাত নীতি - চনদ হ'ল— অধিকাৰ আৰু মৌলিক স্বাধীনতা ১৯৫০, মানৱ অধিকাৰৰ মাৰ্কিন সিদ্ধান্ত ১৯৬৯ আৰু জন সম্প্ৰদায় আৰু মানৱ অধিকাৰৰ আফ্ৰিকীয় চনদ ১৯৮১ আদি। এই নীতি-চনদবোৰৰ জন্ম তথা বলবৎকৰণৰ জৰিয়তে দুটা কথা স্পষ্টভাৱে বুজি পোৱা গৈছে— মানৱ অধিকাৰৰ ৰাজনৈতিক গ্ৰহণযোগ্যতাৰ প্ৰক্ৰিয়া আৰু ন্যায়িক বিধিবদ্ধকৰণৰ প্ৰক্ৰিয়া চলি আছে। এই সকলো প্ৰয়াসৰ ফলত আজি মানৱ অধিকাৰৰ ধাৰণাটোৱে সাৰ্বজনীন ৰূপ লৈছে আৰু পৃথিৱীৰ সকলো দেশে ধাৰণাটো মানি লৈছে। ভৌগোলিক আকাৰ, ৰাজনৈতিক-সামাজিক-অৰ্থনৈতিক আৰু সাংস্কৃতিক ভিন্নতা সত্বেও পৃথিৱীৰ প্ৰতিখন ৰাষ্ট্ৰই স্বীকাৰ কৰিছে যে মানৱাধিকাৰ বুলিলে প্ৰতিগৰাকী ব্যক্তিৰ পৌৰ, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰবোৰৰ কথা বুজোৱা হয়।

মানৱ অধিকাৰৰ সাৰ্বজনীন দৃষ্টিভংগীটো বিভিন্ন ধৰণে সমালোচিত হৈছে। বিশেষকৈ মানৱ অধিকাৰৰৰ আপেক্ষিকতাবাদী দৃষ্টিভংগীৰ সমৰ্থকসকলে সাৰ্বজনীন দৃষ্টিভংগীৰ বিপক্ষে বিভিন্ন যুক্তি আগবঢ়াইছে। তেঁওলোকে মন্তব্য আগবঢ়াইছে যে মানৱ অধিকাৰসমূহ সাৰ্বজনীন নহয় । এই অধিকাৰসমূহ সমাজ অনুযায়ী বেলেগ বেলেগ হয়। তেঁওলোকে যুক্তি আগবঢ়াইছে যে মানৱ অধিকাৰসমূহ সমাজৰ নৈতিক মূল্যৰ ওপৰত আধাৰিত আৰু নৈতিক মূল্যৰ ক্ষেত্ৰত প্ৰতিখন সমাজ আনখন সমাজৰ পৰা পৃথক হয়। ঠিক তেনেদৰে মানৱ অধিকাৰসমূহো স্থান অনুযায়ী বেলেগ বেলেগ হয়। সমাজৰ সামাজিক,ৰাজনৈতিক, সাংস্কৃতিক আৰু ঐতিহাসিক চৰ্ত অনুযায়ী মানৱ অধিকাৰৰ প্ৰকৃতিও বেলেগ বেলেগ হয়। গতিকে সকলো ধৰণৰ মানৱ অধিকাৰ সকলো সমাজত সাৰ্বজনীনভাৱে প্ৰয়োগ কৰিব নোৱাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ মানৱ অধিকাৰ সার্বজনীন দৃষ্টিভংগী মতে কোনো বিভেদ নৰখাকৈ মানৱ অধিকাৰ বিশ্বৰ সকলো ব্যক্তিৰ ক্ষেত্রতে সমানে প্রযোজ্য। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ২ ঃ মানৱ অধিকাৰ সম্পর্কীয় যিকোনো তিনিখন আঞ্চলিক চুক্তিৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন ৩ ঃ মানৱ অধিকাৰ সম্পর্কে সার্বজনীন দৃষ্টিভংগীয়ে আগবঢ়োৱা মৌলিক যুক্তিসমূহ উল্লেখ কৰক।

.....

.....

প্রশ্ন ৪ ঃ মানৱ অধিকাৰৰ সার্বজনীন দৃষ্টিভংগীৰ বিপক্ষে থকা এটা সমালোচনা লিখক।

.....

.....

.....

২.৪ মানৱ অধিকাৰৰ আপেক্ষিকতাবাদী মতবাদ

আপেক্ষিকতাবাদীসকলৰ মতে মানৱ অধিকাৰ এটা গতিশীল ধাৰণা। প্রজন্ম, সময় আৰু পৰিস্থিতি সাপেক্ষে ইয়াৰ স্বৰূপ ভিন্ ভিন্ হ'ব পাৰে। পৰিৱর্তিত প্রজন্ম, সময় আৰু পৰিস্থিতিৰ প্রয়োজনীয়তা পূৰাবলৈ মানৱ অধিকাৰৰ ধাৰণাটো এক ধাৰাবাহিক বিবর্তনৰ মাজেৰে গতি কৰি আছে। মানৱ অধিকাৰৰ সৈতে জড়িত সমস্যাবোৰ কিছুমান বিশেষ পৰিস্থিতিৰ ওপৰত নির্ভৰশীল। এই পৰিস্থিতিবোৰ বিশ্বজনীনভাৱে সকলোৰে ক্ষেত্রত প্রযোজ্য নহয়। আপেক্ষিকতাবাদীসকলে যুক্তি দর্শায় যে— মানৱ অধিকাৰৰ সার্বজনীনকৰণৰ ধাৰণাটো সার্বভৌম ৰাষ্ট্রৰ ক্ষেত্রত ভালদৰে খাপ নাখায়। ই আন্তর্জাতিকভাৱে গুৰুত্বপূর্ণ মহানগৰকেন্দ্রিক বিশ্বজনীন ৰাজনৈতিক সম্প্রদায়ৰ ক্ষেত্রতহে অধিক খাপ খায়। কিয়নো, এনে সম্প্রদায়ত ব্যক্তিক সমগ্র বিশ্বৰে নাগৰিক বুলি গণ্য কৰা হয়। আন্তর্জাতিক সম্পর্কৰ ক্ষেত্রত তিনিটা প্রতিদ্বন্দিতামূলক আপেক্ষিকতাবাদী আর্হি (model) আছে—

- পৰম্পৰাগত ৰাষ্ট্রবাদী আর্হি (Traditional Statist Model) মতে মানৱ অধিকাৰ বলবৎকৰণত ৰাষ্ট্রই সবাতোকৈ গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে আৰু মানৱ অধিকাৰসমূহ

সম্পূর্ণৰূপে সার্বভৌম ৰাষ্ট্রৰ প্রশাসনিক এক্তিয়াৰৰ অধীন। আন্তর্জাতিক সম্পর্ক ৰক্ষাৰ বাবে মানৱ অধিকাৰৰ বিষয়টো এক গৌণ (peripheral concern) বিষয়।

- আন্তর্জাতিকভাৱে গুৰুত্বপূর্ণ মহানগৰকেন্দ্রিক আর্হি মতে মানৱ অধিকাৰৰ স্পষ্ট উলংঘনৰ ক্ষেত্রত আন্তর্জাতিক সংগঠনবোৰৰ লগতে ব্যক্তি আৰু বেচৰকাৰী মানৱ অধিকাৰ সংগঠনবোৰেও গুৰুত্বপূর্ণ হস্তক্ষেপ কৰিব পাৰে।
- আন্তর্জাতিক আর্হি মতে আন্তর্জাতিক মানৱ অধিকাৰ ৰক্ষা নীতিবোৰক লৈ ৰাষ্ট্রীয় আৰু অ-ৰাষ্ট্রীয় পর্যায়ত সহমত গঢ় লৈ উঠাতো জৰুৰী। আন্তর্জাতিক সংগঠনে স্বীকৃতি প্রদান কৰা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক মানৱ অধিকাৰ নীতিৰ আধাৰতহে আন্তর্জাতিকভাৱে মানৱ অধিকাৰ ৰক্ষাৰ কার্য-কলাপ কৰি যোৱাৰ অনুমতি লাভ কৰিব পৰা যায়।

মানৱ অধিকাৰ আপেক্ষিকতাবাদী মতবাদ মতে মানৱ অধিকাৰসমূহ কিছুমান নৈতিক প্রমূল্যৰ দ্বাৰা পৰিচালিত আৰু এই প্রমূল্যসমূহৰ প্রকৃতি সাংস্কৃতিক অথবা ঐতিহাসিক; সার্বজনীন নহয়। ওপৰৰ আলোচনাৰ পৰা আমি জানিলোঁ যে— আপেক্ষিকতাবাদী দৃষ্টিভংগীয়ে বিশ্বৰ মানৱ অধিকাৰ বিষয়ক দৃষ্টিভংগীসমূহ প্রধানকৈ তিনিটা ভাগত বিভক্ত কৰে— ক) প্রথম বিশ্ব অথবা পাশ্চাত্য দেশবোৰৰ দৃষ্টিভংগী — এই দৃষ্টিভংগীয়ে মানৱ অধিকাৰ বুলিলে পৌৰ, ৰাজনৈতিক আৰু সম্পত্তিৰ অধিকাৰ ৰক্ষাৰ ওপৰত জোৰ দিয়ে। খ) দ্বিতীয় বিশ্ব দেশবোৰৰ দৃষ্টিভংগী —এই দৃষ্টিভংগীয়ে ব্যক্তিৰ সামাজিক আৰু অর্থনৈতিক অধিকাৰ ৰক্ষাত জোৰ দিয়ে। গ) তৃতীয় বিশ্বৰ দৃষ্টিভংগী —এই দৃষ্টিভংগীয়ে ব্যক্তিৰ স্বশাসন (self-determination) আৰু উন্নয়নমূলক (developmental) অধিকাৰ ৰক্ষাত গুৰুত্ব আৰোপ কৰে।

আপেক্ষিকতাবাদী মতবাদ অনুসৰি কেইবাটাও কাৰকে মানৱ অধিকাৰৰ সৈতে জড়িত সমস্যাবোৰ নির্দ্ধাৰণ কৰাত সহায় কৰে। এই কাৰকবোৰ ঐতিহাসিক, অর্থনৈতিক আৰু সাংস্কৃতিক হ'ব পাৰে। সমাজ আৰু সময়ভেদে কাৰকবোৰৰ প্রকৃতি ভিন্ ভিন্ হ'ব পাৰে। সেয়েহে ইমানবোৰ ভিন্ন প্রেক্ষাপটত মানৱ অধিকাৰৰ সার্বজনীন ৰূপৰ ধাৰণাটো প্রযোজ্য হ'ব নোৱাৰে।

মানৱ অধিকাৰৰ আপেক্ষিকতাবাদী দৃষ্টিভংগীটো পণ্ডিতসকলে সমালোচনা কৰিছে। বহুতো পণ্ডিতে মত প্রকাশ কৰিছে যে আপেক্ষিকতাবাদী দৃষ্টিভংগীটো স্ব বিৰোধী। এই দৃষ্টিভংগীটোৱে গ্রহণ কৰিছে যে নৈতিক মূল্যৰ একমাত্র উৎস হ'ল সার্বজনীন সংস্কৃতিসমূহ আৰু অন্যহাতে এই দৃষ্টিভংগীটোৱে কোনো ধৰণৰ সংগত সার্বজনীন নৈতিক ৰায় গ্রহণ কৰা নাই। অন্য কিছুমান পণ্ডিতেও যুক্তি আগবঢ়াইছে যে সমগ্র পৃথিৱীৰ জনগণৰ বৃহত্তৰ স্বার্থৰ সামূহীয়া জ্ঞান নোহোৱাকৈ প্রকৃতার্থত মানৱ অধিকাৰৰ ধাৰণা স্থাপিত হ'ব নোৱাৰে। মানৱ অধিকাৰৰ ধাৰণাই সকলো ধৰণৰ সাংস্কৃতিক বৈষম্য বিলীন কৰি ল'ব লাগে। মানৱ অধিকাৰ সকলোৰে বাবে উমৈহতীয়া হ'ব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ মানৱ অধিকাৰ সম্পর্কে আপেক্ষিকতাবাদী দৃষ্টিভংগীয়ে আগবঢ়োৱা মৌলিক যুক্তিসমূহ উল্লেখ কৰক।

.....

.....

প্রশ্ন ৬ ঃ আন্তর্জাতিক সম্পর্ক ৰক্ষাৰ তিনিটা আপেক্ষিকতাবাদী আৰ্হি বর্ণনা কৰক।

.....

.....

.....

.....

প্রশ্ন ৭ ঃ আপেক্ষিকতাবাদী দৃষ্টিভংগীয়ে কৰা বিশ্বৰ মানৱ অধিকাৰ বিষয়ক দৃষ্টিভংগীসমূহৰ শ্রেণীবিভাজনৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

.....

প্রশ্ন ৮ ঃ মানৱ অধিকাৰৰ আপেক্ষিকতাবাদী দৃষ্টিভংগীৰ বিপক্ষে থকা এটা সমালোচনা লিখক।

.....

.....

.....



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ অধিকাৰে মানৱীয় মর্যাদাৰ ৰক্ষণাবেক্ষণ কৰে। মানৱ অধিকাৰে আমাক পৰস্পৰৰ অধিকাৰক সন্মান কৰিবলৈ শিকায়। অর্থাৎ— মানৱ অধিকাৰ মানে কেৱল অনুৰোধ অথবা দাবী কৰি লাভ কৰা অধিকাৰবোৰৰ কথাকে বুজোৱা নহয়। মানৱ অধিকাৰ হ'ল প্রতিগৰাকী ব্যক্তিয়ে উপভোগ কৰিব পৰা সন্মানীয় আৰু দায়িত্ববোধ জড়িত হৈ থকা অধিকাৰ।
- মানৱ অধিকাৰৰ ধাৰণাটোক কেন্দ্র কৰি বহুতো মতবাদ গঢ় লৈ উঠিছে। বিভিন্ন দৃষ্টিভংগীৰে বিষয়টো অধ্যয়ন কৰা হয়। এনে কেইটামান দৃষ্টিভংগী হ'ল— সার্বজনীন দৃষ্টিভংগী, আপেক্ষিকতাবাদী দৃষ্টিভংগী ।

- মানৱ অধিকাৰৰ সার্বজনীন দৃষ্টিভংগী অনুসৰি বিশ্বৰ প্রতিগৰাকী ব্যক্তিৰ ক্ষেত্রতে একেবাৰে মানৱ অধিকাৰ প্রযোজ্য। অর্থাৎ— মানৱ অধিকাৰসমূহ সার্বজনীন। লিংগ, বর্ণ, শ্রেণী, সম্প্রদায়, সংস্কৃতি আৰু অন্য কোনো বৈষম্যৰ দ্বাৰা মানৱ অধিকাৰৰ ধাৰণাটো খর্ব কৰিব নোৱাৰি।
- মানৱ অধিকাৰৰ ধাৰণাটোক সার্বজনীন ৰূপ প্রদান কৰাত ৰাষ্ট্রসংঘই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। এই বিষয়ত ৰাষ্ট্রসংঘই ভালেমান নীতি-নিয়ম গ্রহণ কৰিছে। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র, পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি, অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আদিৰ জৰিয়তে ৰাষ্ট্রসংঘই ঘোষণা কৰিছে যে মানৱ অধিকাৰসমূহ মানৱ জীৱনৰ অভিন্ন অংগ।
- মানৱ অধিকাৰৰ সার্বজনীন দৃষ্টিভংগীটো বিভিন্ন ধৰণে সমালোচিত হৈছে। বিশেষকৈ মানৱ অধিকাৰৰৰ আপেক্ষিকতাবাদী দৃষ্টিভংগীৰ সমর্থকসকলে সার্বজনীন দৃষ্টিভংগীৰ বিপক্ষে বিভিন্ন যুক্তি আগবঢ়াইছে। তেঁওলোকে মন্তব্য আগবঢ়াইছে যে মানৱ অধিকাৰসমূহ সার্বজনীন নহয় । এই অধিকাৰসমূহ সমাজ অনুযায়ী বেলেগ বেলেগ হয়। তেঁওলোকে যুক্তি আগবঢ়াইছে যে মানৱ অধিকাৰসমূহ সমাজৰ নৈতিক মূল্যৰ ওপৰত আধাৰিত আৰু নৈতিক মূল্যৰ ক্ষেত্রত প্রতিখন সমাজ আনখন সমাজৰ পৰা পৃথক হয়। ঠিক তেনেদৰে মানৱ অধিকাৰসমূহো স্থান অনুযায়ী বেলেগ বেলেগ হয়। সমাজৰ সামাজিক,ৰাজনৈতিক, সাংস্কৃতিক আৰু ঐতিহাসিক চর্ত অনুযায়ী মানৱ অধিকাৰৰ প্রকৃতিও বেলেগ বেলেগ হয়। গতিকে সকলো ধৰণৰ মানৱ অধিকাৰ সকলো সমাজত সার্বজনীনভাৱে প্রয়োগ কৰিব নোৱাৰি।
- আপেক্ষিকতাবাদীসকলে যুক্তি দর্শায় যে মানৱ অধিকাৰ সার্বজনীনভাৱে প্রযোজ্য কৰিব পৰা নাযায়। ই এক গতিশীল ধাৰণা। প্রজন্ম, সময় আৰু পৰিস্থিতি সাপেক্ষে ইয়াৰ স্বৰূপ ভিন্ ভিন্ হ'ব পাৰে। পৰিৱর্তিত প্রজন্ম, সময় আৰু পৰিস্থিতিৰ প্রয়োজনীয়তা পূৰাবলৈ মানৱ অধিকাৰৰ ধাৰণাটো এক ধাৰাবাহিক বিৱর্তনৰ মাজেৰে গতি কৰি আছে।
- আন্তর্জাতিক সম্পর্কৰ ক্ষেত্রত তিনিটা প্রতিদ্বন্দিতামূলক অপেক্ষিকতাবাদী আর্হি আছে— পৰম্পৰাগত ৰাষ্ট্রবাদী আর্হি, আন্তর্জাতিকভাৱে গুৰুত্বপূর্ণ মহানগৰকেন্দ্রিক আর্হি আৰু আন্তর্জাতিক আর্হি।
- মানৱ অধিকাৰৰ আপেক্ষিকতাবাদী দৃষ্টিভংগীটো পণ্ডিতসকলে সমালোচনা কৰিছে। বহুতো পণ্ডিতে মত প্রকাশ কৰিছে যে আপেক্ষিকতাবাদী দৃষ্টিভংগীটো স্ব বিৰোধী। এই দৃষ্টিভংগীটোৱে গ্রহণ কৰিছে যে নৈতিক মূল্যৰ একমাত্র উৎস হ'ল সার্বজনীন সংস্কৃতিসমূহ আৰু অন্যহাতে এই দৃষ্টিভংগীটোৱে কোনো ধৰণৰ সংগত সার্বজনীন নৈতিক ৰায় গ্রহণ কৰা নাই। অন্য কিছুমান পণ্ডিতেও যুক্তি আগবঢ়াইছে যে সমগ্র পৃথিৱীৰ জনগণৰ বৃহত্তৰ স্বার্থৰ সামূহীয়া জ্ঞান নোহোৱাকৈ প্রকৃতার্থত মানৱ অধিকাৰৰ ধাৰণা স্থাপিত হ'ব নোৱাৰে। মানৱ অধিকাৰৰ ধাৰণাই সকলো ধৰণৰ সাংস্কৃতিক বৈষম্য বিলীন কৰি ল'ব লাগে। মানৱ অধিকাৰ সকলোৰে বাবে উমৈহতীয়া হ'ব লাগে।



২.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.

2) Dhiman, O.P. (2011). *Understanding Human Rights: An Overview.* Delhi : Kalpaz Publications.

3) Stephen, R.M. (2002). *Human Rights : Concepts and Perspectives*. New Delhi : Concept Publishing Company.

4) Syed, M.H. (2003). *Human Rights : The New Era*. New Delhi : Kilaso Books.

5) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi: Akansha Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) বৈশ্য ধনেশ্বৰ ২০০৫ ঃ *মানৱ অধিকাৰ*। গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল প্ৰকাশক।

২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ অধিকাৰ আৰু মৌলিক স্বাধীনতা ১৯৫০, মানৱ অধিকাৰৰ মাৰ্কিন সিদ্ধান্ত, ১৯৬৯ আৰু জন সম্প্ৰদায় আৰু মানৱ অধিকাৰৰ আফ্ৰিকীয় চনদ, ১৯৮১।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰৰ সাৰ্বজনীন দৃষ্টিভংগী অনুসৰি বিশ্বৰ প্ৰতিগৰাকী ব্যক্তিৰ ক্ষেত্ৰতে একেৰোৰ মানৱ অধিকাৰ প্ৰযোজ্য। অৰ্থাৎ— মানৱ অধিকাৰসমূহ সাৰ্বজনীন। লিংগ, বৰ্ণ, শ্ৰেণী, সম্প্ৰদায়, সংস্কৃতি আৰু অন্য কোনো বৈষম্যৰ দ্বাৰা মানৱ অধিকাৰৰ ধাৰণাটো খৰ্ব কৰিব নোৱাৰি। মানৱ অধিকাৰ পৃথিৱীৰ প্ৰতিগৰাকী ব্যক্তিৰে জন্মস্বত্ব অধিকাৰ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰৰ সাৰ্বজনীন দৃষ্টিভংগীটো বিভিন্ন ধৰণে সমালোচিত হৈছে। তেঁওলোকে মন্তব্য আগবঢ়াইছে যে মানৱ অধিকাৰসমূহ সাৰ্বজনীন নহয়।

এই অধিকাৰসমূহ সমাজ অনুযায়ী বেলেগ বেলেগ হয়। তেঁওলোকে যুক্তি আগবঢ়াইছে যে মানৱ অধিকাৰসমূহ সমাজৰ নৈতিক মূল্যৰ ওপৰত আধাৰিত আৰু নৈতিক মূল্যৰ ক্ষেত্ৰত প্ৰতিখন সমাজ আনখন সমাজৰ পৰা পৃথক হয়। ঠিক তেনেদৰে মানৱ অধিকাৰসমূহো স্থান অনুযায়ী বেলেগ বেলেগ হয়।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ আপেক্ষিকতাবাদীসকলৰ মৌলিক যুক্তি অনুসৰি মানৱ অধিকাৰবোৰ সাৰ্বজনীন নহয়। মানৱ অধিকাৰ হ'ল এটা গতিশীল ধাৰণা। প্ৰজন্ম, সময় আৰু পৰিস্থিতিৰ প্ৰয়োজনীয়তা পূৰাবলৈ মানৱ অধিকাৰৰ ধাৰণাটো এক ধাৰাবাহিক বিৱৰ্তনৰ মাজেৰে গতি কৰি আছে। মানৱ অধিকাৰ বিষয়ক সমস্যাবোৰ কিছুমান বিশেষ চৰ্তৰ ওপৰত নিৰ্ভৰশীল। সেইবোৰ সাৰ্বজনীনভাৱে সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য নহয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগত ৰাষ্ট্ৰবাদী আৰ্হি, আন্তৰ্জাতিকভাৱে গুৰুত্বপূৰ্ণ মহানগৰকেন্দ্ৰিক আৰ্হি আৰু আন্তৰ্জাতিক আৰ্হি।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ আপেক্ষিকতাবাদী দৃষ্টিভংগীয়ে বিশ্বৰ মানৱ অধিকাৰ বিষয়ক দৃষ্টিভংগীসমূহ প্ৰধানকৈ তিনিটা ভাগত বিভক্ত কৰে— ক) প্ৰথম বিশ্ব অথবা পাশ্চাত্য দেশবোৰৰ দৃষ্টিভংগী — এই দৃষ্টিভংগীয়ে মানৱ অধিকাৰ বুলিলে পৌৰ, ৰাজনৈতিক আৰু সম্পত্তিৰ অধিকাৰ ৰক্ষাৰ ওপৰত জোৰ দিয়ে। খ) দ্বিতীয় বিশ্ব দেশবোৰৰ দৃষ্টিভংগী —এই দৃষ্টিভংগীয়ে ব্যক্তিৰ সামাজিক আৰু অৰ্থনৈতিক অধিকাৰ ৰক্ষাত জোৰ দিয়ে। গ) তৃতীয় বিশ্বৰ দৃষ্টিভংগী —এই দৃষ্টিভংগীয়ে ব্যক্তিৰ স্বশাসন (self-determination) আৰু উন্নয়নমূলক (developmental) অধিকাৰ ৰক্ষাত গুৰুত্ব আৰোপ কৰে। আপেক্ষিকতাবাদী মতবাদ অনুসৰি কেইবাটাও কাৰকে মানৱ অধিকাৰৰ সৈতে জড়িত সমস্যাবোৰ নিৰ্দ্ধাৰণ কৰাত সহায় কৰে। এই কাৰকবোৰ ঐতিহাসিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক হ'ব পাৰে। সমাজ আৰু সময়ভেদে কাৰকবোৰৰ প্ৰকৃতি ভিন্ ভিন্ হ'ব পাৰে। সেয়েহে ইমানবোৰ ভিন্ন প্ৰেক্ষাপটত মানৱ অধিকাৰৰ সাৰ্বজনীন ৰূপৰ ধাৰণাটো প্ৰযোজ্য হ'ব নোৱাৰে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰৰ আপেক্ষিকতাবাদী দৃষ্টিভংগীটো পণ্ডিতসকলে সমালোচনা কৰিছে। বহুতো পণ্ডিতে মত প্ৰকাশ কৰিছে যে আপেক্ষিকতাবাদী দৃষ্টিভংগীটো স্ব বিৰোধী। এই দৃষ্টিভংগীটোৱে গ্ৰহণ কৰিছে যে নৈতিক মূল্যৰ একমাত্ৰ উৎস হ'ল সাৰ্বজনীন সংস্কৃতিসমূহ আৰু অন্যহাতে এই দৃষ্টিভংগীটোৱে কোনো ধৰণৰ সংগত সাৰ্বজনীন নৈতিক ৰায় গ্ৰহণ কৰা নাই।



২.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰৰ ধাৰণাটোক বিশ্বজনীন ৰূপ দিবলৈ ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা ঘোষণাপত্ৰ আৰু চুক্তিসমূহৰ নাম লিখক।

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰৰ সম্পৰ্কীয় যিকোনো দুখন আঞ্চলিক চুক্তিৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ মানৱ অধিকাৰৰ সাৰ্বজনীনকৰণ মানে কি?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ আন্তৰ্জাতিক সম্পৰ্ক ৰক্ষাৰ তিনিটা আপেক্ষিকতাবাদী আৰ্হি ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰৰ ধাৰণাটোক বিশ্বজনীন ৰূপ দিয়াত ৰাষ্ট্ৰসংঘৰ ভূমিকাৰ বিষয়ে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰৰ আপেক্ষিকতাবাদী দৃষ্টিভংগীৰ বিষয়ে এটা সমালোচনাত্মক টোকা লিখক।

প্ৰশ্ন ২ ঃ মানৱ অধিকাৰৰ সাৰ্বজনীন দৃষ্টিভংগীটো আলোচনা কৰক।

****

অধ্যায় ৩ ঃ মানৱ অধিকাৰ বিষয়ক বিভিন্ন মতবাদ ঃ মাৰ্ক্সীয়, নাৰীবাদী, গান্ধীবাদী আৰু তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মানৱ অধিকাৰ বিষয়ক বিভিন্ন মতবাদ

৩.৩.১ মানৱ অধিকাৰৰ মাৰ্ক্সীয় দৃষ্টিভংগী

৩.৩.২ মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগী

৩.৩.৩ মানৱ অধিকাৰৰ তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী

৩.৩.৪ মানৱ অধিকাৰৰ গান্ধীবাদী দৃষ্টিভংগী

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্রগতিৰ খতিয়ান

৩.৭ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ অধিকাৰৰ মাৰ্ক্সীয় দৃষ্টিভংগী ব্যাখ্যা কৰিব পাৰিব
- মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগী ব্যাখ্যা কৰিব পাৰিব
- মানৱ অধিকাৰৰ তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী আলোচনা কৰিব পাৰিব
- মানৱ অধিকাৰৰ গান্ধীবাদী দৃষ্টিভংগী পৰীক্ষা কৰি চাব পাৰিব।

৩.২ পৰিচয়

মানৱ অধিকাৰ সম্পৰ্কীয় বিভিন্ন দৃষ্টিভংগী আৰু মতবাদ আছে। প্রতিটো দৃষ্টিভংগী আৰু মতবাদৰ যুক্তি আন দৃষ্টিভংগী আৰু মতবাদৰ পৰা পৃথক হয়। এই অধ্যায়টিত আমি মানৱ অধিকাৰৰ মাৰ্ক্সীয় দৃষ্টিভংগী, নাৰীবাদী দৃষ্টিভংগী, তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী আৰু গান্ধীবাদী দৃষ্টিভংগীৰ বিষয়ে আলোচনা কৰিম।

৩.৩ মানৱ অধিকাৰ বিষয়ক বিভিন্ন মতবাদ

মানৱ অধিকাৰৰ ধাৰণাটো বর্তমান সময়ত অধ্যয়নৰ এক গুৰুত্বপূর্ণ বিষয়ত পৰিণত হৈছে। মানৱ অধিকাৰৰ বিষয়টো পৰীক্ষা কৰিবলৈ বিভিন্ন মতবাদ আছে। ইয়াৰে কেইটামান গুৰুত্বপূর্ণ মতবাদ তলত আলোচনা কৰা হ'ল—

৩.৩.১ মানৱ অধিকাৰৰ মাৰ্ক্সীয় দৃষ্টিভংগী

মানৱ অধিকাৰ সম্পৰ্কে থকা মাৰ্ক্সীয় দৃষ্টিভংগীৰ মৌলিক উৎস হ'ল কাৰ্ল মাৰ্ক্সৰ লেখনিসমূহ। তাৰ পিছত বিষয়টোলৈ অৱদান আগবঢ়াইছে এনজেলচ্, লেনিনকে ধৰি মাৰ্ক্সীয় দৰ্শনৰ পৃষ্ঠপোষকতা কৰা অন্য পণ্ডিতসকলে। তেওঁলোক উদাৰপন্থী চিন্তাবিদসকলৰ দ্বাৰা সৃষ্ট ব্যক্তিগত অধিকাৰৰ ধাৰণাটোৰ তীব্র সমালোচনা কৰিছিল। মাৰ্ক্সীয় সমালোচনা মতে এনে অধিকাৰবোৰ হ'ল পুঁজিবাদী সমাজৰ সৃষ্টি। ইয়াৰ উদ্দেশ্য হ'ল 'একো নথকা'সকলৰ (have-nots) স্বাৰ্থক বলি দি 'সকলো থকা'সকলৰ (haves) জীৱনৰ মান অধিক উন্নত কৰা। মাৰ্ক্সীয় দৃষ্টিভংগীয়ে ব্যক্তিগত অধিকাৰক সাধাৰণ জনগণৰ স্বাৰ্থৰ পৰিপন্থী বুৰ্জোৱা শোষণৰ আহিলা বুলি গণ্য কৰে।

মাৰ্ক্সীয় দৰ্শনৰ অনুসৰণকাৰীসকলে ৰাষ্ট্রৰ বিনাশ আৰু সাম্যবাদৰ প্রতিষ্ঠাত জোৰ দিয়ে। মাৰ্ক্সবাদ মতে সমতাপূর্ণ সমাজ এখনতহে ব্যক্তিৰ সম্ভাৱনা আৰু প্রতিভাৰ সর্বোচ্চ বিকাশ সম্ভৱপৰ। এই দিশৰ পৰা চাবলৈ গ'লে মাৰ্ক্সবাদে সাম্প্রদায়িক অথবা সামাজিক অধিকাৰক ব্যক্তিগত অধিকাৰতকৈ অধিক গুৰুত্ব প্রদান কৰে। মাৰ্ক্সবাদী চিন্তাবিদসকলে এই কথা স্পষ্ট কৰি দিছে যে এনে এখন সমতাপূর্ণ সমাজত অধিকাৰৰ এখন দীঘল তালিকা নিষ্প্রয়োজন। মানৱ জীৱনৰ অস্তিত্বই সমাজক কেন্দ্র কৰি বর্তি থাকে। সেয়েহে মাৰ্ক্সবাদীসকলে সামাজিক অধিকাৰত বেছি গুৰুত্ব আৰোপ কৰে। যিহেতু মানৱ অধিকাৰসমূহ অর্থনৈতিক সম্পর্কৰ পৰা জন্ম পায় সেয়েহে অর্থনৈতিক আৰু সামাজিক অধিকাৰক মাৰ্ক্সবাদীসকলে পৌৰ তথা ৰাজনৈতিক অধিকাৰতকৈ বেছি গুৰুত্বপূর্ণ বুলি ভাবে। নব্য-মাৰ্ক্সবাদী ভাৱধাৰামতে মানৱ অধিকাৰে সমাজৰ বঞ্চিত শ্রেণীৰ লোকসকলৰ বাবে জীৱিকা অর্জনৰ উন্নত পন্থা বিচাৰি উলিওৱাত সহায় কৰিব পাৰে। সহজ অর্থত ক'বলৈ হ'লে মাৰ্ক্সীয় দৃষ্টিভংগীয়ে শ্রেণী, জাতি আদি বিভাজন বৈষম্য অবিহনে সকলো লোকৰ আর্থ-সামাজিক স্বাধীনতা তথা সমতাকে মানৱ অধিকাৰ বুলি গণ্য কৰে।

মানৱ অধিকাৰৰ মাৰ্ক্সীয় দৃষ্টিভংগীক বিভিন্ন পণ্ডিতে সমালোচনা কৰিছে। বিশেষকৈ উদাৰতাবাদীসকলে মাৰ্ক্সীয় দৃষ্টিভংগীৰ ব্যক্তিৰ অধিকাৰৰ তুলনাত সামূহীয়া অথবা সামাজিক অধিকাৰক অধিক গুৰুত্ব প্রদান কৰা বিষয়টোক সমালোচনা কৰিছে। উদাৰতাবাদীসকলৰ মতে ব্যক্তি হৈছে সমাজৰ অতিকৈ গুৰুত্বপূর্ণ উপাদান। গতিকে ব্যক্তিসকল অধিকাৰ আৰু স্বাধীনতাৰ গৰাকী হ'বই লাগিব। ব্যক্তিৰ বিকাশৰ অবিহনে সমাজৰ বিকাশ সম্ভৱপৰ নহয়।

৩.৩.২ মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগী

মানৱ অধিকাৰৰ ধাৰণাটোৱে একাধিক শতিকা জুৰি নানা পৰিৱর্তনৰ মাজেৰে বর্তমানৰ ৰূপ ধাৰণ কৰিছে যদিও নাৰীৰ অধিকাৰৰ ধাৰণাটোৱে ১৯৯৩ চনৰ ভিয়েনা

সম্মিলনতহে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছিল। ১৯৯৩ চনত ভিয়েনাত অনুষ্ঠিত ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰৰ বিশ্ব সম্মিলন আৰু ১৯৯৫ চনত বেইজিঙত অনুষ্ঠিত নাৰী-বিষয়ক বিশ্ব সম্মিলনত মানৱ অধিকাৰৰ ধাৰণাটোৰ পুনৰ বিশ্লেষণ কৰি সম্পূর্ণ প্রণালীবদ্ধভাৱে বর্ণনা কৰা হৈছিল যে 'নাৰীৰ অধিকাৰসমূহ মানৱ অধিকাৰ' ('Women rights are Human Rights')। ভিয়েনা ঘোষণাপত্রৰ অনুচ্ছেদ ১৮ মতে "কন্যাশিশুৰ মানৱ অধিকাৰসমূহ হ'ল বিশ্বজনীন মানৱ অধিকাৰৰ অবিচ্ছেদ্য, অখণ্ড আৰু অবিভাজ্য অংশ। ৰাষ্ট্রীয়, আঞ্চলিক আৰু আন্তর্জাতিক পর্যায়ত ৰাজনৈতিক, পৌৰ, অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনত নাৰীৰ সম্পূর্ণ আৰু সমান অংশগ্রহণ নিশ্চিত তথা লিংগভিত্তিক সকলোধৰণৰ বৈষম্য নির্মূল কৰাই হ'ল আন্তর্জাতিক সম্প্রদায়ৰ প্রধান উদ্দেশ্য"। এই ঘোষণা হ'ল নাৰীবাদী আন্দোলনৰ জৰিয়তে বাৰম্বাৰ কৰি অহা প্রতিবাদৰ পৰিণাম। বিভিন্ন সময়ত চলা বিভিন্ন নাৰীবাদী আন্দোলনৰ জৰিয়তে ৰাজহুৱা সমাজ আৰু ব্যক্তিগত জীৱনৰ মাজত বিভাজন ৰাখি অহা মানৱ অধিকাৰ বিষয়ক আন্তর্জাতিক নীতিৰ কঠোৰ সমালোচনা কৰি অহা হৈছিল। নাৰীবাদী চিন্তাবিদসকলৰ মতে আন্তর্জাতিক মানৱ অধিকাৰ নীতিয়ে কেতিয়াও ব্যক্তিগত জীৱনৰ অধিকাৰক স্পর্শ কৰা নাছিল। সেয়েহে তেওঁলোকে সদায় মানৱ অধিকাৰৰ পৰম্পৰাগত ধাৰণাটোক সমালোচনা কৰি আহিছিল। অৱশ্যে নাৰীবাদীসকলে এই কথা মানি লয় যে পৰম্পৰাগত মানৱ অধিকাৰৰ ধাৰণাটোৱে নাৰীক ৰাজহুৱা হিংসা আৰু অপমানজনক পৰিস্থিতিৰ পৰা ৰক্ষা কৰে। কিন্তু নাৰীবাদীসকলৰ মতে মানৱ অধিকাৰে নাৰীৰ ব্যক্তিগত জীৱনকো সামৰি লোৱা উচিত। কাৰণ ঘৰুৱা পৰিৱেশতো নাৰীৰ অধিকাৰ অধিক খর্ব হয়। মানৱ অধিকাৰৰ পৰম্পৰাগত ধাৰণাত থকা এই আসোঁৱাহৰ বাবে নাৰীৰ ব্যক্তিগত জীৱনত পুৰুষৰ দমন আৰু শোষণ দীর্ঘদিন ধৰি এক স্পর্শকাতৰ সমস্যা হৈয়েই আছিল। ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ মাজৰ বিভাজন বৃদ্ধি পোৱা বাবে ব্যক্তিগত জীৱন মানৱ অধিকাৰৰ হস্তক্ষেপৰ পৰা আঁতৰি গৈছিল। নাৰীবাদীসকলে অনুভৱ কৰিছিল যে কোনো ৰাষ্ট্রই, লাগিলে সেয়া উদাৰবাদীয়েই হওক অথবা একনায়কত্ববাদীয়েই হওক, নাৰীৰ অধিকাৰৰ গুৰুত্ব প্রদানকাৰী কোনো প্রয়োজনীয় ভূমিকা পালন কৰি থকা নাই। 'ন্যূনবাদী ৰাষ্ট্র'ৰ (minimalist state) ধাৰণাটো গ্রহণ কৰি উদাৰবাদী ৰাষ্ট্রবোৰে নাগৰিকৰ ব্যক্তিগত জীৱনত কোনোধৰণৰ হস্তক্ষেপ কৰাৰ পৰা বিৰত আছিল। একেদৰে, একনায়কত্ববাদী ৰাষ্ট্রবোৰে 'সামূহিক নিয়ন্ত্রণবাদ'ৰ (collectivism) ধাৰণাটো গ্রহণ কৰি নাগৰিকৰ ব্যক্তিগত জীৱনৰ পৰা আঁতৰি আছিল।

এনেবোৰ কাৰণতে নাৰীবাদী চিন্তাবিদসকলে পুৰুষক প্রাধান্য দিয়া মানৱ অধিকাৰৰ ধাৰণাটো আঁতৰাব খুজিছিল। সেয়েহে তেওঁলোকে দুটা দিশত নিজৰ চিন্তা-চর্চা আৰু কার্য-কলাপ কেন্দ্রিত কৰিছিল। প্রথমে তেওঁলোকে নাৰীৰ অধিকাৰৰ প্রতি পুৰুষ সমাজৰ দৃষ্টি

আকর্ষণ কৰাৰ চেষ্টা কৰিছিল। দ্বিতীয়তে তেওঁলোকে কেৱল নাৰীকেন্দ্রিক অধিকাৰ কিছুমানৰ বিষয়ে সমাজক সজাগ কৰাৰ চেষ্টা কৰিছিল। মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগীয়ে এই কথাত জোৰ দিছিল যে মানৱ অধিকাৰ নীতিয়ে নাৰীকেন্দ্রিক সমস্যাবোৰকো স্বীকৃতি দিব লাগিব আৰু নাৰীৰ অধিকাৰ খর্বৰ বিষয়বোৰক মানৱ অধিকাৰ উলংঘন বুলি গণ্য কৰিব লাগিব। বর্তমান নাৰীবাদী আন্দোলনে বিশ্ববাসীক যথেষ্ট সজাগ কৰি তুলিবলৈ সক্ষম হৈছে। এতিয়া ৰাষ্ট্রসংঘৰ ভিতৰচ'ৰাত একাধিক ***নাৰীকেন্দ্রিক প্রভাৱ গোষ্ঠী*** (Women's lobbies) আছে। তেওঁলোকে নাৰীৰ অধিকাৰ ৰক্ষাৰ হকে মাত মাতি আহিছে। এনে দুটামান প্রভাৱ গোষ্ঠীৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- মানবতাৱাদী নাৰীকেন্দ্রিক প্রভাৱ গোষ্ঠীয়ে বিশ্বৰ বিভিন্ন প্রান্তত চলি থকা সশস্ত্র দ্বন্দৰ দ্বাৰা সৃষ্ট হিংসাৰ বলি হোৱা নাৰীৰ সমস্যাৰ হকে মাত মাতে।
- এছিয়ান আৰু আফ্রিকাৰ নাৰীকেন্দ্রিক প্রভাৱ গোষ্ঠীয়ে মহাদেশ দুখনত পৰম্পৰাগত কু-প্রথাৰ বলি নাৰীসমাজৰ হৈ তথা তেওঁলোকৰ স্বাস্থ্যজনিত সমস্যাবোৰৰ হৈ মাত মাতে।
- উত্তৰ আমেৰিকা, ইউৰোপীয় আৰু লেটিন আমেৰিকাৰ প্রভাৱ গোষ্ঠীয়ে ধর্মীয় গোড়ামিৰ দ্বাৰা সৃষ্ট নানা মানৱ অধিকাৰ ভংগৰ ঘটনা সম্পর্কে সজাগতাৰ সৃষ্টি কৰে।
- দক্ষিণ-পূব আৰু পূব এছিয়াৰ প্রভাৱ গোষ্ঠীয়ে নাৰীৰ অবৈধ সৰবৰাহ আৰু বলপূর্বক বেশ্যাবৃত্তিত নিয়োজন সমস্যাৰ হকে মাত মাতে।

মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগীয়ে মানৱ অধিকাৰৰ ৰাজহুৱা-ব্যক্তিগত বিভাজনৰ ধাৰণাটোক প্রত্যাহ্বান জনাইছে। এই দৃষ্টিভংগীয়ে সবলভাৱে সমাজক পতিয়ন নিয়াইছে যে সমাজৰ সকলো দিশতে পুৰুষ আৰু মহিলাৰ মাজত সমতা স্থাপন কৰাটো হ'ল মানৱ অধিকাৰৰ মৌলিক উপাদান। এই দৃষ্টিভংগীয়ে সমগ্র বিশ্বৰে নাৰীসমাজৰ অধিকাৰ সম্পর্কে থকা ধ্যান-ধাৰণাৰ যথেষ্ট পৰিৱর্তন সাধন কৰিছে।



নাৰীকেন্দ্রিক প্রভাৱ গোষ্ঠী ঃ নাৰীকেন্দ্রিক বিষয়-সমস্যা সম্পর্কে মাত মাতি অহা নাৰীবাদী দল-গোট-সংগঠনৰ আন্তর্জাতিক সম্মিলিত মঞ্চকে সহজ অর্থত নাৰীকেন্দ্রিক প্রভাৱ গোষ্ঠী (Women's lobbies) বোলা হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ মানৱ অধিকাৰৰ মাৰ্ক্সীয় দৃষ্টিভংগীয়ে ব্যক্তিগত অধিকাৰতকৈ ..... অধিকাৰৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰে। (খালী ঠাই পূৰ কৰক)

.....

প্রশ্ন ২ ঃ নাৰীৰ অধিকাৰ ৰক্ষাৰ হকে ৰাষ্ট্রসংঘৰ কার্য-প্রণালীৰ অভ্যন্তৰত সক্রিয় হৈ থকা যিকোনো দুটা প্রভাৱ গোষ্ঠীৰ নাম লিখক।

.....

প্রশ্ন ৩ ঃ মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগীৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

.....

৩.৩.৩ মানৱ অধিকাৰৰ তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী

তৃতীয় বিশ্ব বুলিলে এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ সেইবোৰ দেশক বুজোৱা হয় যিবোৰে পৰৱর্তী সময়ত ঔপনিবেশিক শাসনৰ পৰা মুক্ত হৈ স্বাধীন দেশৰ মর্যাদা লাভ কৰিছে। এই দেশবোৰ প্রধানতঃ উন্নয়নশীল অথবা অনুন্নত। তৃতীয় বিশ্বৰ দেশবোৰ সামাজিক-সাংস্কৃতিক বৈচিত্র্যৰে ভৰা। সেয়েহে এনেবোৰ দেশত মানৱ অধিকাৰৰ বিষয়টো পোনপটীয়া আৰু একেধৰণে বিচাৰ কৰি চোৱাটো সম্ভৱ নহয়। পাশ্চাত্যত বিকাশ ঘটা মানৱ অধিকাৰৰ ধাৰণা তৃতীয় বিশ্বত সহজে প্রযোজ্য নহয়। ইয়াৰ আঁৰৰ কাৰণবোৰক ঐতিহাসিক বিকাশ, আর্থ-সামাজিক তথা সাংস্কৃতিক পার্থক্য আদি বিভাগত ভগাব পাৰি। ইয়াৰ উপৰি তৃতীয় বিশ্বত মানৱ অধিকাৰৰ ধাৰণাটো ৰাষ্ট্র গঠনৰ জোৰদাৰ প্রয়াস, অর্থনৈতিক ব্যৱস্থাৰ পুনৰগঠন, আন্তঃদলীয় তথা অর্ন্তদলীয় দ্বন্দ আদিৰ দ্বাৰাও প্রভাৱিত হয়। তৃতীয় বিশ্বৰ চৰকাৰবোৰে অনগ্রসৰতা, দাৰিদ্রতা, নিৰক্ষৰতা আদিৰ দৰে সমস্যা দূৰ কৰাত ব্যস্ত হৈ থকাৰ ফলত নাগৰিকৰ অধিকাৰ আৰু স্বতন্ত্রতাৰ প্রতি ভালদৰে মনোযোগ দিয়াৰ অৱকাশ নাপায়। পাশ্চাত্যৰ উদাৰবাদী গণতান্ত্রিক ৰাষ্ট্রব্যৱস্থাৰ বিপৰীতে তৃতীয় বিশ্বত তিনিটা ভিন্ ভিন্ ৰাজনৈতিক ব্যৱস্থা গঢ় লৈ উঠিছে— স্বৈৰাছাৰী ৰাষ্ট্র, একদলীয় শাসন ব্যৱস্থা আৰু গণতান্ত্রিক ব্যৱস্থা। প্রথম ব্যৱস্থাটো সম্পূর্ণৰূপে স্বৈৰাছাৰী। ই নাগৰিকৰ অধিকাৰৰ পৃষ্ঠপোষকতা অথবা সুৰক্ষা প্রদানকাৰী কোনো ব্যৱস্থা হাতত নলয়। দ্বিতীয়বিধ ৰাষ্ট্রগোটত প্রগতিশীল চৰকাৰ থকা দেশবোৰ অর্ন্তভুক্ত। এই দেশবোৰে একদলীয় শাসন ব্যৱস্থাৰ দ্বাৰা অনতিপলমে আর্থ-সামাজিক বিকাশ সম্ভৱপৰ কৰি তোলাৰ প্রয়াস কৰে। এই শাসন ব্যৱস্থাতো নাগৰিকৰ অধিকাৰ খর্ব কৰা হয়। একদলীয় শাসন ব্যৱস্থাক সমাজৰ বিভিন্ন ক্ষেত্র আৰু স্তৰৰ পৰা প্রত্যাহ্বান জনোৱা হয় আৰু এনে উদ্বেগজনক পৰিস্থিতি নিয়ন্ত্রণাধীন কৰি ৰাখিবলৈ শাসক দলে কঠোৰ পন্থা অৱলম্বন কৰে। তৃতীয় বিশ্বৰ গণতান্ত্রিক চৰকাৰবোৰে নাগৰিকৰ মানৱ অধিকাৰ ৰক্ষা কৰাৰ চেষ্টা কৰে, মানৱ অধিকাৰৰ পৃষ্ঠপোষকতা কৰে। কিন্তু দেশবোৰত ব্যাপ্ত অনগ্রসৰতাৰ বাবে এনে চৰকাৰসমূহে বিচৰাধৰণে মানৱ অধিকাৰ ৰক্ষা কৰাত ব্যর্থ হয়। এনেবোৰ দেশত ৰাজনীতিৰ অপৰাধীকৰণ আৰু জবাবদিহিৰ অভাৱত প্রায়েই বিভিন্ন ক্ষেত্রত মানৱ অধিকাৰৰ উলংঘন হোৱা দেখা যায়।

মানৱ অধিকাৰৰ তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগীক পশ্চিমীয়া পণ্ডিতসকলে সমালোচনা কৰিছে। তেওঁলোকৰ মতে, মানৱ অধিকাৰৰ প্রধান আধাৰ হৈছে যে এইবোৰ অধিকাৰ সার্বজনীনভাৱে সকলোৰে ক্ষেত্রত প্রযোজ্য। গতিকে তৃতীয় বিশ্বৰ ৰাষ্ট্রসমূহেও এই অধিকাৰবোৰ সার্বজনীনভাৱে প্রয়োগ কৰা উচিত।

৩.৩.৪ মানৱ অধিকাৰৰ গান্ধীবাদী দৃষ্টিভংগী

মানৱ অধিকাৰ সন্দর্ভত মহাত্মা গান্ধীৰ যি ধাৰণা সেয়া তেওঁৰ সামগ্রিক জীৱন দর্শনৰে এক অংশ। মানৱ অধিকাৰ বিষয়ক সহজবোধ্য গান্ধীবাদী দৃষ্টিভংগীটোৱে তেওঁৰ চিন্তাধাৰাৰ দুটা দিশ প্রতিফলিত কৰে— তেওঁ আধুনিক সভ্যতাৰ সমালোচনা কৰিছিল আৰু প্রচলিত ৰাষ্ট্র ব্যৱস্থাৰ প্রযুক্তি তথা সম্পত্তিৰ ধাৰণাটোৰ বিকল্পৰ সন্ধান কৰিছিল। তেওঁ কেৱল বস্তুবাদৰ ভিত্তিত সৃষ্টি হোৱা দুখীয়াৰ শোষণৰ পথ মুকলি কৰা সংস্কৃতিৰ তীব্র সমালোচনা কৰিছিল। গান্ধীয়ে অহিংসা নীতিৰ জৰিয়তে ৰাজনীতি, সমাজ বিজ্ঞান, অর্থনীতিত আধ্যাত্মিক ভাৱধাৰা কঢ়িয়াই অনাৰ পোষকতা কৰিছিল। অর্থাৎ— ইয়াৰ দ্বাৰা তেওঁ অধিকাৰৰ সৈতে আধ্যাত্মিকতাক সংযোজিত কৰিছিল। গান্ধীৰ মানৱ অধিকাৰৰ ধাৰণাটো মানৱীয়তা আৰু অহিংসা নীতিৰ ওপৰত প্রতিষ্ঠিত। গান্ধীবাদী মানৱ অধিকাৰৰ ধাৰণাটো সেয়েহে উপনিবেশিকতাবাদ, সাম্প্রদায়িকতা আৰু অস্পৃশ্যতাৰ বিৰুদ্ধে গান্ধীয়ে কৰা বিৰোধিতাৰ সৈতে ওতঃপ্রোতভাৱে জড়িত। মহাত্মা গান্ধী আছিল এগৰাকী নৈতিক ব্যক্তিবাদী চিন্তাবিদ। এই কথা প্রতিফলিত কৰি তেওঁ মন্তব্য কৰিছিল, "ব্যক্তিগত স্বতন্ত্রতাক অস্বীকাৰ কৰি কোনো সমাজ গঢ়া সম্ভৱ নহয়"। তেওঁ ব্যক্তিৰ মর্যাদা আৰু বিবেকক বিশ্বাস কৰিছিল। তেওঁ মত প্রকাশ কৰিছিল যে জাতি, ধর্ম, ভাষা, লিংগ আদিৰ কোনো বৈষম্য নৰখাকৈ সকলো ব্যক্তিয়ে মৌলিক স্বাধীনতা আৰু অধিকাৰৰ সমতা উপভোগ কৰাৰ সুযোগ পোৱা উচিত। তেওঁ ইয়াকো কৈছিল যে ব্যক্তিগত স্বাধীনতা উপভোগ কৰাৰ সুযোগ পোৱা ব্যক্তিয়েহে স্বেচ্ছাই সমাজৰ কামত সম্পূর্ণৰূপে নিজক উছর্গা কৰিব পাৰে। ব্যক্তি স্বাধীনতা সুনিশ্চিত কৰিবলৈ গান্ধীয়ে পঞ্চায়তী ৰাজ ব্যৱস্থাৰ কথা উল্লেখ কৰিছিল যাৰ জৰিয়তে তৃণমূল পর্যায়ৰ নাগৰিকেও ৰাষ্ট্র পৰিচালনাত অংশগ্রহণ কৰিব পাৰে। গান্ধীৰ মতে ব্যক্তিৰ স্বনিয়ন্ত্রণ অক্ষুণ্ণ ৰখাত ক্ষমতাৰ বিকেন্দ্রীকৰণে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। ই আমোলাতন্ত্রৰ দমনো প্রতিহত কৰিব পাৰে। গান্ধীয়ে ভাবিছিল যে সুসামঞ্জস্য থকা নৈতিক উদ্দেশ্য আৰু কর্মৰ মাজতহে প্রকৃত স্বাধীনতা লুকাই থাকে। সেয়েহে নিজৰ আসক্তিবোৰৰ পৰা মুক্ত কোনো ব্যক্তিয়েই অন্য ব্যক্তিৰ ওপৰত চলা সামাজিক তথা আর্থিক শোষণ সহ্য নকৰে। গান্ধীয়ে সকলোৰে বাবে শিক্ষাৰ ধাৰণাটোত গুৰুত্ব দিছিল। গান্ধীৰ মতে শিক্ষাই হ'ল একমাত্র পথ যিটো পথে ব্যক্তিক আত্মনির্ভৰশীল কৰি তুলিব পাৰে। গান্ধীবাদী মানৱ অধিকাৰৰ আন এক উল্লেখযোগ্য দিশ হ'ল

সংখ্যালঘূসকলৰ অধিকাৰক লৈ কৰা চিন্তা। তেওঁ দৃঢ়ভাৱে কৈছিল যে মানৱ অধিকাৰে কোনো বৈষম্য নৰখাকৈ সমাজৰ সকলোৰে কল্যাণ সাধনৰ পৃষ্ঠপোষকতা কৰিব লাগিব। তেওঁ মানৱ অধিকাৰ উলংঘনৰ বিষয়টো সামাজিক অভিশাপ বুলি গণ্য কৰিছিল। মানৱ অধিকাৰ উলংঘনকাৰীক অহিংস পদ্ধতিৰে বুজোৱাৰ ওপৰতো গান্ধীয়ে জোৰ দিছিল। তেওঁ ধৰ্মঘট, প্রতিবাদী সমদল, কৰ আদায় নিদিয়া, ধৰ্ণা, বয়কট, অসহযোগ, অনশন আৰু আইন-অমান্য আদিক অহিংস পদ্ধতি হিচাপে চিহ্নিত কৰিছিল।

মানৱ অধিকাৰ উলংঘনকাৰীক অহিংস পদ্ধতিৰে মোকাবিলা কৰাৰ গান্ধীৰ ধাৰণাক মার্ক্সবাদী পণ্ডিতসকলৰ কিছুমানে সমালোচনা কৰিছে। তেওঁলোকৰ মতে মানৱ অধিকাৰ উলংঘনকাৰীসকলৰ সৈতে মোকাবিলা কৰিবৰ বাবে পৰিস্থিতি সাপেক্ষে হিংসাত্মক পদ্ধতিও অৱলম্বন কৰিব লাগিব।

চিন্তা-চর্চা কৰক ৩.১

ভাৰতত মানৱ অধিকাৰ ভংগৰ কাৰণসমূহ বিচাৰি উলিয়াবলৈ যত্ন কৰক।

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ তৃতীয় বিশ্বত গা কৰি উঠা ৰাজনৈতিক ব্যৱস্থা তিনিটা কি কি?

.....

.....

প্রশ্ন ৫ ঃ মানৱ অধিকাৰৰ গান্ধীবাদী দৃষ্টিভংগী মানৱীয়তা আৰু অহিংসা নীতিৰ ওপৰত প্রতিষ্ঠিত। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৬ ঃ তৃতীয় বিশ্বৰ ৰাষ্ট্রসমূহে সমুখীন হোৱা সমস্যাসমূহৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....

প্রশ্ন ৭ ঃ ক্ষমতাৰ বিকেন্দ্রীকৰণ সম্পর্কে গান্ধীজীৰ মতামত লিখক।

.....

.....

.....



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ অধিকাৰৰ ধাৰণাটোক কেন্দ্র কৰি বহুতো মতবাদ গঢ় লৈ উঠিছে। বিভিন্ন দৃষ্টিভংগীৰে বিষয়টো অধ্যয়ন কৰা হয়। এনে কেইটামান মতবাদ আৰু দৃষ্টিভংগী হ'ল— মাৰ্ক্সীয় দৃষ্টিভংগী, নাৰীবাদী দৃষ্টিভংগী, তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী, গান্ধীবাদী দৃষ্টিভংগী ইত্যাদি।
- মানৱ অধিকাৰ সম্পর্কে থকা মাৰ্ক্সীয় দৃষ্টিভংগীৰ মৌলিক উৎস হ'ল কার্ল মার্ক্সৰ লেখনিসমূহ। তাৰ পিছত বিষয়টোলৈ অৱদান আগবঢ়াইছে এনজেলচ্, লেনিনকে ধৰি মাৰ্ক্সীয় দর্শনৰ পৃষ্ঠপোষকতা কৰা অন্য পণ্ডিতসকলে। তেওঁলোক উদাৰপন্থী চিন্তাবিদসকলৰ দ্বাৰা সৃষ্ট ব্যক্তিগত অধিকাৰৰ ধাৰণাটোৰ তীব্র সমালোচনা কৰিছিল। মাৰ্ক্সীয় দৃষ্টিভংগীয়ে ব্যক্তিগত অধিকাৰক সাধাৰণ জনগণৰ স্বার্থৰ পৰিপন্থী বুর্জোৱা শোষণৰ আহিলা বুলি গণ্য কৰে।
- মাৰ্ক্সীয় দর্শনৰ অনুসৰণকাৰীসকলে ৰাষ্ট্রৰ বিনাশ আৰু সাম্যবাদৰ প্রতিষ্ঠাত জোৰ দিয়ে। মার্ক্সবাদ মতে সমতাপূর্ণ সমাজ এখনতহে ব্যক্তিৰ সম্ভাৱনা আৰু প্রতিভাৰ সর্বোচ্চ বিকাশ সম্ভৱপৰ। এই দিশৰ পৰা চাবলৈ গ'লে মার্ক্সবাদে সাম্প্রদায়িক অথবা সামাজিক অধিকাৰক ব্যক্তিগত অধিকাৰতকৈ অধিক গুৰুত্ব প্রদান কৰে।
- নব্য-মার্ক্সবাদী ভাৱধাৰা মতে মানৱ অধিকাৰে সমাজৰ বঞ্চিত শ্রেণীৰ লোকসকলৰ বাবে জীৱিকা অর্জনৰ উন্নত পন্থা বিচাৰি উলিওৱাত সহায় কৰিব পাৰে। সহজ অর্থত ক'বলৈ হ'লে মাৰ্ক্সীয় দৃষ্টিভংগীয়ে শ্রেণী, জাতি আদি বিভাজন বৈষম্য অবিহনে সকলো লোকৰ আর্থ-সামাজিক স্বাধীনতা তথা সমতাকে মানৱ অধিকাৰ বুলি গণ্য কৰে।
- মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগীয়ে সমাজৰ সকলো ক্ষেত্রত পুৰুষ আৰু নাৰীৰ মাজত সমতা স্থাপনত জোৰ দিয়ে । মহিলাৰ অধিকাৰৰ ওপৰত গুৰুত্ব প্রদান কৰা দুখন গুৰুত্বপূর্ণ সম্মিলন হ'ল— ১৯৯৩ চনত ভিয়েনাত অনুষ্ঠিত ৰাষ্ট্রসংঘৰ মানৱ অধিকাৰৰ বিশ্ব সম্মিলন আৰু ১৯৯৫ ত বেইজিঙত অনুষ্ঠিত নাৰী বিষয়ক বিশ্ব সম্মিলন। বেইজিং বিশ্ব সম্মিলনে ঘোষণা কৰিছিল যে "নাৰীৰ অধিকাৰসমূহ মানৱ অধিকাৰ"। নাৰীবাদী দৃষ্টিভংগীয়ে দৃঢ়ভাৱে মতপোষণ কৰে যে নাৰীৰ অধিকাৰো মানৱ অধিকাৰৰ অংশ। নাৰীৰ ওপৰত চলা লিংগভিত্তিক হিংসাক নাৰী অধিকাৰ উলংঘনৰ বিষয় হিচাপে বিবেচনা কৰিব লাগে বুলি এই দৃষ্টিভংগীয়ে মতপোষণ কৰে।
- নাৰীবাদী চিন্তাবিদসকলে পুৰুষক প্রাধান্য দিয়া মানৱ অধিকাৰৰ ধাৰণাটো আঁতৰাব খুজিছিল। সেয়েহে তেওঁলোকে দুটা দিশত নিজৰ চিন্তা-চর্চা আৰু কার্য-কলাপ কেন্দ্রিত কৰিছিল। প্রথমে তেওঁলোকে নাৰী অধিকাৰৰ প্রতি পুৰুষ সমাজৰ দৃষ্টি আকর্ষণ কৰাৰ চেষ্টা কৰিছিল। দ্বিতীয়তে তেওঁলোকে কেৱল নাৰীকেন্দ্রিক অধিকাৰ কিছুমানৰ বিষয়ে সমাজক সজাগ কৰাৰ চেষ্টা কৰিছিল।

- ৰাষ্ট্রসংঘৰ কার্য-প্রণালীৰ অভ্যন্তৰত একাধিক নাৰী অধিকাৰকেন্দ্রিক প্রভাৱ গোষ্ঠী সক্রিয় হৈ আছে। ইয়াৰে দুটামান হ'ল— মানৱতাবাদী নাৰীকেন্দ্রিক গোষ্ঠী, এছিয়া আৰু আফ্রিকাৰ নাৰীকেন্দ্রিক প্রভাৱ গোষ্ঠী, উত্তৰ আমেৰিকা-ইউৰোপীয়-লেটিন আমেৰিকাৰ প্রভাৱ গোষ্ঠী, দক্ষিণ-পূব আৰু পূব এছিয়াৰ প্রভাৱ গোষ্ঠী আদি।
- মানৱ অধিকাৰৰ তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগীয়ে মতপোষণ কৰে পাশ্চাত্যত বিকাশ ঘটা মানৱ অধিকাৰৰ ধাৰণা তৃতীয় বিশ্বত প্রযোজ্য নহয়। তৃতীয় বিশ্বৰ দেশবোৰ অর্থনৈতিক স্থবিৰতা, নিৰক্ষৰতা, দাৰিদ্রতা, নৃগোষ্ঠীয় দ্বন্দ আদি বিভিন্ন সমস্যাৰে ভাৰাক্রান্ত। ইয়াৰ ফলত এই দেশবোৰত ব্যাপক হাৰত মানৱ অধিকাৰ উলংঘন হয়। এনে দেশৰ চৰকাৰ নাগৰিকৰ মানৱ অধিকাৰ ৰক্ষা কৰাত ব্যর্থ হৈছে।
- তৃতীয় বিশ্বৰ ৰাষ্ট্রসমূহ বিভিন্ন সমস্যাৰ সমুখীন হৈ আছে, যেনে- অর্থনৈতিক অনগ্রসৰতা, নিৰক্ষৰতা, দৰিদ্রতা, নৃগোষ্ঠীয় সংঘাত ইত্যাদি । পাশ্চাত্যৰ উদাৰবাদী গণতান্ত্রিক ৰাষ্ট্রব্যৱস্থাৰ বিপৰীতে তৃতীয় বিশ্বত তিনিটা ভিন্ ভিন্ ৰাজনৈতিক ব্যৱস্থা গঢ় লৈ উঠিছে— স্বৈৰাছাৰী ৰাষ্ট্র, একদলীয় শাসন ব্যৱস্থা আৰু গণতান্ত্রিক ব্যৱস্থা। প্রথম ব্যৱস্থাটো সম্পূর্ণৰূপে স্বৈৰাছাৰী। ই নাগৰিকৰ অধিকাৰ পৃষ্ঠপোষকতা অথবা সুৰক্ষা প্রদানকাৰী কোনো ব্যৱস্থা হাতত নলয়। এনেবোৰ দেশত ৰাজনীতিৰ অপৰাধীকৰণ আৰু জবাবদিহিৰ অভাৱত প্রায়েই বিভিন্ন ক্ষেত্রত মানৱ অধিকাৰৰ উলংঘন হোৱা দেখা যায়।
- মানৱ অধিকাৰৰ গান্ধীবাদী দৃষ্টিভংগী মহাত্মা গান্ধীৰ মানৱীয়তা আৰু অহিংসা নীতিৰ ওপৰত আধাৰিত। তেওঁ ব্যক্তিৰ মর্যাদা আৰু বিবেকক বিশ্বাস কৰিছিল। গান্ধীৰ মতে কোনো বৈষম্য নৰখাকৈ সমাজৰ প্রতিগৰাকী ব্যক্তিকে মৌলিক স্বাধীনতা আৰু সম অধিকাৰ উপভোগ কৰাৰ সুযোগ দিব লাগে।
- গান্ধীৰ মতে ব্যক্তিৰ স্বনিয়ন্ত্রণ অক্ষুণ্ণ ৰখাত ক্ষমতাৰ বিকেন্দ্রীকৰণে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। ই আমোলাতন্ত্রৰ দমনো প্রতিহত কৰিব পাৰে। গান্ধীয়ে শিক্ষাৰ অধিকাৰ, সংখ্যালঘূসকলৰ অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। গান্ধীয়ে মানৱ অধিকাৰৰ উলংঘনক এক সামাজিক অভিশাপ বুলি গণ্য কৰিছিল। তেওঁ মানৱ অধিকাৰ উলংঘাকাৰীক অহিংসা নীতিৰে বুজোৱাৰ পক্ষপাতী আছিল।



৩.৫ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.

2) Stephen, R.M. (2002). *Human Rights : Concepts and Perspectives*. New Delhi : Concept Publishing Company.

3) Syed, M.H. (2003). *Human Rights : The New Era*. New Delhi : Kilaso Books.

4) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi : Akansha Publishing House.

অসমীয়া গ্রন্থ ঃ

১) বৈশ্য ধনেশ্বৰ ২০০৫ ঃ *মানৱ অধিকাৰ*। গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল প্রকাশক।

৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক।

২ নং প্রশ্নৰ উত্তৰ ঃ এছিয়া আৰু আফ্রিকাৰ নাৰীকেন্দ্রিক প্রভাৱ গোষ্ঠী, উত্তৰ আমেৰিকা-ইউৰোপীয় আৰু লেটিন আমেৰিকাৰ নাৰীকেন্দ্রিক প্রভাৱ গোষ্ঠী।

৩ নং প্রশ্নৰ উত্তৰ ঃ মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগীয়ে মানৱ অধিকাৰৰ ৰাজহুৱা-ব্যক্তিগত বিভাজনৰ ধাৰণাটোক প্রত্যাহ্বান জনাইছে। এই দৃষ্টিভংগীয়ে সবলভাৱে সমাজক পতিয়ন নিয়াইছে যে সমাজৰ সকলো দিশতে পুৰুষ আৰু মহিলাৰ মাজত সমতা স্থাপন কৰাটো হ'ল মানৱ অধিকাৰৰ মৌলিক উপাদান। এই দৃষ্টিভংগীয়ে সমগ্র বিশ্বৰে নাৰীসমাজৰ অধিকাৰ সম্পর্কে থকা ধ্যান-ধাৰণাৰ যথেষ্ট পৰিৱর্তন সাধন কৰিছে। মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগীয়ে এই মত পোষণ কৰে যে ৰাষ্ট্রীয়, আঞ্চলিক আৰু আন্তর্জাতিক পর্যায়ত ৰাজনৈতিক, পৌৰ, অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনত নাৰীৰ সম্পূর্ণ আৰু সমান অংশগ্রহণ নিশ্চিত তথা লিংগভিত্তিক সকলোধৰণৰ বৈষম্য নির্মূল কৰাই হ'ল আন্তর্জাতিক সম্প্রদায়ৰ প্রধান উদ্দেশ্য।

৪ নং প্রশ্নৰ উত্তৰ ঃ স্বৈৰাছাৰী ৰাষ্ট্র, একদলীয় শাসন ব্যৱস্থা আৰু গণতান্ত্রিক ব্যৱস্থা।

৫ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰ ঃ বর্তমান সময়ত তৃতীয় বিশ্বৰ ৰাষ্ট্রসমূহ বিভিন্ন সমস্যাৰ সমুখীন হৈ আছে, যেনে- আন্তঃদলীয় আৰু অর্ন্তদলীয় সংঘাত, অনগ্রসৰতা, দৰিদ্রতা, নিৰক্ষৰতা ইত্যাদি।

৭ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তি স্বাধীনতা সুনিশ্চিত কৰিবলৈ গান্ধীয়ে পঞ্চায়তী ৰাজ ব্যৱস্থাৰ কথা উল্লেখ কৰিছিল যাৰ জৰিয়তে তৃণমূল পর্যায়ৰ নাগৰিকেও ৰাষ্ট্র পৰিচালনাত

অংশগ্রহণ কৰিব পাৰে। গান্ধীৰ মতে ব্যক্তিৰ স্বনিয়ন্ত্রণ অক্ষুণ্ণ ৰখাত ক্ষমতাৰ বিকেন্দ্রীকৰণে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব পাৰে। ই আমোলাতন্ত্রৰ দমনো প্রতিহত কৰিব পাৰে।



৩.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ কোনখন বিশ্ব সম্মিলনে ঘোষণা কৰিছিল যে 'নাৰীৰ অধিকাৰসমূহ মানৱ অধিকাৰ'?

প্রশ্ন ২ ঃ মানৱ অধিকাৰৰ নব্য-মাৰ্ক্সীয় দৃষ্টিভংগীটো কি?

প্রশ্ন ৩ ঃ তৃতীয় বিশ্ব বুলিলে কি বুজা যায় ?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ মানৱ অধিকাৰৰ গান্ধীবাদী দৃষ্টিভংগী ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ তৃতীয় বিশ্বত গা কৰি উঠা ৰাজনৈতিক ব্যৱস্থা তিনিটাৰ বিষয়ে লিখক।

প্রশ্ন ৩ ঃ নাৰীৰ অধিকাৰ ৰক্ষাৰ হকে ৰাষ্ট্রসংঘৰ কার্য-প্রণালীৰ অভ্যন্তৰত সক্রিয় হৈ থকা প্রভাৱ গোষ্ঠীৰ বিষয়ে লিখক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ মানৱ অধিকাৰৰ নাৰীবাদী দৃষ্টিভংগীৰ বিষয়ে এটা সমালোচনাত্মক টোকা লিখক।

প্রশ্ন ২ ঃ মানৱ অধিকাৰৰ মাৰ্ক্সীয় দৃষ্টিভংগীটো আলোচনা কৰক।

প্রশ্ন ৩ ঃ মানৱ অধিকাৰৰ তৃতীয় বিশ্বকেন্দ্রিক দৃষ্টিভংগী ব্যাখ্যা কৰক।

****

অধ্যায় ৪ ঃ ৰাষ্ট্ৰসংঘ আৰু মানৱ অধিকাৰ— মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ ৰাষ্ট্ৰসংঘ আৰু মানৱ অধিকাৰ

৪.৪ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ (Universal Declaration of Human Rights)

৪.৪.১ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ ঐতিহাসিক বিকাশ

৪.৪.২ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ মূল বিষয়সূচী

৪.৪.৩ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ তাৎপর্য্য

৪.৪.৪ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ বিপক্ষে থকা সমালোচনা

৪.৫ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ আৰু ভাৰতীয় সংবিধান

৪.৬ মানৱ অধিকাৰ কেন্দ্ৰিক অন্য গুৰুত্বপূৰ্ণ আন্তৰ্জাতিক ঘোষণাপত্ৰ আৰু চুক্তি

৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.৮ অধিক জানিবলৈ

৪.৯ অগ্ৰগতিৰ খতিয়ান

৪.১০ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আন্তৰ্জাতিক ক্ষেত্ৰত মানৱ অধিকাৰৰ ধাৰণাটোৰ উত্থান আৰু বিকাশ সম্পৰ্কে আলোচনা কৰিব পাৰিব
- মানৱ অধিকাৰৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰসংঘৰ চনদত সন্নিৱিষ্ট বিভিন্ন ব্যৱস্থাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত (Universal Declaration of Human Rights/UDHR) অন্তৰ্নিহিত হৈ থকা ধাৰণাবোৰ বহলাই আলোচনা কৰিব পাৰিব
- মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ আসোৱাহ পৰীক্ষা কৰি চাব পাৰিব
- ভাৰতীয় সংবিধানে প্ৰদান কৰা অধিকাৰসমূহক মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত উল্লেখ কৰা অধিকাৰসমূহৰ সৈতে তুলনা কৰি চাব পাৰিব।

৪.২ পৰিচয়

সমগ্ৰ বিশ্বতে বৃদ্ধি পোৱা মানৱ অধিকাৰ উলংঘনৰ সমস্যাটো (বিশেষকৈ বিংশ শতিকাৰ দ্বিতীয়ার্দ্ধত) সম্পর্কে আলোচনা কৰি আন্তর্জাতিক সম্প্রদায়ে বুজি উঠিছিল যে মানৱ অধিকাৰৰ ৰক্ষা আৰু পৃষ্ঠপোষকতাৰ বাবে সন্মিলিত প্রচেষ্টা চলাব লাগিব। ইয়াৰ ফলশ্রুতিতে বিশ্বৰ দেশসমূহৰ প্রতিনিধি সংস্থা ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰৰ সুৰক্ষাৰ বাবে বহুতো ঘোষণাপত্ৰ গ্রহণ কৰিছিল। বিষয়টোৰ সৈতে সম্পর্ক থকা আন বহুতো চুক্তিও পৰৱর্তীকালত ৰাষ্ট্ৰসংঘই গৃহীত কৰিছিল। এই অধ্যায়ত আমি সমগ্ৰ বিশ্বৰে জনগণৰ মানৱ অধিকাৰৰ ৰক্ষা আৰু পৃষ্ঠপোষকতাৰ বাবে ৰাষ্ট্ৰসংঘই লোৱা ভূমিকা পৰীক্ষা কৰি চোৱাৰ প্রয়াস কৰিম।

৪.৩ ৰাষ্ট্ৰসংঘ আৰু মানৱ অধিকাৰ

ৰাষ্ট্ৰসংঘই গ্রহণ কৰা বিভিন্ন সিদ্ধান্ত আৰু কার্যপন্থাৰ ফলস্বৰূপেই মানৱ অধিকাৰৰ ধাৰণাটোৱে এক সার্বজনীন ৰূপ আৰু বিধিসন্মত স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। বিভিন্ন ঘোষণাপত্ৰ (Declarations), চুক্তি (Covenants) আৰু সন্মিলনৰ (Conferences) জৰিয়তে ৰাষ্ট্ৰসংঘই ব্যক্তিৰ অধিকাৰক সুৰক্ষা প্রদান কৰিবলৈ থকা ইয়াৰ অভিলাষী আগ্রহৰ কথাকে প্রতিফলিত কৰিছে। ৰাষ্ট্ৰসংঘৰ চনদৰ প্রস্তাৱনাত কোৱা হৈছে, "... আমি, ৰাষ্ট্ৰসংঘৰ জনগণে মৌলিক মানৱ অধিকাৰ, ব্যক্তিৰ মর্যাদা আৰু মূল্য, পুৰুষ আৰু মহিলাৰ সম-অধিকাৰ আৰু সৰু-বৰ সকলো ৰাষ্ট্ৰৰ ওপৰত আমাৰ আস্থা পুনৰ প্রতিষ্ঠা কৰিবলৈ দৃঢ়সংকল্পৱদ্ধ হ'লো..."। প্রস্তাৱনাৰ উপৰি চনদৰ আন বহুতো অংশত মানৱ অধিকাৰৰ পৃষ্ঠপোষকতা কৰা নানা নীতি-নিয়ম সন্নিৱিষ্ট কৰা হৈছে। অনুচ্ছেদ ১ত কোৱা হৈছে যে ৰাষ্ট্ৰসংঘৰ এটা উদ্দেশ্য হ'ল জাতি, লিংগ, ভাষা আৰু ধর্ম নির্বিশেষে সকলোৰে মানৱ অধিকাৰ তথা মৌলিক স্বাধীনতাৰ প্রতি সন্মান প্রদর্শনৰ পৃষ্ঠপোষকতা আৰু অনুপ্রাণিত কৰাত আন্তর্জাতিক সহযোগিতা আদায় কৰা। অনুচ্ছেদ ১৩-ই সাধাৰণ সভা আৰু অনুচ্ছেদ ৬২-এ অর্থনৈতিক আৰু সামাজিক পৰিষদক কোনো বৈষম্য নৰখাকৈ সকলোৰে মানৱ অধিকাৰ ৰক্ষা তথা পৃষ্ঠপোষকতাৰ বাবে প্রয়োজনীয় অধ্যয়ন চলাবলৈ আৰু দিহা-পৰামর্শ আগবঢ়াবলৈ কর্তৃত্ব প্রদান কৰিছে। অনুচ্ছেদ ৫৫-ত কোৱা হৈছে যে ৰাষ্ট্ৰসংঘই আন্তর্জাতিক পর্যায়ত অর্থনৈতিক-সামাজিক-সাংস্কৃতিক বিকাশৰ পৃষ্ঠপোষকতা কৰিব, অর্থনৈতিক-সামাজিক-স্বাস্থ্যবিষয়ক সমস্যাৰ সমাধান উলিওৱাৰ প্রয়াস কৰিব আৰু সাংস্কৃতিক-শৈক্ষিক সহযোগিতা বৃদ্ধিৰ পৃষ্ঠপোষকতা কৰিব। এই অনুচ্ছেদটোতে কোৱা হৈছে যে ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্রতি বিশ্বজনীন সন্মান আদায় কৰিব আৰু এই অধিকাৰ আৰু স্বাধীনতাৰ সংৰক্ষণৰ মনোভাৱৰ পৃষ্ঠপোষকতা কৰিব। অনুচ্ছেদ ৫৬-ৰ জৰিয়তে ৰাষ্ট্ৰসংঘৰ সদস্য সকলো ৰাষ্ট্ৰকে ৰাষ্ট্ৰসংঘৰ সৈতে যুটীয়াভাৱে নাইবা গাইগুটীয়াভাৱে কার্যপন্থা গ্রহণ কৰি চনদৰ ৫৫ নম্বৰ অনুচ্ছেদটোত উল্লেখ কৰা উদ্দেশ্যসমূহ বাস্তৱত ৰূপায়িত কৰাত ৰাষ্ট্ৰসংঘক সহযোগিতা কৰিবলৈ গোহাৰি জনোৱা

হৈছে। চনদৰ ৬৮ নং অনুচ্ছেদ অনুসৰি অৰ্থনৈতিক আৰু সামাজিক পৰিষদক মানৱ অধিকাৰৰ ৰক্ষা আৰু পৃষ্ঠপোষকতাৰ বাবে অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্ৰত বিভিন্ন আয়োগ গঠনৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। অনুচ্ছেদ ৭৬-ত কোৱা হৈছে যে ন্যাসৰক্ষী ব্যৱস্থাৰ এটা মৌলিক উদ্দেশ্য হ'ল কোনো বৈষম্য নৰখাকৈ সকলোৰে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাক সন্মান জনোৱা পৰম্পৰাক অনুপ্ৰাণিত কৰা। ৰাষ্ট্ৰসংঘৰ চনদত সন্নিৱিষ্ট এনেবোৰ ব্যৱস্থাই সকলোৰে অধিকাৰ আৰু স্বাধীনতা ৰক্ষাৰ্থে সংস্থাটোৰ দৃঢ়প্ৰতিজ্ঞ মনোভাৱ আৰু দায়ৱদ্ধতাৰ কথা সূচায়।

মানৱ অধিকাৰৰ শ্ৰেষ্ঠতৰ সুৰক্ষা আৰু পৃষ্ঠপোষকতা সুনিশ্চিত কৰিবলৈ ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক আৰু সামাজিক পৰিষদে মানৱ অধিকাৰ আয়োগ (UN Commission on Human Rights) গঠন কৰিছিল। ১৯৪৬ চনত সাধাৰণ সভাই এই আয়োগ গঠনত অনুমোদন প্ৰদান কৰিছিল। এই আয়োগখনেই মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ (UDHR) খচৰা প্ৰস্তুত কৰিছিল। ১৯৪৮ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই এই খচৰাখন গৃহীত কৰিছিল। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ ৰূপৰেখা অনুসৰি ১৯৬৬ চনত দুখন গুৰুত্বপূৰ্ণ চুক্তি তৈয়াৰ কৰা হৈছিল। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত অন্তৰ্ভুক্ত মানৱ অধিকাৰবোৰ নিশ্চিত কৰিবলৈকে এই চুক্তি দুখন প্ৰস্তুত কৰা হৈছিল। ইয়াৰে এখন হ'ল পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি আৰু আনখন হ'ল অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি। এই চুক্তি দুখন ১৯৬৬ চনত গৃহীত হৈছিল। এইবোৰৰ উপৰি ৰাষ্ট্ৰসংঘই সমাজৰ কিছুমান দুৰ্বল গোটৰ অধিকাৰক সুৰক্ষা দিবলৈ কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। মহিলা, শিশু, সংখ্যালঘু, প্ৰব্ৰজনকাৰী, শৰণাৰ্থী, নিজৰ দেশতে স্থানান্তৰিত হোৱা লোক আদিয়ে ৰাষ্ট্ৰসংঘৰ এনে ব্যৱস্থাবোৰৰ দ্বাৰা উপকৃত হৈছে। ১৯৯৩ চনত সাধাৰণ সভাই মানৱ অধিকাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ উচ্চায়োগ (United Nations High Commissioner for Human Rights /UNHCHR) গঠন কৰিছিল। এই উচ্চায়োগৰ কাম হ'ল— মানৱ অধিকাৰৰ সুৰক্ষা আৰু পৃষ্ঠপোষকতাৰ লগতে পৃথিৱীৰ সকলো বাসিন্দাই যাতে সকলোবোৰ পৌৰ, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু সামাজিক অধিকাৰ ফলপ্ৰসূভাৱে উপভোগ কৰিব পাৰে তালৈ লক্ষ্য ৰখা। ১৯৯৭ চনত UNHCHR-ক ৰাষ্ট্ৰসংঘৰ আন এটা বিভাগ মানৱ অধিকাৰ কেন্দ্ৰৰ (Centre for Human Rights) সৈতে চামিল কৰা হ'ল। এতিয়া দুয়োটা বিভাগকে একেলগে ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ উচ্চাযুক্ত কাৰ্যালয় (Office of the United Nations High Commissioner for Human Rights) বুলি জনা যায়।

ৰাষ্ট্ৰসংঘ ব্যৱস্থাত ছখন কমিটিয়ে মানৱ অধিকাৰ বিষয়ত ৰাষ্ট্ৰসংঘই লোৱা ব্যৱস্থাবোৰ সদস্য ৰাষ্ট্ৰবোৰে কৰ্মক্ষেত্ৰত প্ৰয়োগ কৰিছেনে নাই তালৈ লক্ষ্য ৰাখে। কমিটীকেইখন হ'ল—

- জাতিগত বৈষম্য নিৰ্মূলকৰণৰ কমিটি
- মানৱ অধিকাৰ কমিটি

- অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ কমিটি
- নিৰ্যাতন বিৰোধী কমিটি
- মহিলাৰ প্ৰতি থকা বৈষম্যমূলক আচৰণ নিৰ্মূলকৰণৰ কমিটি আৰু
- শিশু অধিকাৰৰ কমিটি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখ থকা মানৱ অধিকাৰৰ সুৰক্ষা আৰু পৃষ্ঠপোষকতা বিষয়ক যিকোনো দুটা নীতি উল্লেখ কৰক।

.....

প্ৰশ্ন ২ ঃ কোন চনত মানৱ অধিকাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ উচ্চায়োগ (UNHCHR) গঠন কৰা হৈছিল?

.....

প্ৰশ্ন ৩ ঃ মানৱ অধিকাৰবোৰৰ কাৰ্যৰূপায়ণ নিৰীক্ষণ কৰিবলৈ ৰাষ্ট্ৰসংঘ ব্যৱস্থাত থকা যিকোনো তিনিখন কমিটিৰ নাম লিখক।

.....

৪.৪ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ (Universal Declaration of Human Rights)

ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৪৮ চনত মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰখন গ্ৰহণ কৰিছিল। ইয়াক "সকলো ব্যক্তি আৰু ৰাষ্ট্ৰই মানি চলিবলগীয়া উমৈহতীয়া স্বীকৃত বিধি" বুলি কোৱা হয়। জাতি, সংস্কৃতি, ধৰ্ম, জন্মস্থান আদি ভিন্নতা নিৰ্বিশেষে সমগ্ৰ বিশ্বকে মানুহৰ মৌলিক অধিকাৰ সম্পৰ্কে ই নতুন চিন্তাৰ খোৰাক যোগাইছিল। সমগ্ৰ বিশ্বৰে সকলো ব্যক্তিৰ অধিকাৰ আৰু স্বাধীনতাৰ সুৰক্ষাৰ বিষয়টো সামৰি ল'বলৈ এই ঘোষণাপত্ৰই আছিল আন্তৰ্জাতিক পৰ্যায়ৰ প্ৰথম সমূহীয়া প্ৰচেষ্টা।

৪.৪.১ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ ঐতিহাসিক বিকাশ

ৰাষ্ট্ৰসংঘৰ বিকাশৰ লগে লগেই মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰো বিকাশ ঘটিছিল বুলি ধৰি ল'ব পাৰি। ১৯৪৫ চনত ৰাষ্ট্ৰসংঘৰ চনদ বলবৎ হোৱাৰ পিছত ৰাষ্ট্ৰসংঘই ব্যক্তিৰ অধিকাৰ আৰু স্বাধীনতাকে ধৰি গ্ৰহণ কৰা আন নীতিসমূহৰ কাৰ্যৰূপায়ণত ব্যস্ত হৈ পৰিছিল। আন্তৰ্জাতিক অধিকাৰ বিধেয়কৰ (International Bill of Rights) খচৰা প্ৰস্তুত কৰাৰ দায়িত্ব ৰাষ্ট্ৰসংঘৰ এটা মুখ্য বিভাগ অৰ্থনৈতিক

আৰু সামাজিক পৰিষদক চনদৰ জৰিয়তে প্ৰদান কৰা হৈছিল। কালক্ৰমত ১৯৪৬ চনত মানৱ অধিকাৰ আয়োগ গঠিত হৈছিল। ই অৰ্থনৈতিক আৰু সামাজিক পৰিষদৰ সহায়ক বিভাগ হিচাপে কাম কৰিছিল। আয়োগক মানৱ অধিকাৰৰ আন্তৰ্জাতিক বিধেয়ক, পৌৰ স্বাধীনতা বিষয়ক আন্তৰ্জাতিক সন্মিলন, মহিলাৰ স্থিতি, সংখ্যালঘুৰ সুৰক্ষা আদি বিষয়ত প্ৰস্তাৱ উত্থাপন, পৰামৰ্শ দান আৰু প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়া হৈছিল। এনেকৈয়ে ১৯৪৭ চনৰ জানুৱাৰীত মানৱ অধিকাৰ আয়োগে ঘোষণাপত্ৰৰ খচৰা প্ৰস্তুত কৰিবলৈ এখন খচৰা কমিটি গঠন কৰিছিল। আয়োগে এলানি নথি-পত্ৰত "মানৱ অধিকাৰৰ আন্তৰ্জাতিক বিধেয়ক" এই বাক্যাংশ প্ৰয়োগ কৰাৰ সিদ্ধান্ত লৈছিল। আলোচনা প্ৰক্ৰিয়া আগবঢ়াৰ পিছত নথি-পত্ৰৰ দুটা সংগ্ৰহ প্ৰস্তুত কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এটা সংগ্ৰহত মানৱ অধিকাৰৰ সাধাৰণ নীতি সম্বলিত ঘোষণাপত্ৰৰ খচৰা আৰু আনটো সংগ্ৰহত ৰাষ্ট্ৰবোৰক বিধিসন্মতভাৱে বাধ্য কৰাব পৰা বিশেষাধিকাৰ সম্বলিত চুক্তিৰ খচৰা ৰখাৰ সিদ্ধান্ত লোৱা হৈছিল। ১৯৪৮ চনৰ জুন মাহত মানৱাধিকাৰ আয়োগৰ তৃতীয় অধিবেশন বহিছিল। তাত খচৰা কমিটিয়ে দাখিল কৰা প্ৰতিবেদনৰ বিষয়ে আলোচনা কৰা হৈছিল। অধিবেশনে অৰ্থনৈতিক আৰু সামাজিক পৰিষদক জমা দিবলৈ ঘোষণাপত্ৰৰ খচৰা এখন গ্ৰহণ কৰিছিল। পৰিষদে ভোট অবিহনে ঘোষণাপত্ৰ খচৰাখন সন্দৰ্ভত এটা সিদ্ধান্ত গ্ৰহণ কৰি সেয়া সাধাৰণ সভাত উত্থাপন কৰিছিল। সাধাৰণ সভাই সৰ্বসন্মতিক্ৰমে ১৯৪৮ চনৰ ১০ ডিচেম্বৰত খচৰাখনক মানৱ অধিকাৰ সাৰ্বজনীন ঘোষণাপত্ৰ নাম দি গৃহীত কৰিছিল।

জানি থোৱা ভাল



ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা অধিকাৰৰ আন্তৰ্জাতিক বিধেয়কত তলত উল্লেখ কৰা পাঁচখন দলিল অৰ্ন্তভুক্ত—

১) ১৯৪৮ চনৰ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ,

২) ১৯৬৬ চনৰ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি,

৩) ১৯৬৬ চনৰ অৰ্থনৈতিক-সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি,

৪) ১৯৬৬ চনৰ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তিৰ ঐচ্ছিক প্ৰ'ট'ক'ল, যাৰ জৰিয়তে ব্যক্তিক অধিকাৰ ভংগ হোৱাৰ অভিযোগ দাখিল কৰাৰ অনুমতি দিয়া হৈছে,

৫) ১৯৮৯ চনৰ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তিৰ ঐচ্ছিক প্ৰ'ট'ক'ল, যাৰ জৰিয়তে মৃত্যুদণ্ডৰ প্ৰথা বিলোপ কৰাৰ উদ্দেশ্য আগত ৰখা হৈছে।

৪.৪.২ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্ৰৰ মূল বিষয়সূচী

মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্ৰ হ'ল অধিকাৰ বিষয়ক সবাতোকৈ বিস্তৃত দলিল। ই মানুহৰ পৌৰ, ৰাজনৈতিক, অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰকে ধৰি সকলো প্ৰকাৰৰ অধিকাৰক সামৰি লয়। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্ৰত এটা প্ৰস্তাৱনা আৰু ৩০টা অনুচ্ছেদ আছে। ঘোষণাপত্ৰৰ ১নং অনুচ্ছেদত কোৱা হৈছে যে "সকলো মানুহেই মর্যাদা আৰু অধিকাৰৰ ক্ষেত্ৰত সম-অধিকাৰ লৈ জন্মলাভ কৰে আৰু বিশ্বৰ প্ৰতিগৰাকী বাসিন্দাই ঘোষণাপত্ৰত উল্লেখ কৰা সকলো অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰাৰ সুযোগ পোৱা উচিত"। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্ৰত সন্নিৱিষ্ট অধিকাৰবোৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

➢ পৌৰ আৰু ৰাজনৈতিক অধিকাৰ ঃ

অনুচ্ছেদ ২ৰ পৰা ২১ লৈ পৌৰ আৰু ৰাজনৈতিক অধিকাৰবোৰৰ উল্লেখ আছে। এই অধিকাৰবোৰ হ'ল—

- ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু সুৰক্ষাৰ অধিকাৰ। (অনুচ্ছেদ ৩)
- দাসত্ব অথবা পৰাধীনতাৰ পৰা মুক্তি (অনুচ্ছেদ ৪)
- নির্যাতন, অমানৱীয় অথবা অপমানজনক আচৰণ নাইবা শাস্তিৰ বিৰুদ্ধে অধিকাৰ (অনুচ্ছেদ ৫)
- আইনৰ চকুত ব্যক্তি হিচাপে স্বীকৃতি লাভৰ অধিকাৰ (অনুচ্ছেদ ৬)
- আইনৰ দৃষ্টিত সমতা আৰু কোনো বৈষম্য নৰখাকৈ আইনৰ পৰা সম সুৰক্ষা লাভৰ অধিকাৰ (অনুচ্ছেদ ৭)
- ৰাষ্ট্ৰীয় ন্যায়ালয়ৰ পৰা ফলপ্ৰসূ ন্যায়লাভৰ অধিকাৰ (অনুচ্ছেদ ৮)
- অন্যায়ভাৱে কৰা গ্ৰেপ্তাৰ, হাজোতত ৰখা অথবা দেশৰ পৰা নির্বাসন দিয়াৰ পৰা স্বাধীনতা (অনুচ্ছেদ ৯)
- মুক্ত আৰু নিৰপেক্ষ ন্যায়ালয়ৰ দ্বাৰা ন্যায়সংগত আৰু ৰাজহুৱা শুনানি লাভ কৰাৰ অধিকাৰ (অনুচ্ছেদ ১০)
- কোনো অপৰাধমূলক গোচৰত জগৰীয়া সাব্যস্ত নোহোৱালৈকে সকলো আত্মৰক্ষামূলক সুবিধা লাভৰ নিশ্চিতি আৰু নিজৰ নির্দোষিতা বজাই ৰখাৰ অধিকাৰ (অনুচ্ছেদ ১১)
- ব্যক্তিগত গোপনীয়তা, পৰিয়াল, গৃহ আৰু যোগাযোগ স্থাপনৰ অধিকাৰ (অনুচ্ছেদ ১২)
- নিজৰ ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰত অবাধে অহা-যোৱা কৰা আৰু বাস কৰাৰ অধিকাৰ (অনুচ্ছেদ ১৩, দফা ১)
- নিজৰ দেশখনকে ধৰি যিকোনো দেশ এৰাৰ আৰু নিজ দেশলৈ উভতি অহাৰ অধিকাৰ (অনুচ্ছেদ ১৩, দফা ২)

- অভিযোগৰ পৰা ৰক্ষা পৰিবলৈ অন্য দেশত ৰাজনৈতিক আশ্ৰয় বিচৰাৰ আৰু লাভ কৰাৰ অধিকাৰ (অনুচ্ছেদ ১৪)
- প্ৰত্যেকৰে জাতীয়তাৰ অধিকাৰ (অনুচ্ছেদ ১৫)
- বিবাহৰ আৰু পৰিয়াল গঠনৰ অধিকাৰ (অনুচ্ছেদ ১৬)
- সম্পত্তি আহণৰ অধিকাৰ (অনুচ্ছেদ ১৭)
- প্ৰত্যেক লোকৰ চিন্তা, বিবেক আৰু ধৰ্মৰ অধিকাৰ (অনুচ্ছেদ ১৮)
- মতামত আৰু ভাব প্ৰকাশ কৰাৰ অধিকাৰ (অনুচ্ছেদ ১৯)
- শান্তিপূৰ্ণভাৱে একত্ৰিত হোৱাৰ আৰু সংস্থা গঠনৰ অধিকাৰ (অনুচ্ছেদ ২০)
- নিজ দেশৰ চৰকাৰত অংশগ্ৰহণৰ অধিকাৰ (অনুচ্ছেদ ২১)

➢ **অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ ঃ**

অনুচ্ছেদ ২২ৰ পৰা ২৭লৈ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰবোৰৰ উল্লেখ আছে। তলত অধিকাৰবোৰ উল্লেখ কৰা হ'ল—

- সামাজিক সুৰক্ষাৰ অধিকাৰ (অনুচ্ছেদ ২২)
- পচন্দ অনুযায়ী কাম কৰাৰ আৰু নিয়োগৰ অধিকাৰ (অনুচ্ছেদ ২৩)
- অৱসৰ বিনোদন আৰু বিশ্ৰামৰ অধিকাৰ (অনুচ্ছেদ ২৪)
- নিজৰ আৰু পৰিয়ালৰ স্বাস্থ্যৰ বাবে উপযোগী জীৱন-যাপনৰ মান লাভ কৰাৰ অধিকাৰ (অনুচ্ছেদ ২৫)
- শিক্ষাৰ অধিকাৰ (অনুচ্ছেদ ২৬)
- সাংস্কৃতিক জীৱনত ভাগ লোৱাৰ অধিকাৰ (অনুচ্ছেদ ২৭)
- সুস্থ সামাজিক আৰু আন্তৰ্জাতিক শৃংখলা বৰ্তাই ৰখাৰ অধিকাৰ (অনুচ্ছেদ ২৮)

ওপৰৰ অনুচ্ছেদবোৰত বিভিন্ন ধৰণৰ অধিকাৰ উল্লেখ কৰা হৈছে। কিন্তু অনুচ্ছেদ ২৯-ৰ জৰিয়তে এই অধিকাৰবোৰৰ ওপৰত কিছু সীমাৱদ্ধতা আৰোপ কৰা হৈছে। ইয়াত কোৱা হৈছে যে প্ৰতিগৰাকী ব্যক্তিৰে তেওঁ যিটো সম্প্ৰদায়ৰ সদস্য সেই সম্প্ৰদায়টোৰ প্ৰতি কিছু কৰ্তব্য থাকে। লগতে ইয়াকো কোৱা হৈছে যে এখন গণতান্ত্ৰিক সমাজত নৈতিকতা, ৰাজহুৱা শৃংখলা আৰু সাধাৰণ কল্যাণৰ সমুচিত উপস্থিতি থাকিলেহে তাৰ বাসিন্দাসকলে এই অধিকাৰবোৰ উপভোগ কৰিব পাৰিব।

৪.৪.৩ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ তাৎপৰ্য্য

পৃথিৱীৰ প্ৰতিখন ৰাষ্ট্ৰৰে প্ৰতিগৰাকী বাসিন্দাৰ মানৱ অধিকাৰৰ সুৰক্ষা আৰু পৃষ্ঠপোষকতাৰ বাবে ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা মহত্বম দলিলখনেই হৈছে— মানৱ অধিকাৰৰ

সাৰ্বজনীন ঘোষণাপত্ৰ। কিন্তু এই বিস্তৃত দলিলখন কোনো ৰাষ্ট্ৰ অথবা জাতিৰ বাবে পালনীয় ন্যায়িক বাধ্যবাধকতা নহয়। অৰ্থাৎ ই চৰম নথি নহয়। ৰাষ্ট্ৰৰ আগ্ৰহ আৰু সদিচ্ছাৰ ওপৰত ইয়াৰ কাৰ্যৰূপায়ণ নিৰ্ভৰশীল। তথাপিও ঘোষণাপত্ৰখনৰ তাৎপৰ্য্যতা আওকাণ কৰিব নোৱাৰি। এই তাৎপৰ্য্যসমূহ তলত চমুকৈ উল্লেখ কৰা হ'ল—

- আন্তৰ্জাতিক সংগঠনৰ ইতিহাসত এই ঘোষণাপত্ৰখন মানৱ অধিকাৰ বিষয়ৰ প্ৰথমখন দলিল। মানৱ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত দেশবোৰৰ অগ্ৰগতি মূল্যায়ন কৰিবলৈ এই ঘোষণাপত্ৰখনক আধাৰ হিচাপে গণ্য কৰা হয়।
- সময় বাগৰাৰ লগে লগে মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰই কিছু ৰাজনৈতিক আৰু নৈতিক কৰ্তৃত্ব লাভ কৰিছে। সমাজৰ সকলো স্তৰেই ঘোষণাপত্ৰখন আদৰি লৈছে।
- দুখন দেশৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কত বাধাৰ সৃষ্টিকাৰী মানৱ অধিকাৰ উলংঘনৰ বিভিন্ন ঘটনা সংঘটিত হোৱা কোনো এখন দেশত পুনৰ মানৱ অধিকাৰ উপভোগৰ পৰিবেশ ঘূৰাই আনিবলৈ ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ ব্যৱহাৰ কৰি আহিছে। ৰাষ্ট্ৰসংঘৰ কাৰ্যকলাপৰ যুক্তিযুক্ততা প্ৰমাণিত কৰিবলৈ সাধাৰণ সভাই ঘোষণাপত্ৰত উল্লেখ থকা বিভিন্ন নীতি-নিয়মৰ কথা প্ৰায়েই ব্যৱহাৰ কৰি আহিছে।
- ৰাষ্ট্ৰসংঘৰ অধীনত নাইবা তদাৰকত প্ৰস্তুত কৰা বিভিন্ন ঘোষণাপত্ৰ, চুক্তি আদিক মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰই প্ৰভাৱিত কৰি আহিছে। ই মানৱ অধিকাৰ বিষয়ক বহুতো আঞ্চলিক সন্মিলন আৰু চুক্তিৰো আধাৰ নথিৰূপে কাম কৰি আহিছে। মানৱ অধিকাৰৰ মাৰ্কিন সিদ্ধান্ত, মানৱ অধিকাৰৰ আফ্ৰিকীয় চনদ আদি হ'ল মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ দ্বাৰা প্ৰত্যক্ষভাৱে প্ৰভাৱিত হোৱা দলিল।
- মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰই ভাৰত, ইণ্ডোনেচিয়া, বুলগেৰিয়া, চিৰিয়া, জৰ্ডান আৰু বহুতো ৰাষ্ট্ৰৰ সংবিধানকো প্ৰভাৱিত কৰিছে। এই দেশবোৰে সাৰ্বজনীন ঘোষণাপত্ৰৰ পৰা যথেষ্ট নীতি-নিয়ম গ্ৰহণ কৰিছে। ভাৰতত সৰ্বোচ্চ আৰু উচ্চ ন্যায়ালয়ে বিভিন্ন সিদ্ধান্ত গ্ৰহণৰ সময়ত এই ঘোষণাপত্ৰত সন্নিৱিষ্ট ব্যৱস্থাৰ উল্লেখ কৰে।

৪.৪.৪ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ বিপক্ষে থকা সমালোচনা

মানুহৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিবলৈ প্ৰস্তুত কৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰখনক প্ৰায় সকলোৱে আদৰি লৈছে আৰু প্ৰশংসা কৰিছে যদিও ঘোষণাপত্ৰখন সম্পূৰ্ণৰূপে সমালোচনামুক্ত নহয়। ঘোষণাপত্ৰখনৰ কেইটামান সমালোচনা তলত উল্লেখ কৰা হ'ল—

- ঘোষণাপত্রখনৰ ব্যৱস্থাবোৰ ৰাষ্ট্রসংঘই ৰাষ্ট্রবোৰলৈ আগবঢ়োৱা কিছুমান পৰামর্শৰ দৰে। কাৰণ, ই ৰাষ্ট্রবোৰৰ ওপৰত কোনো ন্যায়সংগত বাধ্যবাধকতা আৰোপ নকৰে।
- ঘোষণাপত্রখনৰ বহুতো ব্যৱস্থা গতানুগতিক। উদাহৰণস্বৰূপে অনুচ্ছেদ ৩-ত কোৱা হৈছে "প্রত্যেকৰে জীৱন, স্বাধীনতা আৰু ব্যক্তিগত সুৰক্ষা লাভৰ অধিকাৰ আছে"।
- ৰাষ্ট্রবোৰৰ সদিচ্ছাৰ কথা উল্লেখ কৰাত বাদে ঘোষণাপত্রখনৰ ক'তোৱেই ব্যৱস্থাবোৰ কেনেকৈ বলবৎ কৰা হ'ব তাৰ কোনো উল্লেখ নাই। অর্থাৎ ঘোষণাপত্রত অন্তর্ভুক্ত কৰা ব্যৱস্থাবোৰ মানিবনে নাই সেয়া সংশ্লিষ্ট দেশবোৰৰ ইচ্ছাৰ ওপৰত নির্ভৰশীল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রখন ..... চনত গ্রহণ কৰা হৈছিল। (খালী ঠাই পূৰণ কৰক)

.....

প্রশ্ন ৫ ঃ ৰাষ্ট্রসংঘৰ কোনটো অংগক মানৱ অধিকাৰৰ আন্তর্জাতিক বিধেয়ক প্রস্তুত কৰাৰ দায়িত্ব দিয়া হৈছিল?

.....

প্রশ্ন ৬ ঃ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রই আগবঢ়োৱা যিকোনো চাৰিটা পৌৰ আৰু ৰাজনৈতিক অধিকাৰ উল্লেখ কৰক।

.....

প্রশ্ন ৭ ঃ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রই আগবঢ়োৱা যিকোনো চাৰিটা অর্থনৈতিক আৰু সামাজিক অধিকাৰ উল্লেখ কৰক।

.....

প্রশ্ন ৮ ঃ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ বিৰুদ্ধে থকা যিকোনো দুটা সমালোচনা উল্লেখ কৰক।

.....

৪.৫ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র আৰু ভাৰতীয় সংবিধান

ভাৰতৰ সংবিধান সভাই ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতীয় সংবিধানখন গ্রহণ কৰিছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা সংবিধানখন বলবৎ কৰা হৈছিল। সময়ৰ ফালৰ পৰা মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র আৰু ভাৰতীয় সংবিধান সম-সাময়িক। ভাৰতেও

মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র-ত স্বাক্ষৰ কৰিছে। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র-ত উল্লেখ থকা বিভিন্ন ব্যৱস্থা ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত থকা মৌলিক অধিকাৰৰ সৈতে সাদৃশ্য আছে। তলৰ তালিকাখনত এই সাদৃশ্যবোৰ তুলি দিয়া হ'ল—

অধিকাৰ	মানৱ অধিকাৰৰ	ভাৰতীয় সংবিধান
আইনৰ সন্মুখত সকলো সমান	অনুচ্ছেদ-১ আৰু ৭	অনুচ্ছেদ-১৪ আৰু ২১
বৈষম্যৰ প্রতি নিষেধাজ্ঞা	অনুচ্ছেদ-২	অনুচ্ছেদ-১৫
জীৱনৰ অধিকাৰ	অনুচ্ছেদ-৩	অনুচ্ছেদ-২১
দাসত্ব আৰু বলপূর্বক শ্রম আদায়ৰ নিষেধাজ্ঞা	অনুচ্ছেদ-৪	অনুচ্ছেদ-২৩
অধিকাৰ উলংঘনৰ ফলপ্রসূ ন্যায়লাভৰ অধিকাৰ	অনুচ্ছেদ-৮	অনুচ্ছেদ-৩২(১), ৩২(২) ২২৬, ১ আৰু ৭
ৰাজহুৱা শুনানি আৰু ন্যায়সংগত বিচাৰ	অনুচ্ছেদ-১০	অনুচ্ছেদ-৩৯ (১)
চলা-ফুৰাৰ অধিকাৰ	অনুচ্ছেদ-১৩ (১)	অনুচ্ছেদ-১৯ (১) (ঘ)
জীয়াই থকাৰ আৰু বাস কৰাৰ অধিকাৰ	অনুচ্ছেদ-১৩ (২)	অনুচ্ছেদ -১৯ (১) (ঙ)
সম্পত্তিৰ অধিকাৰ	অনুচ্ছেদ-১৭	অনুচ্ছেদ-৩০০ (ক)
ধর্ম আৰু বিবেকৰ মতে পৰিচালিত হোৱাৰ অধিকাৰ	অনুচ্ছেদ-১৮	অনুচ্ছেদ-২৫ (১)
মত গঠন আৰু ভাব প্রকাশৰ অধিকাৰ	অনুচ্ছেদ-১৯	অনুচ্ছেদ-১৯ (১) (ক)
শান্তিপূর্ণভাৱে একত্রিত হোৱাৰ অধিকাৰ	অনুচ্ছেদ-২০ (১)	অনুচ্ছেদ-১৯ (১) (খ)
শান্তিপূর্ণভাৱে সংগঠিত হোৱাৰ অধিকাৰ	অনুচ্ছেদ-২০ (২)	অনুচ্ছেদ-১৯ (১) (গ)
ৰাজহুৱা সেৱাৰ সুবিধা লাভৰ সমান সুযোগ	অনুচ্ছেদ-২১ (২)	অনুচ্ছেদ-১৬ (১) আৰু ১৬ (২)
সামাজিক সুৰক্ষা	অনুচ্ছেদ-২২	অনুচ্ছেদ-৩৮ (১)
কামৰ অধিকাৰ	অনুচ্ছেদ-২৩ (১)	অনুচ্ছেদ-৩৮ (১)
সমান পাৰিশ্রমিক লাভৰ অধিকাৰ	অনুচ্ছেদ-২৩ (২)	অনুচ্ছেদ-৩৯ (ক)
শ্রমিক সংস্থা গঠন আৰু যোগদানৰ স্বাধীনতা	অনুচ্ছেদ-২৩ (৪)	অনুচ্ছেদ-১৯ (১) (গ)
শিক্ষাৰ অধিকাৰ	অনুচ্ছেদ-২৬	অনুচ্ছেদ-২১ (ক) আৰু ৪৫
সামাজিক আৰু আন্তর্জাতিক শৃংখলা		
বজাই ৰখাৰ অধিকাৰ	অনুচ্ছেদ-২৮	অনুচ্ছেদ-৫১
কর্তব্য	অনুচ্ছেদ-২৯	অনুচ্ছেদ-৫১ (ক)

৪.৬ মানৱ অধিকাৰকেন্দ্ৰিক অন্য গুৰুত্বপূৰ্ণ আন্তৰ্জাতিক ঘোষণাপত্ৰ আৰু চুক্তি

মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ আৰু দুখন আন্তৰ্জাতিক চুক্তি প্ৰস্তুত কৰাৰ পিছত ৰাষ্ট্ৰসংঘই বিশ্বৰ বাসিন্দাৰ মানৱ অধিকাৰ ৰক্ষাৰ মান উন্নত কৰাৰ অৰ্থে আনকেইবাখনো ঘোষণাপত্ৰ আৰু আচাৰ-বিধি প্ৰস্তুত কৰিছে। এইবোৰে বহুলাংশে মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ, পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি আৰু অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক অধিকাৰৰ আন্তৰ্জাতিক চুক্তি দুখনত সন্নিৱিষ্ট কথাবোৰকে ব্যাখ্যা কৰে। নতুন ঘোষণাপত্ৰ, আচাৰ-বিধিবোৰে অৱশ্যে অধিকাৰৰ আন্তৰ্জাতিক বিধেয়কত উল্লেখ নথকা আন কিছুমান অধিকাৰক স্বীকৃতি প্ৰদান কৰিছে। এনে দুখনমান পৰৱৰ্তীকালত প্ৰস্তুত কৰা আন্তৰ্জাতিক চুক্তিৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

- গণহত্যাৰ অপৰাধ প্ৰতিৰোধ আৰু শাস্তি বিষয়ক চুক্তি ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৪৮ চনত গ্ৰহণ কৰিছিল আৰু ইয়াক ১৯৫১ চনৰ ১২ জানুৱাৰীৰ পৰা বলবৎ কৰা হৈছিল। চুক্তিখনৰ অনুচ্ছেদ-১-ত গণহত্যাক এক আন্তৰ্জাতিক অপৰাধ বুলি কোৱা হৈছে। যুদ্ধ অথবা শান্তি সকলো সময়তে ইয়াক অপৰাধ বুলিয়েই গণ্য কৰা হ'ব। ইয়াৰ সংজ্ঞা এনেদৰে দাঙি ধৰা হৈছে— "গণহত্যা হ'ল কোনো এক ৰাষ্ট্ৰীয়, নৃগোষ্ঠীয়, জাতীয় অথবা ধৰ্মীয় গোটক সম্পূৰ্ণ অথবা আশিংকভাৱে ধ্বংস কৰাৰ মনোভাৱেৰে কৰা হত্যা।" অৱশ্যে চুক্তিখনত গণহত্যাৰ অভিযোগত দোষী সাব্যস্ত হোৱা ব্যক্তিৰ শাস্তি কি হ'ব সেই বিষয়ে একো উল্লেখ নাই। কেৱল কোৱা হৈছে যে ফলপ্ৰসূ শাস্তি প্ৰদান কৰিবলৈ চুক্তিপত্ৰত স্বাক্ষৰ কৰা পক্ষই নিজ নিজ সংবিধানৰ আধাৰত উপযুক্ত শাস্তিবিধান তৈয়াৰ কৰি ল'ব আৰু প্ৰয়োগ কৰিব।
- নিৰ্যাতন আৰু অন্যান্য নিৰ্দয় অমানৱীয় অথবা অপমানজনক আচৰণ অথবা শাস্তি বিষয়ক চুক্তিখন ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৮৪ চনত গ্ৰহণ কৰিছিল আৰু ১৯৮৭ চনৰ ২৬ জুনৰ পৰা ইয়াক বলবৎ কৰা হৈছিল। চুক্তিখনৰ অনুচ্ছেদ-২ মতে চুক্তিপত্ৰত স্বাক্ষৰ কৰা পক্ষই নিজ নিজ কৰ্তৃত্ব পৰিধিৰ ভিতৰত যিকোনো প্ৰকাৰৰ নিৰ্যাতন ৰোধ কৰিবলৈ সকলো ধৰণৰ বিধায়িনী, প্ৰশাসনিক, ন্যায়িক আৰু অন্য বিধি-বিধান প্ৰণয়নৰ ব্যৱস্থা কৰিব। ২০০২ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই নিৰ্যাতনবিৰোধী চুক্তিখনৰ ঐচ্ছিক প্ৰ'টক'ল গ্ৰহণ কৰে।
- ১৯৬৫ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই সকলো প্ৰকাৰৰ বৰ্ণবৈষম্য নিৰ্মূল কৰা বিষয়ক চুক্তিখন গ্ৰহণ কৰে। ১৯৬৯ চনৰ ৪ জানুৱাৰীৰ পৰা এই চুক্তিখন বলবৎ কৰা হয়। চুক্তিখনে বৰ্ণবৈষম্যৰ সংজ্ঞা এনেদৰে দাঙি ধৰিছে— "ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক নাইবা ৰাজহুৱা জীৱনৰ আন যিকোনো ক্ষেত্ৰত জাতি, গাৰ বৰণ, বংশ পৰিচয়, ৰাষ্ট্ৰীয় অথবা নৃগোষ্ঠীয় মূল আদি বিভিন্ন বিভাজনৰ মাধ্যমত সকলো ব্যক্তিৰে সম-অধিকাৰ থকা মানৱ অধিকাৰ তথা মৌলিক স্বাধীনতা কাৰোবাক

উপভোগ তথা অনুশীলনৰ সুযোগ নিদিয়া, তেনে অধিকাৰৰ অস্তিত্ব নসাৎ কৰিবলৈ নাইবা স্বীকৃতিক বাধাগ্ৰস্ত কৰিবলৈ সংঘটিত কৰা যিকোনো পৃথক কাণ্ড, বহিষ্কৰণ, নিষেধ অথবা কাৰ্য-কলাপক বৰ্ণবৈষম্য বুলি গণ্য কৰা হ'ব।" "জাতি, গাৰ বৰণ, বংশ পৰিচয়, ৰাষ্ট্ৰীয় অথবা নৃগোষ্ঠীয় মূল"ৰ ভিত্তিত চলা বৈষম্য নিৰ্মূল কৰিবলৈ এইখন চুক্তিয়েই হ'ল ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা সবাতোকৈ বিস্তৃত কাৰ্যসূচী।

- মহিলাৰ ওপৰত চলা সকলো প্ৰকাৰৰ বৈষম্য নিৰ্মূলকৰণ বিষয়ক চুক্তি (CEDAW) ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৭৯ চনত গ্ৰহণ কৰিছিল আৰু ১৯৮১ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা ইয়াক বলবৎ কৰা হৈছিল। এই চুক্তিখনৰ পূৰ্বে ৰাষ্ট্ৰসংঘই ১৯৬৭ চনত মহিলাৰ বিৰুদ্ধে চলা বৈষম্য নিৰ্মূলকৰণৰ ঘোষণাপত্ৰ গ্ৰহণ কৰিছিল। ঘোষণাপত্ৰৰ নীতিসমূহক বাস্তৱৰূপ দিবলৈকে এই চুক্তিখন গ্ৰহণ কৰা হৈছিল। চুক্তিখনৰ তৃতীয় ভাগত ৰাষ্ট্ৰই কেনেদৰে মহিলাসকলক বৈষম্যৰ বলি হোৱাৰ পৰা ৰক্ষা কৰিব পাৰে তাৰ বাবে কিছুমান বিশেষ ক্ষেত্ৰৰ উল্লেখ কৰা হৈছে। শিক্ষা, নিয়োগ, স্বাস্থ্য যতন উন্নত কৰা, বলপূৰ্বক বিবাহ ৰোধ কৰা, গাৰ্হস্থ্য হিংসা প্ৰতিৰোধ কৰা আদি হ'ল এনে কেইটামান ক্ষেত্ৰ। মহিলাসকলক কিছু বিশেষাধিকাৰ প্ৰদান কৰি চুক্তিখনে পুৰুষ আৰু মহিলাৰ মাজত সমতা সুনিশ্চিত কৰাৰ প্ৰয়াস কৰে।
- ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৮৯ চনত শিশুৰ অধিকাৰ বিষয়ক চুক্তিখন গ্ৰহণ কৰে আৰু ইয়াক ১৯৯০ চনৰ ২ ছেপ্টেম্বৰৰ পৰা বলবৎ কৰা হয়। এই চুক্তিখনৰ অনুচ্ছেদ-১ মতে ওঠৰ বছৰৰ তলৰ প্ৰত্যেককে শিশু বুলি গণ্য কৰা হ'ব যদিহে কোনো দেশৰ নিয়মে ইয়াতকৈ কম বয়সতে কাকো প্ৰাপ্তবয়স্ক বুলি মানি নলয়। এই চুক্তিখন ১৮ বছৰৰ তলৰ সকলো শিশুৰ ক্ষেত্ৰতে প্ৰযোজ্য। চুক্তিখনৰ জৰিয়তে শিশুবোৰক বহুতো অধিকাৰ প্ৰদান কৰা হৈছে। যেনে— জীৱনৰ অধিকাৰ, গোপনীয়তাৰ অধিকাৰ, পৰিয়ালকেন্দ্ৰিক পৰিবেশ লাভৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ আদি।
- ১৯৯০ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই সকলো পমুৱা শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰা চুক্তিখন গ্ৰহণ কৰে। এই চুক্তিখন ২০০৩ চনৰ ১ জুলাইৰ পৰা বলবৎ কৰা হয়। চুক্তিখনৰ অনুচ্ছেদ-২ মতে পমুৱা শ্ৰমিক হ'ল সেইসকল ব্যক্তি যিসকলক "কোনো দেশত শ্ৰমৰ বিনিময়ত মজুৰি লাভ কৰা কামত নিয়োগ কৰা হ'ব অথবা নিয়োগ কৰা হৈছে কিন্তু তেওঁলোক সেই দেশখনৰ নাগৰিক নহয়।"
- ১৯৯২ চনত সাধাৰণ সভাই জাতীয় অথবা নৃগোষ্ঠীয়, ধৰ্মীয় অথবা ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ সদস্যৰ অধিকাৰ বিষয়ক ঘোষণাপত্ৰখন গ্ৰহণ কৰে। সংখ্যালঘুসকলৰ অধিকাৰৰ বিষয়ে মাত মতা এইখন হ'ল সবাতোকৈ বিস্তৃত দলিল। ঘোষণাপত্ৰখনৰ অনুচ্ছেদ-১-ত ৰাষ্ট্ৰবোৰক নিজ নিজ দেশৰ চাৰিসীমাৰ ভিতৰত থকা সংখ্যালঘুসকলক চিনাক্ত কৰি উলিয়াই তেওঁলোকৰ অধিকাৰক ন্যায়পালিকা নাইবা অন্য প্ৰণালীৰ জৰিয়তে সুৰক্ষা প্ৰদান কৰিবলৈ কোৱা হৈছে।

- শৰণার্থীসকলৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিবলৈ ৰাষ্ট্ৰসংঘই ১৯৫১ চনত শৰণার্থীৰ স্থিতি সম্পৰ্কীয় চুক্তি গ্ৰহণ কৰিছিল। ১৯৫১ চনতেই ৰাষ্ট্ৰসংঘৰ শৰণার্থীৰ বাবে উচ্চায়োগ (UNHCR) গঠন কৰা হৈছিল। ৰাষ্ট্ৰসংঘৰ শৰণার্থীৰ বাবে উচ্চায়োগ হ'ল— ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ সহায়ক বিভাগ। এই বিভাগে শৰণার্থীসকলক আন্তর্জাতিক সুৰক্ষা হিচাপে মানৱীয়, অৰাজনৈতিক আৰু সামাজিক সেৱা প্ৰদান কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৯ ঃ ভাৰতীয় সংবিধানৰ কোনটো অংশই বিশেষভাৱে মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্ৰৰ ব্যৱস্থাসমূহ প্ৰতিফলিত কৰে?

.....

প্ৰশ্ন ১০ ঃ সংখ্যালঘুসকলৰ অধিকাৰক সুৰক্ষা দিবলৈ ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা চুক্তিখনৰ নাম লিখক।

.....

প্ৰশ্ন ১১ ঃ সকলো প্ৰকাৰৰ বর্ণবৈষম্য নির্মূল কৰা বিষয়ক চুক্তিখনত থকা বর্ণ বৈষম্যৰ সংজ্ঞাটো কি?

.....

প্ৰশ্ন ১২ ঃ কোন চনত ৰাষ্ট্ৰংসংঘৰ শৰণার্থীৰ বাবে উচ্চায়োগ গঠন কৰা হৈছিল?

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰসংঘৰ চনদখন গৃহীত হোৱাৰ লগে লগে মানৱ অধিকাৰৰ ধাৰণাটোৱে সার্বজনীন আৰু বিধিসন্মত স্বীকৃতি লাভ কৰিলে। বিভিন্ন ঘোষণাপত্ৰ, চুক্তি আৰু সন্মিলনৰ জৰিয়তে ৰাষ্ট্ৰসংঘই ব্যক্তিৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিবলৈ চেষ্টা কৰিছে। ই সদস্য ৰাষ্ট্ৰবোৰকো বিষয়টোৰ সুৰক্ষা আৰু সমর্থনত বিভিন্ন উপযুক্ত কার্যপন্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।
- ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ১৯৪৮ চনত মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্ৰখন গ্ৰহণ কৰিছিল। ইয়াক "সকলো ব্যক্তি আৰু ৰাষ্ট্ৰই মানি চলিবলগীয়া উমৈহতীয়া স্বীকৃত বিধি" বুলি কোৱা হৈছিল। এই সার্বজনীন ঘোষণাপত্ৰখন কোনো সন্ধি নাইবা আন্তর্জাতিক চুক্তি নহয়। ই হ'ল এক সাধাৰণ ঘোষণাপত্ৰ যাৰ জৰিয়তে পৃথিৱীৰ সকলো দেশৰ সকলো নাগৰিকৰ অধিকাৰ আৰু স্বাধীনতাৰ কথা ঘোষণা কৰা হৈছে আৰু সকলোকে এই অধিকাৰ আৰু স্বাধীনতাসমূহ উপভোগ কৰিবলৈ সুযোগ দিয়াৰ প্ৰয়াস চলোৱাৰ কথা কোৱা হৈছে। সার্বজনীন ঘোষণাপত্ৰখন বিশ্বৰ সকলো বাসিন্দাৰ সমতা, ন্যায়,

শান্তি আৰু স্বাধীনতাৰ বুনিয়াদ। সাৰ্বজনীন ঘোষণাপত্ৰখনৰ আধাৰতে মানৱ অধিকাৰ বিষয়ক আন বহুতো সন্ধি, সন্মিলন আৰু ঘোষণাপত্ৰ প্ৰস্তুত কৰা হৈছে।

- মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত এটা প্ৰস্তাৱনা আৰু ৩০টা অনুচ্ছেদ আছে। অনুচ্ছেদ ২-২১ত পৌৰ আৰু ৰাজনৈতিক অধিকাৰসমূহ সন্নিৱিষ্ট কৰা হৈছে। অনুচ্ছেদ ২২-২৭ত অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহ সন্নিৱিষ্ট কৰা হৈছে।
- মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ ব্যৱস্থাসমূহৰ কোনো ন্যায়সংগত বাধ্যবাধকতা নাই যদিও সকলো দেশেই মানৱ অধিকাৰৰ বিষয়ত এই ঘোষণাপত্ৰখনৰ উদ্ধৃতি দিয়ে। বহুতো দেশৰ সংবিধানত মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ গভীৰ প্ৰভাৱ পৰিলক্ষিত হয়। সংবিধানবোৰে ঘোষণাপত্ৰখনৰ পৰা মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা বিষয়ক বহুতো নীতি-নিয়ম গ্ৰহণ কৰিছে। ভাৰতীয় সংবিধানতো মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ প্ৰভাৱ স্পষ্ট। নাগৰিকৰ অধিকাৰ আৰু স্বাধীনতাৰ সৈতে জড়িত বিভিন্ন শিতানত ভাৰতীয় সংবিধানে মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত অৰ্ন্তভুক্ত ব্যৱস্থা অনুসৰণ কৰিছে।
- মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ প্ৰভাৱ সুগভীৰ যদিও ঘোষণাপত্ৰখনৰ কিছুমান দুৰ্বলতাও আছে। এনে এটা দুৰ্বলতা হ'ল— ই কোনো ৰাষ্ট্ৰৰ বাবেই অৱশ্যে পালনীয় নহয়। ইয়াত উল্লেখ থকা অধিকাৰবোৰৰ কাৰ্যৰূপায়ণ কৰিবলৈ কোনো ধৰণৰ বিধিগত বাধ্যবাধকতা নাই।
- মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ উপৰি ৰাষ্ট্ৰসংঘই বিশ্বৰ সকলো বাসিন্দাৰে মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ সুৰক্ষা আৰু পৃষ্ঠপোষকতাৰ বাবে আন বহুতো ব্যৱস্থা হাতত লৈছে। এনে ব্যৱস্থাৰ কাৰ্যৰূপায়ণৰ বাবে গ্ৰহণ কৰা দুখনমান ঘোষণাপত্ৰ আৰু চুক্তি হ'ল— গণহত্যাৰ অপৰাধ প্ৰতিৰোধ আৰু শাস্তি বিষয়ক চুক্তি, নিৰ্যাতন আৰু অন্য নিৰ্দয় অমানৱীয় অথবা অপমানজনক আচৰণ অথবা শাস্তি বিষয়ক চুক্তি, সকলো প্ৰকাৰৰ বৰ্ণ বৈষম্য নিৰ্মূল কৰা বিষয়ক চুক্তি, মহিলাৰ ওপৰত চলা সকলো প্ৰকাৰৰ বৈষম্য নিৰ্মূলকৰণ বিষয়ক চুক্তি, শিশুৰ অধিকাৰ বিষয়ক চুক্তি, সকলো পমুৰা শ্ৰমিক আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰা চুক্তি, জাতীয় অথবা নৃগোষ্ঠীয়, ধৰ্মীয় অথবা ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ সদস্যৰ অধিকাৰ বিষয়ক ঘোষণাপত্ৰ আৰু শৰণাৰ্থীৰ স্থিতি সম্পৰ্কীয় ৰাষ্ট্ৰসংঘৰ উচ্চায়োগ গঠন চুক্তি ইত্যাদি।



৪.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.

2) Stephen, R.M. (2002). *Human Rights : Concepts and Perspectives*. New Delhi : Concept Publishing Company.

3) Syed, M.H. (2003). *Human Rights : The New Era*. New Delhi : Kilaso Books.

4) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi: Akansha Publishing House.

অসমীয়া গ্রন্থ ঃ

১) বৈশ্য ধনেশ্বৰ (২০০৫) ঃ *মানৱ অধিকাৰ*। গুৱাহাটীঃ লয়ার্ছ বুক ষ্টল প্রকাশক।

২) দেৱ, অ., দেৱ, ই., দেৱ, সু (অনুবাদ, গুণ বৰুৱা) (২০০১)ঃ *মানৱ অধিকাৰ ঃ এখনি আদি গ্রন্থ*। নতুন দিল্লী ঃ নেশ্যনেল বুক ট্রাষ্ট।

৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) অনুচ্ছেদ-১ত কোৱা হৈছে যে ৰাষ্ট্রসংঘৰ এটা উদ্দেশ্য হ'ল জাতি, লিংগ, ভাষা আৰু ধর্ম নির্বিশেষে সকলোৰে মানৱ অধিকাৰ তথা মৌলিক স্বাধীনতাৰ প্রতি সন্মান প্রদর্শনৰ পৃষ্ঠপোষকতা আৰু অনুপ্রাণিত কৰাত আন্তর্জাতিক সহযোগিতা আদায় কৰা।

খ) অনুচ্ছেদ-৫৫ত কোৱা হৈছে যে ৰাষ্ট্রসংঘই আন্তর্জাতিক পর্যায়ত অর্থনৈতিক-সামাজিক-সাংস্কৃতিক বিকাশৰ পৃষ্ঠপোষকতা কৰিব আৰু সাংস্কৃতিক-শৈক্ষিক সহযোগিতা বৃদ্ধিৰ পৃষ্ঠপোষকতা কৰিব।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৯৩ চনত।

৩ নং প্রশ্নৰ উত্তৰ ঃ ক) জাতিগত বৈষম্য নির্মূলকৰণৰ কমিটি।

খ) মানৱ অধিকাৰ কমিটি।

গ) অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ কমিটি।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১০ ডিচেম্বৰ, ১৯৪৮।

৫ নং প্রশ্নৰ উত্তৰ ঃ অর্থনৈতিক আৰু সামাজিক পৰিষদ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ক) ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু সুৰক্ষাৰ অধিকাৰ।

খ) দাসত্ব অথবা পৰাধীনতাৰ পৰা স্বাধীনতা।

গ) শান্তিপূর্ণভাৱে একত্রিত হোৱাৰ আৰু সংস্থা গঠনৰ অধিকাৰ।

ঘ) নিজ দেশৰ চৰকাৰত অংশগ্রহণৰ অধিকাৰ।

৭ নং প্রশ্নৰ উত্তৰ ঃ ক) সামাজিক সুৰক্ষাৰ অধিকাৰ।

খ) পচন্দ অনুযায়ী কাম কৰাৰ আৰু নিয়োগৰ অধিকাৰ।

গ) অৱসৰ বিনোদন আৰু বিশ্ৰামৰ অধিকাৰ।

ঘ) শিক্ষাৰ অধিকাৰ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ঘোষণাপত্ৰখনৰ নীতি-য়িমবোৰ ৰাষ্ট্ৰসংঘই ৰাষ্ট্ৰবোৰলৈ আগবঢ়োৱা কিছুমান পৰামৰ্শৰ দৰে। কাৰণ, ই ৰাষ্ট্ৰবোৰৰ ওপৰত কোনো ন্যায়সংগত বাধ্যবাধকতা আৰোপ নকৰে।

খ) ৰাষ্ট্ৰবোৰৰ সদিচ্ছাৰ কথা উল্লেখ কৰাত বাদে ঘোষণাখনৰ ক'তোৱেই ব্যৱস্থাবোৰ কেনেকৈ বলবৎ কৰা হ'ব তাৰ কোনো উল্লেখ নাই। অৰ্থাৎ— ঘোষণাপত্ৰত অৰ্ন্তভুক্ত কৰা ব্যৱস্থাবোৰ মানিবনে নাই সেয়া সংশ্লিষ্ট দেশবোৰৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ তৃতীয় অধ্যায় (মৌলিক অধিকাৰ)।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ জাতীয় অথবা নৃগোষ্ঠীয়, ধৰ্মীয় অথবা ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ সদস্যৰ অধিকাৰৰ ঘোষণাপত্ৰ।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক নাইবা ৰাজহুৱা জীৱনৰ আন যিকোনো ক্ষেত্ৰত জাতি, গাৰ বৰণ বংশ পৰিচয়, ৰাষ্ট্ৰীয় অথবা নৃগোষ্ঠীয় মূল আদি বিভিন্ন বিভাজনৰ মাধ্যমত সকলো ব্যক্তিৰে সম-অধিকাৰ থকা মানৱ অধিকাৰ তথা মৌলিক স্বাধীনতা কাৰোবাক উপভোগ তথা অনুশীলনৰ সুযোগ নিদিয়া, তেনে অধিকাৰৰ অস্তিত্ব নসাৎ কৰিবলৈ নাইবা স্বীকৃতিক বাধাগ্ৰস্ত কৰিবলৈ সংঘটিত কৰা যিকোনো পৃথক কাণ্ড, বহিষ্কৰণ, নিষেধ অথবা কাৰ্য-কলাপক বৰ্ণ বৈষম্য বোলা হয়।

১২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫১



৪.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ কোন চনত মানৱ অধিকাৰৰ ৰাষ্ট্ৰসংঘৰ উচ্চায়োগ গঠন কৰা হৈছিল?

প্ৰশ্ন ২ ঃ মহিলাৰ মানৱ অধিকাৰ সুৰক্ষা আৰু পৃষ্ঠপোষকতাৰ বাবে ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা আন্তৰ্জাতিক চুক্তিখনৰ নাম কি?

প্ৰশ্ন ৩ ঃ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰত কেইটা অনুচ্ছেদ আছে?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা সম্পৰ্কে ৰাষ্ট্ৰসংঘৰ চনদত উল্লেখ থকা ব্যৱস্থাবোৰৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ভাৰতীয় সংবিধান আৰু মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্ৰত থকা ব্যৱস্থাবোৰৰ তুলনাত্মক বিশ্লেষণ আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্ৰৰ বিপক্ষে থকা সমালোচনাবোৰ পৰীক্ষা কৰক।

গ) **ৰচনাধর্মী প্ৰশ্ন** (৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ পৃষ্ঠপোষক আৰু ৰক্ষক হিচাপে মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্ৰৰ ভূমিকা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ অধিকাৰ আৰু স্বাধীনতাৰ সুৰক্ষা তথা পৃষ্ঠপোষকতা কৰাত ৰাষ্ট্ৰসংঘৰ ভূমিকা আলোচনা কৰক।

****

অধ্যায় ৫ ঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি

৫.৪ অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্রগতিৰ খতিয়ান

৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আলোচনা কৰিব পাৰিব
- অথনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি বর্ণনা কৰিব পাৰিব।

৫.২ পৰিচয়

মানৱ অধিকাৰ সুৰক্ষা আৰু প্রসাৰৰ ক্ষেত্রত ৰাষ্ট্রসংঘই পালন কৰা ভূমিকা অতি গুৰুত্বপূর্ণ। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত যুদ্ধৰ ভয়াবহ ফলাফললৈ লক্ষ্য ৰাখি গোটেই বিশ্বতে মানৱ জাতিৰ অবিভাজ্য অধিকাৰবোৰ সুৰক্ষিত কৰিবলৈ ৰাষ্ট্রসংঘই সংকল্প গ্রহণ কৰে। ১৯৪৮ চনৰ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র হ'ল ৰাষ্ট্রসংঘই বিশ্ববাসীক দিয়া কিছুমান অধিকাৰৰ সমষ্টি। মানৱ জাতিৰ অধিকাৰ ৰক্ষণাবেক্ষনৰ বাবে ইয়াৰ পিছত পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি দুখন সম্পাদন কৰা হয়। এই অধ্যায়টিত আমি চুক্তি দুখনৰ বিষয়ে বিষদভাৱে আলোচনা কৰিম।

৫.৩ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি

- **ঐতিহাসিক পটভূমি ঃ**

দ্বিতীয় বিশ্বযুদ্ধৰ অন্তত পৃথিৱীক আন এখন বিশ্বযুদ্ধৰ ভয়াবহতাৰ পৰা ৰক্ষা কৰিবলৈ ৰাষ্ট্রসংঘৰ জৰিয়তে বিশ্বৰ ৰাষ্ট্রসমূহে সংকল্প গ্রহণ কৰে। সমগ্র মানৱ জাতিৰ মানৱ অধিকাৰ

সুৰক্ষা আৰু প্রসাৰৰ বাবে বিশ্ব সম্প্রদায়ে ৰাষ্ট্রসংঘৰ জৰিয়তে নিজৰ নিজৰ দায়িত্ব আৰু কর্তব্য পালনৰ হকে আগ্রহ প্রকাশ কৰে। ইয়াৰ লগতেই মানৱ অধিকাৰৰ প্রতি সন্মানৰ বিষয়টোৱে ৰাষ্ট্রসংঘৰ চনদত স্থান লাভ কৰে।

মানৱ অধিকাৰ সুৰক্ষা আৰু প্রসাৰৰ বাবে ৰাষ্ট্রসংঘৰ প্রচেষ্টাৰ এক অংশস্বৰূপে ১৯৪৫ চনত এখন মানৱ অধিকাৰ আয়োগ গঠন কৰা হয়। মানৱ অধিকাৰৰ এক আন্তর্জাতিক বিধেয়ক প্রস্তুত কৰাৰ দায়িত্ব এই আয়োগখনক অর্পণ কৰা হয়। এই মানৱ অধিকাৰ আয়োগ (Human Rights Commission) খনক ৰাষ্ট্রসংঘৰ এক প্রধান অংগ অর্থনৈতিক আৰু সামাজিক পৰিষদ (Economic and Social Council) ৰ এক সহায়ক সংস্থা হিচাপে গঢ়ি তোলা হয়।

২ বছৰ ৬ মাহজোৰা বিৰামহীন প্রচেষ্টাৰ অন্তত এলেণো�ৰ ৰুছভেল্টৰ সভাপতিত্বত এই আয়োগখনে মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ এক খচৰা প্রস্তুত কৰি তোলে (**উৎস** ঃ — আছিন, আদিল উল আৰু উপাধ্যায় অর্চনা (২০০৬); মানৱ অধিকাৰ; আকাংশা পাব্লিছিং হাউচ, নতুন দিল্লী)। উক্ত খচৰাখন ১৯৪৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে ৰাষ্ট্রসংঘৰ সাধাৰণ সভাত গৃহিত হয়। মানৱ অধিকাৰৰ বিষয়ত ৰাষ্ট্রসংঘই সম্পাদন কৰিবলগীয়া চুক্তি, সন্মিলন, ঘোষণা, পৰামর্শ ইত্যাদিৰ ক্ষেত্রত মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রখনে মুল ভেঁটি হিচাপে কাম কৰে। সার্বজনীন ঘোষণাপত্রখনত সন্নিবিষ্ট অধিকাৰবোৰ মূলত দুই প্রকাৰৰ — পৌৰ আৰু ৰাজনৈতিক অধিকাৰ আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ।

সার্বজনীন ঘোষণাপত্রৰ দ্বাৰা সুনিশ্চিত এই দুই প্রকাৰৰ অধিকাৰ — পৌৰ আৰু ৰাজনৈতিক অধিকাৰ আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহক মূল দুখন চুক্তিত বিভক্ত কৰি বর্ণনা কৰা হৈছে। চুক্তি দুখন হ'ল — পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র, পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু দুটা প্রট'ক'ল - এই তিনিটা মুল নথিক লৈ মানৱ অধিকাৰৰ আন্তর্জাতিক বিধেয়ক গঠিত হৈছে।

মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র হৈছে মানৱ অধিকাৰ সুৰক্ষাৰ উদ্দেশ্যৰ প্রথম অংশ। ঘোষণাপত্রখনৰ অন্য ব্যৱস্থাবোৰৰ বর্ণনাৰ বাবে প্রয়োজনীয় আন আন অংশবোৰ প্রস্তুত কৰোতে কেইবাবছৰো সময় লাগিছিল। ১৯৬৬ চনৰ ১৬ ডিচেম্বৰ তাৰিখে ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু লগতে এটা ঐচ্ছিক প্রট'ক'ল (Optional Protocol) গ্রহণ কৰে। এই ঐচ্ছিক প্রট'ক'লে বিশ্বৰ জনসাধাৰণক চুক্তিখনত সন্নিবিষ্ট অধিকাৰ ভংগৰ বিৰুদ্ধে গোচৰ তৰাৰ অধিকাৰ প্রদান কৰে। মৃত্যুদণ্ডৰ শাস্তি নোহোৱা কৰাৰ উদ্দেশ্য আগত ৰাখি ৰাষ্ট্রসংঘৰ সাধাৰণ সভাত ১৯৮৯ চনত দ্বিতীয়টো ঐচ্ছিক প্রট'ক'ল গ্রহণ কৰা হয়। চুক্তি স্বাক্ষৰকাৰী ৰাষ্ট্র সমূহৰ বাবে চুক্তিৰ ব্যৱস্থাৱলীসমূহ আইনীভাৱে প্রযোজ্য আৰু প্রতি ৫ বছৰৰ অন্তৰে অন্তৰে প্রতিবেদন প্রেৰণ কৰাটো এই ৰাষ্ট্রসমূহৰ কর্তব্য।

- **পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ মুল বিষয়সমূহ ঃ**

পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিখনে মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্ৰৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত পৌৰ আৰু ৰাজনৈতিক অধিকাৰবোৰ বর্ণনা কৰে। ইয়াত সন্নিবিষ্ট মুল অধিকাৰবোৰ হ'ল —

(ক) জীৱন, গোপনীয়তা আৰু সু বিচাৰৰ অধিকাৰ

(খ) ধর্মীয় স্বতন্ত্ৰতা

(গ) অত্যাচাৰৰ বিৰুদ্ধে স্বাধীনতা আৰু

(ঘ) আইনৰ চকুত সমতা।

চুক্তিখনৰ অনুচ্ছেদ ৪ অনুসৰি যিবোৰ অধিকাৰে ৰাষ্ট্ৰৰ প্ৰতি ভাবুকি সৃষ্টি কৰিব পাৰে সেইবোৰ জৰুৰী অৱস্থাৰ সময়ত ৰদ কৰিব পাৰি। কিন্তু এই ৰদকৰণ ভাষা, ধর্ম, বর্ণ, ৰং, লিংগ বা সামাজিক অৱস্থিতি ইত্যাদিৰ ভিত্তিত হ'ব নোৱাৰিব।

অনুচ্ছেদ ২৮ এ চুক্তি স্বাক্ষৰকাৰী ৰাষ্ট্ৰসমূহৰ দ্বাৰা মনোনীত আৰু নির্বাচিত ১৮জন সদস্যকলৈ এখন মানৱ অধিকাৰ কমিটি গঠনৰ ব্যৱস্থা কৰিছে। এই কমিটিখনে চুক্তিখনৰ বলবৎকৰণৰ দিশবোৰ চোৱা চিতা কৰে।

- **পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ বলবৎ আৰু পর্য্যবেক্ষণ পদ্ধতি ঃ**

পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিখনৰ বলবৎৰ দায়িত্ব ১৮ জন সদস্য বিশিষ্ট মানৱ অধিকাৰ কমিটিখনৰ হাতত ন্যষ্ট থাকে। এই কমিটিৰ সদস্যসকল উচ্চ নৈতিক গুণসম্পন্ন আৰু মানৱ অধিকাৰৰ বিষয়ত স্বীকৃতপ্ৰাপ্ত জ্ঞান থকা লোক। চুক্তি স্বাক্ষৰকাৰী ৰাষ্ট্ৰসমূহে চুক্তিখন বলবৎ কৰাৰ ১ বছৰৰ ভিতৰত ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানলৈ প্ৰতিবেদন পঠিয়াব লাগে, যিবোৰ মানৱ অধিকাৰ কমিটিৰ বিবেচনাৰ বাবে পঠোৱা হয়। কমিটিয়ে এই প্ৰতিবেদনবোৰ আৰু চুক্তি স্বাক্ষৰকাৰী ৰাষ্ট্ৰসমূহৰ মন্তব্যবোৰ অধ্যয়ন কৰে। ৰাষ্ট্ৰসমূহৰ পৰা পোৱা মন্তব্যবোৰ আৰু প্ৰতিবেদনবোৰ কমিটিয়ে অর্থনৈতিক আৰু সামাজিক পৰিষদলৈও পঠিয়াব পাৰে। মানৱ অধিকাৰ আয়োগে চুক্তিৰ ৪০ (১) (খ) নং অনুচ্ছেদ অনুসৰি ইয়াৰ ১৩ তম অধিবেশনত এক সিদ্ধান্ত গ্ৰহণ কৰে যাৰ দ্বাৰা সদস্য ৰাষ্ট্ৰসমূহে প্ৰতি ৫ বছৰৰ অন্তৰে অন্তৰে প্ৰতিবেদন দাখিল কৰাৰ ব্যৱস্থা কৰা হৈছে।

- **আন্তঃৰাষ্ট্ৰীয় যোগাযোগ ব্যৱস্থা ঃ**

এখন ৰাষ্ট্ৰৰ মানৱ অধিকাৰ ভংগৰ কার্য্যই গোটেই বিশ্বকে প্ৰভাৱান্বিত কৰে। কোনো ৰাষ্ট্ৰই মানৱ অধিকাৰ ভংগ কৰিলে তাৰ বিৰুদ্ধে আন কোনো ৰাষ্ট্ৰই মানৱ অধিকাৰ আয়োগৰ ওচৰত গোচৰ দিব পাৰে। এই ব্যৱস্থাটোক আন্তঃৰাষ্ট্ৰীয় যোগাযোগ ব্যৱস্থা বোলে। চুক্তিৰ কোনো এখন সদস্য ৰাষ্ট্ৰই যদি ভাবে যে আন কোনো এখন ৰাষ্ট্ৰই চুক্তিৰ ব্যৱস্থাসমূহ কার্য্যকৰী কৰা নাই, তেন্তে সেই ৰাষ্ট্ৰখনে এই বিষয়টো মানৱ অধিকাৰ কমিটিৰ দৃষ্টি গোচৰ কৰাব পাৰে। অৱশ্যে ৰাষ্ট্ৰখনে আন্তর্জাতিক আইনৰ গণ্ডিত গ্ৰহণ কৰা ঘৰুৱা উপশমকাৰী ব্যৱস্থাবোৰ পৰীক্ষা কৰাৰ পিছতহে কমিটিখনে উপৰোক্ত বিষয়টো গ্ৰহণ কৰে।

- **মীমাংসা পদ্ধতি ঃ**

মানৱ অধিকাৰ আয়োগলৈ পঠোৱা কোনো গোচৰৰ ৰায়দানত যদি গোচৰ তৰা ৰাষ্ট্রখন সন্তুষ্ট নহয় তেন্তে মানৱ অধিকাৰ কমিটিয়ে ইয়াৰ মীমাংসাৰ বাবে ব্যৱস্থা গ্রহণ কৰিব পাৰে। সংশ্লিষ্ট বিষয়ৰ উপযুক্ত এক সমাধানৰ বাবে মানৱ অধিকাৰ কমিটিয়ে সদস্য ৰাষ্ট্রৰ পূর্ব অনুমতি লৈ এখন অস্থায়ী মীমাংসাকাৰী আয়োগ গঠন কৰিব পাৰে।

- **ব্যক্তিগত যোগাযোগ ব্যৱস্থা ঃ**

পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিত সন্নিবিষ্ট কোনো অধিকাৰ ৰাষ্ট্রৰ দ্বাৰা ভংগ হ'লে তেনে কার্য্যৰ বিৰুদ্ধে ব্যক্তিগতভাৱে মানৱ অধিকাৰ কমিটিৰ ওচৰত আবেদন কৰাৰ অধিকাৰো জনসাধাৰণক দিয়া হৈছে। যদিও চুক্তিখনত এই অধিকাৰৰ বিষয়ে কোনো উল্লেখ নাই, চুক্তিখনলৈ কৰা ঐচ্ছিক প্রট'ক'লত ইয়াক সন্নিবিষ্ট কৰা হৈছে। কিন্তু বাস্তবক্ষেত্রত দেখা গৈছে যে চুক্তিৰ সদস্য ৰাষ্ট্রসমূহে ব্যক্তিগত যোগাযোগ ব্যৱস্থাটো এতিয়াও সঠিকৰূপত ব্যৱহাৰ কৰা নাই। তাৰোপৰি মানৱ অধিকাৰ কমিটিয়েও ব্যক্তিগত যোগাযোগ ব্যৱস্থাতকৈ ৰাষ্ট্রসমূহৰ প্রতিবেদনকহে বিশেষ গুৰুত্ব দিয়ে যাৰ ফলত ব্যক্তিগত যোগাযোগ ব্যৱস্থাটো সফল হ'ব পৰা নাই। ব্যক্তিগতভাৱে দাখিল কৰা বহুতো গোচৰ এতিয়াও কমিটিৰ ওচৰত অমীমাংসিত ভাৱে পৰি আছে। এই গোচৰসমূহ যথাসময়ত উপযুক্তভাৱে মীমাংসা কৰিব নোৱাৰিলে কমিটিয়ে ইয়াৰ ইপ্সিত উদ্দেশ্যত উপনীত হ'ব নোৱাৰিব।

- **যোগাযোগৰ পদ্ধতি ঃ**

যোগাযোগৰ পদ্ধতি সম্পর্কে ঐচ্ছিক প্রট'ক'লত উল্লেখ কৰা হৈছে। যেনে যোগাযোগসমূহ লিখিত মাধ্যমত হ'ব লাগিব, সকলোবোৰ ঘৰুৱা প্রতিকাৰমূলক ব্যৱস্থা ইতিমধ্যে গ্রহণ কৰা হ'ব লাগিব আৰু সংশ্লিষ্ট বিষয়টো আন্তঃৰাষ্ট্রীয় কোনো অনুসন্ধান ব্যৱস্থাৰ দ্বাৰা অনুসন্ধিত হ'ব নালাগিব। সংশ্লিষ্ট সদস্য ৰাষ্ট্রখনে বিষয়টো ৬ মাহৰ বিতংভাৱে লিখিত ৰূপত প্রতিকাৰ ব্যৱস্থা সহিতে কমিটিৰ ওচৰত দাখিল কৰিব লাগিব। ব্যক্তিয়ে আৰু সদস্য ৰাষ্ট্রসমূহে প্রদান কৰা লিখিত যোগাযোগসমূহৰ পৰিপ্রেক্ষিতত এই কমিটিখনে যোগাযোগসমূহ পৰীক্ষা কৰে।

- **মানৱ অধিকাৰ কমিটিৰ কর্মদক্ষতা ঃ**

ঐচ্ছিক প্রট'ক'লৰ আধাৰত মানৱ অধিকাৰ ভংগৰ গোচৰ তৰিব পৰা মানৱ অধিকাৰ কমিটিখন সেই একেখনেই কমিটি যিখন পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আর্ন্তজাতিক চুক্তিৰ ২৪ নং অনুচ্ছেদ অনুযায়ী ১৮ জন সদস্যলৈ গঠন কৰা হৈছে। উক্ত কমিটিখনৰ সদস্যপদ কেৱল সদস্য ৰাষ্ট্রসমূহৰ দ্বাৰা নির্বাচিত সদস্যসকলৰ মাজতেই সীমাবদ্ধ নহয়, কমিটিত আন ৰাষ্ট্রৰ সদস্যও থাকে যিসকলে নিজৰ নিজৰ দক্ষতা/ যোগ্যতা অনুসৰি কমিটিত সেৱা আগবঢ়ায়। এই লোকসকল উচ্চ নৈতিক গুণসম্পন্ন। গতিকে কমিটিৰ কর্মদক্ষতা সদস্য ৰাষ্ট্রসমূহে উলাই কৰিব নোৱাৰে। কমিটিলৈ গোচৰ সম্পর্কীয় যোগাযোগ কেৱল সদস্য ৰাষ্ট্রসমূহে কৰিব পাৰে। প্রট'ক'লটোৰ ১ নং অনুচ্ছেদত স্পষ্টভাৱে উল্লেখ আছে যে চুক্তিখনৰ সদস্য নোহোৱা কোনো ৰাষ্ট্রৰে যোগাযোগ ই গ্রহণ নকৰে।

- **মানৱ অধিকাৰ কমিটিৰ মতামত ঃ**

মানৱ অধিকাৰ কমিটিয়ে ইয়ালৈ পঠোৱা বিষয়সমূহ বিবেচনাৰ পিছত ইয়াৰ মতামত সংশ্লিষ্ট ৰাষ্ট্ৰ বা ব্যক্তিলৈ পঠাব লাগে। অৱশ্যে কমিটিয়ে অর্থনৈতিক আৰু সামাজিক পৰিষদৰ জৰিয়তে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভালৈ ইয়াৰ মতামত বা পৰামর্শহে প্রদান কৰিব পাৰে। কমিটিয়ে আনকি ই পঠোৱা মতামতৰ কার্য্যকৰীকৰণৰ দিশটোও চোৱাচিতা কৰিব নোৱাৰে। ১৯৮৩ চনত মানৱ অধিকাৰ কমিটিয়ে ইয়াৰ প্রতিবেদনত উল্লেখ কৰিছে যে কমিটিৰ সিদ্ধান্তবোৰ কার্য্যকৰী কৰাৰ বাবে ইয়াৰ হাতত কোনো কার্য্যকৰী ক্ষমতা নাই। কমিটিৰ হাতত যিহেতু কার্য্যকৰী কোনো ক্ষমতা নাই আৰু ইয়াৰ মতামতসমূহ আইনগত ভাৱে বাধ্যতামূলক নহয় সেয়েহে কমিটিৰ প্রয়োজনীয়তা সম্পর্কে বহুতৰে মনত সততে প্রশ্নৰ উদয় হোৱা দেখা যায়।

অৱশ্যে কমিটিৰ প্রতিবেদনসমূহ পৰীক্ষা কৰি দেখা গৈছে যে ইয়াৰ এক নৈতিক মুল্য আছে। প্রত্যেক চৰকাৰে জনসাধাৰণৰ মাজত নিজৰ ছবি উন্নত আৰু নিখুটভাৱে ৰাখিবলৈ চেষ্টা কৰে, সেয়েহে জনসাধাৰণৰ মাজত নিজকে ভাল বুলি প্রতিষ্ঠা কৰাৰ স্বার্থতো মানৱ অধিকাৰ সম্পর্কীয় বিষয়বোৰত চৰকাৰে গুৰুত্ব দিয়া দেখা যায়। তাৰোপৰি এই কমিটিৰ মুল উদ্দেশ্য হ'ল ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহৰ লগত এক গঠনমূলক কথাবার্তাৰ পৰিবেশ বিকশিত কৰা আৰু ৰাষ্ট্ৰসমূহক চুক্তিখনৰ ব্যৱস্থাবোৰ মানি চলিবলৈ সন্মত কৰোৱা।

- **পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ ঐচ্ছিক প্রট'ক'ল ঃ**

পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিখনৰ দুটা ঐচ্ছিক প্রট'ক'ল আছে। ১৯৬৬ চনৰ ডিচেম্বৰ মাহত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ এক ঐচ্ছিক প্রট'ক'ল গ্রহণ কৰা হয়। প্রট'ক'লটোৱে জনসাধাৰণক চুক্তি খনত উল্লেখিত অধিকাৰ ভংগৰ বিৰুদ্ধে ব্যক্তিগত পর্য্যায়ত গোচৰ তৰাৰ অধিকাৰ প্রদান কৰিছে। পুনৰ ১৯৮৯ চনৰ ডিচেম্বৰত দ্বিতীয়টো ঐচ্ছিক প্রট'ক'ল গ্রহণ কৰা হয়, যিটোৰ মূল উদ্দেশ্য আছিল মৃত্যুদণ্ডৰ ৰায়দান বন্ধ কৰা। মৃত্যুদণ্ডৰ ৰায়দান বন্ধ কৰা কার্য্যই মানুহৰ মর্যাদা আৰু মানৱ অধিকাৰৰ ক্ষেত্রত প্রগতিশীল উন্নয়নৰ সুচক হ'ব বুলি বিশ্বাস পোষণ কৰি এই প্রট'ক'লটো গ্রহণ কৰা হৈছিল।

- **পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ তাৎপর্য্য ঃ**

পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিখন যথেষ্ট তাৎপর্যপূর্ণ। ইয়াৰ তাৎপর্য্যক স্বীকাৰ কৰিয়ে ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰত চুক্তিখনৰ ভালেমান ব্যৱস্থাৱলী সন্নিবিষ্ট কৰা হৈছে। যেনে চুক্তিখনৰ ৮ (৩) নং অনুচ্ছেদত সন্নিবিষ্ট 'বলপূর্বক শ্রম দানৰ বিৰুদ্ধে অধিকাৰ' ভাৰতীয় সংবিধানৰ ২৩ নং অনুচ্ছেদত সন্নিবিষ্ট কৰা হৈছে। চুক্তিৰ ১৪ (১) নং অনুচ্ছেদত উল্লেখিত 'আইনৰ চকুত সমান' নীতিক ভাৰতীয় সংবিধানৰ ১৪ নং অনুচ্ছেদত সন্নিবিষ্ট কৰা হৈছে। ঠিক সেইদৰে চুক্তিখনত উল্লেখিত মতামত প্রকাশৰ অধিকাৰ, অভিযুক্ত হোৱাৰ পৰা সুৰক্ষা, ৰাষ্ট্ৰৰ চাৰিসীমাৰ ভিতৰত স্বাধীনভাবে চলা ফুৰা কৰাৰ অধিকাৰ, বিবেক আৰু ধর্মৰ স্বতন্ত্রতা ইত্যাদি ভাৰতীয় সংবিধানত স্পষ্টভাবে সন্নিবিষ্ট কৰা হৈছে।

পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিপত্ৰৰ দিশত মানৱ অধিকাৰ কমিটিখন অতি গুৰুত্বপূর্ণ। এই কমিটিখন হ'ল এক স্বাধীন কমিটি, ৰাষ্ট্ৰসংঘৰ সচিবালয়ৰ দ্বাৰা কার্যপ্রণালী সম্পন্ন হয় যদিও ই ৰাষ্ট্ৰসংঘৰ এক অংগ নহয়। মানৱ অধিকাৰ আইনৰ সুনিশ্চিত কৰণ, শক্তিশালীকৰণ আৰু উন্নয়নৰ গুৰু দায়িত্ব এই কমিটিখনৰ ওপৰত অর্পণ কৰা হৈছে। কমিটিখনৰ সু-পৰিচালনাৰ বাবে সেয়েহে ইয়াৰ সদস্য ৰাষ্ট্ৰসমূহৰ সহায় সহযোগিতা অতীৱ প্রয়োজন। পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিখনৰ বিকাশ আৰু মানৱ অধিকাৰৰ সুৰক্ষা আৰু প্রসাৰৰ ক্ষেত্ৰত এই কমিটিখনে সফলপূর্বক ইয়াৰ কার্য সম্পাদন কৰিব বুলি আশা পোষণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ কোন চনত পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিখন গ্রহণ কৰা হৈছিল ?

.....

.....

প্রশ্ন ২ঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিখনত সন্নিবিষ্ট যিকোনো দুটা অধিকাৰ উল্লেখ কৰক।

.....

.....

প্রশ্ন ৩ ঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিখনৰ ক্ষেত্ৰত ব্যক্তিগত যোগাযোগ ব্যৱস্থা সম্পর্কে চমুকৈ লিখক।

.....

.....

.....

.....

.....

৫.৪ অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি

ৰাষ্ট্ৰসংঘই সম্পাদন কৰিবলগীয়া বিভিন্ন চুক্তি, সন্মিলন আৰু ঘোষণাৰ বাবে মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রই মুল ভেঁটি গঠন কৰি দিয়ে। সার্বজনীন ঘোষণাপত্রত সন্নিবিষ্ট বিভিন্ন অধিকাৰবোৰক মুল দুটা ভাগত বিভক্ত কৰিব পাৰি। প্রথম ভাগতো হ'ল পৌৰ আৰু ৰাজনৈতিক অধিকাৰ, যেনে - ব্যক্তিৰ জীৱন, স্বতন্ত্রতা আৰু সুৰক্ষাৰ অধিকাৰ, দাসত্ব আৰু অত্যাচাৰৰ পৰা মুক্তি, আইনৰ চকুত সমান, স্বেচ্ছাচাৰী গ্রেপ্তাৰ, আতক, আৰু নির্বাসনৰ বিৰুদ্ধে সুৰক্ষা, সুবিচাৰৰ অধিকাৰ ইত্যাদি। এই অধিকাৰবোৰ পৌৰ আৰু ৰাজনৈতিক প্রকৃতিৰ। দ্বিতীয় ভাগটো হ'ল অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ, যেনে - কর্মৰ অধিকাৰ, সমান কামৰ বাবে

সমান মজুৰি, বাণিজ্য সংঘ স্থাপন আৰু যোগদানৰ অধিকাৰ, মুক্তভাৱে সাংস্কৃতিক জীৱনত অংশগ্রহণ কৰাৰ অধিকাৰ ইত্যাদি। এই অধিকাৰবোৰে ব্যক্তিৰ অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

- **অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ মুল বিষয়সমূহ ঃ**

চুক্তিখনত সন্নিবিষ্ট মুল কিছুমান অধিকাৰ হ'ল —

(ক) কামৰ ন্যায়সংগত আৰু অনুকূল পৰিবেশ লাভৰ অধিকাৰ।

(খ) সামাজিক সুৰক্ষা, জীৱন নির্বাহৰ উপযুক্ত মান আৰু শাৰীৰিক তথা মানসিক স্বাস্থ্যৰ সর্ব্বোচ্চ উন্নতি লাভৰ অধিকাৰ।

(গ) শিক্ষা, সাংস্কৃতিক স্বতন্ত্রতাৰ লাভসমূহ উপভোগ, বৈজ্ঞানিক উন্নয়ন ইত্যাদিৰ অধিকাৰ।

চুক্তিখনে এই অধিকাৰসমূহ কোনো ধৰণৰ বৈষম্য নৰখাকৈ আগবঢ়াইছে আৰু এইবোৰক ভংগ কৰিব পৰা নাযায়।

- **অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ বলবৎকৰণ আৰু পর্য্যবেক্ষণ পদ্ধতি ঃ**

এই চুক্তিখনে মানৱ অধিকাৰৰ উন্নয়নক প্রত্যক্ষভাৱে চৰকাৰী নীতিৰ সৈতে সংযোগ কৰি অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশৰ উন্নতি সাধনৰ বাবে আন্তর্জাতিক চুক্তি সম্পাদনৰ ক্ষেত্রত এক নতুন ধাৰাৰ প্রৱর্তন কৰিছে। ই কৌশলগত দিশৰ ক্ষেত্রতো সহযোগিতাৰ বাবে কার্য্যক্রমনিকা গ্রহণ কৰে। অর্থনৈতিক আৰু সামাজিক উন্নয়নমূলক কার্য্যসূচীসমূহৰ সুৰক্ষা আৰু মানৱ অধিকাৰ উপভোগৰ ক্ষেত্রত সুনিশ্চিতি প্রদান কৰাটো হৈছে অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিখনৰ এক মূল লক্ষ্য।

চুক্তিখনে ইয়াৰ ব্যৱস্থাৱলীসমূহ বলবৎ কৰণ আৰু পর্যবেক্ষণৰ ক্ষেত্রত কেৱল সদস্য ৰাষ্ট্রসমূহে প্রতিবেদন দাখিল কৰা ব্যৱস্থা ৰখা নাই, সদস্য ৰাষ্ট্রসমূহৰ উপৰিও ৰাষ্ট্রসংঘৰ বিশেষীকৃত কিছুমান সংস্থা যেনে— আন্তঃৰাষ্ট্রীয় শ্রমিক সংস্থা (International Labour Organisation), বিশ্ব স্বাস্থ্য সংস্থা (World Health Organisation), খাদ্য আৰু কৃষি সংস্থা (Food and Agriculture Organisation), ৰাষ্ট্রসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা (UNESCO) ইত্যাদিয়েও এই বিষয়ত নিজৰ নিজৰ প্রতিবেদন দাখিল কৰিব পাৰে। সদস্য ৰাষ্ট্রসমূহে অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহৰ ৰক্ষনাবেক্ষণ আৰু সেইবোৰ উপভোগৰ বাবে গ্রহণ কৰা ব্যৱস্থাৱলী সম্পর্কে ৰাষ্ট্রসংঘলৈ প্রেৰণ কৰা প্রতিবেদনসমূহ বিবেচনা কৰাৰ দায়িত্ব চুক্তিখনে অর্থনৈতিক আৰু সামাজিক পৰিষদৰ ওপৰত ন্যস্ত কৰিছে। প্রতিবেদন দাখিল কৰা বর্তমান পদ্ধতিটো অনুসৰি চুক্তিখনক স্বীকৃতি দিয়া বা ইয়াত যোগদান কৰাৰ কোনো ৰাষ্ট্রই যোগদানৰ ২ বছৰৰ ভিতৰত এক প্রাৰম্ভিক প্রতিবেদন আৰু তাৰ পিছত প্রতি ৫ বছৰৰ অন্তৰে অন্তৰে নিয়মীয়াকৈ প্রতিবেদন দাখিল কৰিব লাগে।

অর্থনৈতিক আৰু সামাজিক পৰিষদক সদস্য ৰাষ্ট্রসমূহৰ প্রতিবেদনবোৰ বিবেচনা কৰা কার্য্যত সহায় কৰিবলৈ ১৯৭৮ চন ১৫ জন সদস্য বিশিষ্ট এক চেচনেল ৰর্কিং গ্রুপ (Sessional Working Group) গঠন কৰা হয়। পৰিষদৰ সদস্য ৰাষ্ট্র সমূহৰ প্রতিনিধিসকল, যি ৰাষ্ট্রসমূহ চুক্তিখনৰো সদস্য, তেওঁলোকক লৈ এই গ্রুপটো গঠন কৰা হয়। ১৯৮২ চনত এই ৰর্কিং গ্রুপটোৱে অর্থনৈতিক আৰু সামাজিক পৰিষদৰ এজন সভাপতি নিযুক্তি দিয়ে আৰু এইদৰে গ্রুপটো চৰকাৰী মানৱ অধিকাৰ বিশেষজ্ঞৰ এক নির্বাচনী সংস্থা হৈ পৰে। ১৯৮৫ চনত এই গ্রুপটো মানৱ অধিকাৰ বিষয়ত বিশেষ জ্ঞান থকা ১৮ জন সদস্যক লৈ অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ কমিটি (Committee on Economic, Social and Cultural Right) লৈ ৰূপান্তৰিত হয়। কমিটিখনে সদস্য ৰাষ্ট্র আৰু ৰাষ্ট্রসংঘৰ বিশেষীকৃত সংস্থাসমূহৰ পোৱা প্রতিবেদনবোৰ অধ্যয়ন কৰি অর্থনৈতিক আৰু সামাজিক পৰিষদলৈ কিছুমান সাধাৰণ পৰামর্শ আগবঢ়াব পাৰে। এই কমিটিৰ প্রতিবেদনত সদস্য ৰাষ্ট্রসমূহৰ পৰা পোৱা তথ্য আৰু প্রতিবেদনবোৰ সংক্ষিপ্তসাৰে উল্লেখ কৰা হয়।

- **অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ কমিটিৰ তাৎপর্য্য ঃ**

অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ কমিটিখনে চুক্তিখন আৰু চুক্তিখনে লোৱা বিভিন্ন বিষয়বোৰৰ ওপৰত সাধাৰণ মতামত প্রকাশ কৰে। বিশ্বৰ বিভিন্ন অংশত সামাজিক, অর্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু আইনী দিশক লৈ এই মতামতসমূহ প্রকাশ কৰা হয়। চুক্তিখন বলবৎ কৰণত সদস্য ৰাষ্ট্রসমূহক সহায় কৰা আৰু ৰাষ্ট্রসমূহে পঠিওৱা প্রতিবেদনবোৰৰ ভুল-ত্রুটিসমূহ আঙুলিয়াই দি সেইবোৰৰ শুধৰণী আৰু উন্নত কৰাৰ বাবে পৰামর্শ আগবঢ়োৱাটো হৈছে ইয়াৰ মুল উদ্দেশ্য। কমিটিৰ মতামতসমূহ এনেভাৱে দিয়া হয় যাতে এইবোৰ সদস্য ৰাষ্ট্র , বিভিন্ন আন্তর্জাতিক সংস্থা আৰু ৰাষ্ট্রসংঘৰ বিশেষীকৃত সংস্থাসমূহে গ্রহণ কৰা কার্য্যাৱলীসমূহক অধিক গতি প্রদান কৰিব পাৰে, যাৰ দ্বাৰা অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰসমূহ উপভোগৰ বাট সুচল হৈ পৰে।

সদস্য ৰাষ্ট্রসমূহে প্রতিবেদন প্রস্তুত কৰাৰ সুযোগ গ্রহণ কৰি তেওঁলোকৰ বিভিন্ন জটিল বিষয় যেনে— শিশুৰ মৃত্যুৰ হাৰ হ্রাসকৰণ, শিশুক প্রতিষেধক চিটা দিয়া, জনসাধাৰণৰ বাবে প্রয়োজনীয় পৰিপুষ্টি যোগান ধৰা ইত্যাদি ক্ষেত্রত নিজৰ নিজৰ ৰাষ্ট্রীয় লক্ষ্যসমূহ নির্দ্ধাৰণ কৰি লোৱা উচিত। প্রতিবেদন দাখিলৰ ব্যৱস্থাটোৱে সদস্যৰাষ্ট্রসমূহে সন্মুখীন হোৱা বিভিন্ন সমস্যাবোৰৰ উপলব্ধি আৰু সেইবোৰৰ সমাধানৰ বাবে আন্তর্জাতিক সহায় সহযোগিতা লাভ কৰাৰ ক্ষেত্রতো ৰাষ্ট্রসমূহক যথেষ্ট সুবিধা দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ কোন চনত অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ কমিটি গঠন কৰা হৈছিল?

.....

প্রশ্ন ৫ ঃ অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিত উল্লিখিত যিকোনো দুটা অধিকাৰ উল্লেখ কৰক।

.....

.....

প্রশ্ন ৬ ঃ অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি সম্পর্কীয় সদস্য ৰাষ্ট্রসমূহে দাখিল কৰা প্রতিবেদনসমূহ বিবেচনা কৰাৰ দায়িত্ব ৰাষ্ট্রসংঘৰ কোনটো সংস্থাক প্রদান কৰা হৈছে?

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানৱ অধিকাৰ সুৰক্ষা তথা প্রসাৰৰ ক্ষেত্রত ৰাষ্ট্রসংঘৰ ভূমিকা অতি গুৰুত্বপূর্ণ। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত যুদ্ধৰ ফলাফলৰ কথা মনত ৰাখি গোটেই বিশ্বতে মানৱ জাতিৰ অবিভাজ্য অধিকাৰবোৰ সুৰক্ষিত কৰিবলৈ ৰাষ্ট্রসংঘই সংকল্প লয়। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র, পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু দুটা ঐচ্ছিক প্রট'ক'ল — এই তিনিটা মুল নথিক লৈ মানৱ অধিকাৰৰ আন্তর্জাতিক বিধেয়ক গথিত হৈছে।
- ১৯৬৬ চনৰ ১৬ ডিচেম্বৰ তাৰিখে ৰাষ্ট্রসংঘৰ সাধাৰণ সভাই পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি, অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি আৰু এটা ঐচ্ছিক প্রট'ক'ল গ্রহণ কৰে। ১৯৮৯ চনৰ ডিচেম্বৰ মাহত মৃত্যুদণ্ডৰ ৰায়দান বন্ধ কৰাৰ উদ্দেশ্যে সাধাৰণ সভাই দ্বিতীয়টো ঐচ্ছিক প্রট'ক'ল গ্রহণ কৰে। এই চুক্তিসমূহ চুক্তি স্বাক্ষৰকাৰী ৰাষ্ট্রবোৰৰ ক্ষেত্রত আইনীভাৱে প্রযোজ্য আৰু প্রতি ৫ বছৰৰ অন্তৰে অন্তৰে মানৱ অধিকাৰ কমিটিৰ ওচৰত প্রতিবেদন দাখিল কৰাটো তেওঁলোকৰ কর্তব্য।
- চুক্তিখন বলবৎকৰণ সম্পর্কীয় কাম-কাজবোৰ মানৱ অধিকাৰ কমিটিয়ে সম্পন্ন কৰে। চুক্তিত অন্তর্ভূক্ত হোৱাৰ এবছৰৰ ভিতৰত সদস্য সমূহে তেওঁলোকৰ প্রতিবেদন দাখিল কৰিব লাগে, যিবোৰ ৰাষ্ট্রসংঘৰ সচিব প্রধানে মানৱ অধিকাৰ কমিটিৰ বিবেচনাৰ বাবে পঠিয়াব পাৰে।
- আন্তঃৰাষ্ট্রীয় যোগাযোগ ব্যৱস্থা, মীমাংসা পদ্ধতি, ব্যক্তিগত যোগাযোগ ব্যৱস্থা আৰু যোগাযোগৰ পদ্ধতি এইবোৰক লৈ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ পর্য্যবেক্ষণ প্রণালী গঠিত হয়।
- সদস্য ৰাষ্ট্রসমূহে অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰবোৰৰ সুৰক্ষা আৰু সেইবোৰ উপভোগৰ বাবে গ্রহণ কৰা ব্যৱস্থাৱলী সম্পর্কে ৰাষ্ট্রসংঘলৈ প্রেৰণ কৰা প্রতিবেদনসমূহ বিবেচনা কৰাৰ দায়িত্ব অর্থনৈতিক আৰু সামাজিক পৰিষদৰ ওচৰত অর্পণ কৰা হৈছে। পৰিষদক এই কামত সহায় কৰিবলৈ ১৯৭৮ চনত ১৫ জন সদস্য বিশিষ্ট্য এক চেচনেল ৰকিং গ্রুপ গঠন কৰা হৈছিল যিখনক ১৯৮৫ চনত অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ কমিটিলৈ ৰূপান্তৰ কৰা হৈছে।



৫.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.
2) Dhiman, O.P. (2011). *Understanding Human Rights: An Overview*. Delhi: Kalpaz Publications.
3) Stephen, R.M. (2002). *Human Rights : Concepts and Perspectives*. New Delhi : Concept Publishing Company.
4) Syed, M.H. (2003). *Human Rights : The New Era*. New Delhi: Kilaso Books.
5) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi : Akansha Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) বৈশ্য ধনেশ্বৰ ২০০৫ ঃ *মানৱ অধিকাৰ*। গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল প্ৰকাশক।

৫.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৬৬ চন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ জীৱনৰ অধিকাৰ, ধৰ্মীয় স্বতন্ত্ৰতা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিত সন্নিবিষ্ট কোনো অধিকাৰ ৰাষ্ট্ৰৰ দ্বাৰা ভংগ হ'লে তেনে কার্য্যৰ বিৰুদ্ধে ব্যক্তিগতভাৱে মানৱ অধিকাৰ কমিটিৰ ওচৰত আবেদন কৰাৰ অধিকাৰো জনসাধাৰণক দিয়া হৈছে। যদিও চুক্তিখনত এই অধিকাৰৰ বিষয়ে কোনো উল্লেখ নাই, চুক্তিখনলৈ কৰা ঐচ্ছিক প্ৰট'ক'লত ইয়াক সন্নিবিষ্ট কৰা হৈছে। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গৈছে যে চুক্তিৰ সদস্য ৰাষ্ট্ৰসমূহে ব্যক্তিগত যোগাযোগ ব্যৱস্থাটো এতিয়াও সঠিকৰূপত ব্যৱহাৰ কৰা নাই। তাৰোপৰি মানৱ অধিকাৰ আয়োগও ব্যক্তিগত যোগাযোগ ব্যৱস্থাতকৈ ৰাষ্ট্ৰসমূহৰ প্ৰতিবেদনকহে বিশেষ গুৰুত্ব দিয়ে যাৰ ফলত ব্যক্তিগত যোগাযোগ ব্যৱস্থাটো সফল হ'ব পৰা নাই। ব্যক্তিগতভাৱে দাখিল কৰা বহুতো গোচৰ এতিয়াও কমিটিৰ ওচৰত অমীমাংসিতভাৱে পৰি আছে। এই গোচৰসমূহ যথাসময়ত উপযুক্তভাৱে মীমাংসা কৰিব নোৱাৰিলে কমিটিয়ে ইয়াৰ ইপ্সিত উদ্দেশ্যত উপনীত হ'ব নোৱাৰিব।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৯৮৫ চন।

৫ নং প্রশ্নৰ উত্তৰ ঃ কামৰ ন্যায়সংগত আৰু অনুকূল পৰিবেশ লাভৰ অধিকাৰ আৰু সামাজিক সুৰক্ষাৰ অধিকাৰ।

৬ নং প্রশ্নৰ উত্তৰ ঃ অর্থনৈতিক আৰু সামাজিক পৰিষদ।



৫.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ কোনকেইখন নথিক লৈ মানৱ অধিকাৰৰ আন্তর্জাতিক বিধেয়ক গঠিত হৈছে?

প্রশ্ন ২ ঃ কোন চনত অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তি গ্রহণ কৰা হৈছিল?

প্রশ্ন ৩ ঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ দ্বিতীয় ঐচ্ছিক প্রট'ক'লৰ লক্ষ্য কি আছিল?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিত সন্নিবিষ্ট অধিকাৰসমূহৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ২ ঃ অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিত সন্নিবিষ্ট অধিকাৰসমূহৰ বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৩ ঃ ৰাষ্ট্রসংঘই গ্রহণ কৰা আন্তর্জাতিক চুক্তিদুখনৰ ঐতিহাসিক পটভূমি ব্যাখ্যা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ বলবৎকৰণ আৰু পর্যবেক্ষণ পদ্ধতি আলোচনা কৰক।

প্রশ্ন ২ ঃ অর্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তর্জাতিক চুক্তিৰ বলবৎকৰণ আৰু পর্যবেক্ষণ পদ্ধতি বর্ণনা কৰক।

****

অধ্যায় ৬ ঃ ভাৰতত মানৱ অধিকাৰ আন্দোলনৰ বিকাশ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ প্ৰাচীন ভাৰতত মানৱ অধিকাৰৰ ধাৰণা

৬.৪ প্ৰাক্ মোগল যুগৰ ভাৰতত মানৱ অধিকাৰ

৬.৫ ইংৰাজ শাসন কালত ভাৰতত মানৱ অধিকাৰ

৬.৬ সংবিধান সভা আৰু মানৱ অধিকাৰ

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্ৰগতিৰ খতিয়ান

৬.১০ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰাচীন ভাৰতত মানৱ অধিকাৰৰ স্থিতি ব্যাখ্যা কৰিব পাৰিব
- মোগল যুগৰ ভাৰতত মানৱ অধিকাৰৰ পৰিস্থিতি বৰ্ণনা কৰিব পাৰিব
- ইংৰাজ শাসন কালত ভাৰতত মানৱ অধিকাৰ আন্দোলনৰ বিষয়ে আলোচনা কৰিব পাৰিব আৰু সংবিধান সভাৰ ভূমিকা বৰ্ণনা কৰিব পাৰিব।

৬.২ পৰিচয়

বিশ্বৰ আটাইতকৈ বিশাল গণতান্ত্ৰিক দেশসমূহৰ মাজৰ এখন ভাৰতবৰ্ষই মানৱ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত দায়বদ্ধ। ৰাষ্ট্ৰসংঘই ১৯৪৮ চনত গ্ৰহণ কৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰক মানৱ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসমূহৰ মাজত বৈধতাৰ মাপকাঠি হিচাপে গণ্য কৰা হয়। ৰাষ্ট্ৰসংঘৰ দায়বদ্ধ সদস্য দেশ হিচাপে ভাৰতবৰ্ষই সকলো মানৱ অধিকাৰ ৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰিছে। ভাৰতৰ সংবিধান প্ৰণেতাসকলে সংবিধানত মানৱ অধিকাৰ ৰক্ষাৰ বাবে বিভিন্ন ব্যৱস্থা সন্নিবিষ্ট কৰিছে। নিশ্চিতভাৱে আমি ক'ব পাৰো যে ভাৰতবৰ্ষই প্ৰাচীন কালৰ পৰাই মানৱ অধিকাৰ ৰক্ষাৰ বা সু�ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে। এই অধ্যায়টিত আমি ভাৰতবৰ্ষত মানৱ অধিকাৰ আন্দোলনৰ বিষয়ে আলোচনা কৰিম।

৬.৩ প্ৰাচীন ভাৰতত মানৱ অধিকাৰ ধাৰণা

যদিও মানৱ অধিকাৰ শব্দটো নতুন; মানৱ অধিকাৰ ধাৰণাটো মানৱ সভ্যতাৰ সমানে পুৰণি। মানৱ অধিকাৰৰ ধাৰণাটো আগতে "প্ৰাকৃতিক অধিকাৰ" আৰু "মানুহৰ অধিকাৰ" বুলি জনা গৈছিল। " প্ৰাকৃতিক অধিকাৰ" বা "মানুহৰ অধিকাৰ"বোৰক বিংশ শতিকাত "মানৱ অধিকাৰ" বুলি ৰূপ দিয়া হয়। মানুহৰ অধিকাৰ শব্দটো মানৱ সভ্যতাৰ এক গুৰুত্বপূৰ্ণ চিন্তাৰ বিষয় আছিল ।

বৈদিক যুগত ধৰ্ম আছিল মানুহৰ অধিকাৰ ৰক্ষাৰ এক নেদেখা অস্ত্ৰ। মহান ৰোমান আইনজ্ঞ ছিচিৰোৱে ২০০-৩০০ খ্ৰীষ্টপূৰ্বত ৰোমান চিন্তাধাৰা অধ্যয়নৰ বিকাশ কৰিছিল। ইয়াৰ ভিত্তিতে আমি বৰ্তমান সাধাৰণ মানৱ অধিকাৰসমূহ গ্ৰহণ কৰো। বহুতো তত্ত্বগধুৰ প্ৰাচীন গ্ৰন্থই বিভিন্ন ধৰণৰ মানৱ অধিকাৰ আগবঢ়াইছে যদিও সেইবোৰ নিৰ্দিষ্টকৈ মানৱ অধিকাৰ হিচাপে নামাংকিত কৰা নাই। ভাৰতবৰ্ষৰ অতি চহকী পৰম্পৰাগত ৰীতি নীতি আৰু সংস্কৃতিত মানৱ অধিকাৰ দৰ্শনে স্থান দখল কৰি আছে। ভাৰতবৰ্ষৰ সভ্যতা সংস্কৃতিত বহু প্ৰাচীন কালৰ পৰাই মানৱ অধিকাৰৰ ধাৰণাই স্থান দখল কৰি আহিছে যিটো শব্দ পশ্চিমীয়া সভ্যতাত নতুনকৈ উদ্ভাৱন কৰা হৈছে।

প্ৰাচীন ভাৰতবৰ্ষ তত্ত্বগধুৰ চিন্তাৰ অতি চহকী। ৫০০০ বছৰ আগতে প্ৰাচীন ভাৰতীয় দাৰ্শনিক আৰু চিন্তাবিদসকলে বহুতো তত্ত্ব গধুৰ উচ্চ নৈতিক আইন আৰু নীতিবাচক আইন সমূহত সাৰ্বজনীন বৈধতা যেনে— ধৰ্ম (সত্যতা), অৰ্থ (সম্পত্তি), কৰ্ম (কাম) আৰু মোক্ষ (নিৰ্বান)ৰ গুৰুত্ব এখন শৃংখলাবদ্ধ আৰু ভাৰসাম্য সমাজ প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত স্বীকাৰ কৰিছে । প্ৰাচীন ভাৰতত বহুতো আইনজ্ঞ দাৰ্শনিকে সাৰ্বজনীন, যুক্তিবাদী আৰু নৈতিকতাবাদী আছিল যিসকলৰ আইনৰ তত্ত্ব উচ্চ নৈতিকতা আৰু আদৰ্শ, উদাহৰণস্বৰূপে — ধৰ্মৰ আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত আছিল। প্ৰাচীন কালত ব্যক্তিৰ জীৱনৰ কৰ্মৰাজী ধৰ্মৰ নীতিৰ জৰিয়তে পৰিচালিত হৈছিল। বৈদিক যুগৰ পৰা মানুহে ধৰ্মৰ দ্বাৰা পৰিচালিত হৈ সত্যৰ প্ৰতি আগ্ৰহী হৈ পৰিছিল।

এইটো নিশ্চিতভাৱে ক'ব পাৰি যে প্ৰাচীন কালত ভাৰতীয়সকল মানৱ অধিকাৰ ধাৰণাৰ পৰা বিপৰীত বা অজ্ঞ নাছিল। সমাজ আৰু মানুহে ধৰ্মক কেন্দ্ৰ কৰি উন্নয়ন সাধন কৰিবলৈ সক্ষম হৈছিল য'ত ধৰ্ম আছিল সাৰ্বজনীন বৈধতাৰ আৰ্হি।

৬.৪ প্ৰাক মোগল যুগৰ ভাৰতত মানৱ অধিকাৰ

ষোল্লশ শতিকাত (১৫২৬ খ্ৰীষ্টাব্দত) বাবৰে মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল আৰু ওঠৰশ শতিকালৈ ভাৰতবৰ্ষৰ প্ৰায় সংখ্যক অঞ্চল শাসন কৰিবলৈ সক্ষম হৈছিল। মোগল শাসন কালত বিশেষকৈ আকবৰ ৰাজত্ব কালত ভাৰতবৰ্ষত মানৱ অধিকাৰৰ এক নতুন যুগৰ আৰম্ভণি

হৈছিল "সার্বজনীন সমিলমিল আৰু সহনশীলতা" নীতি ৰ সৈতে। আকবৰৰ প্রধান উদ্দেশ্য আছিল প্রজাৰ সর্বাংগীণ কল্যাণ সাধন কৰা। মোগলৰ শাসন কালত ইউৰোপৰ ভ্রমণকাৰীয়ে আকবৰৰ অধিকাৰ আৰু ন্যায় নীতিক উচ্চ প্রশংসা কৰিছিল। তেওঁৰ ন্যায় ভালপোৱা সংস্কৃতিটো তেওঁৰ পুত্র জাহাংগিৰেও অনুসৰণ কৰিছিল। আকবৰৰ শাসনৰ গতিধাৰা ঔৰংজেৰে সলনি কৰিছিল, যদিও মাৰাঠাসকল আৰু শিখসকলে ঔৰংজেৱৰ ধর্মীয় গোড়ামিৰ বিৰোধীতা আৰু আন্দোলন কৰিছিল। সেই সময়ত ন্যায় আৰু সমতাৰ নীতিৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাছিল। সেইবাবে মানৱ অধিকাৰৰ চিন্তাধাৰা অ-মুছলমান ভাৰতীয় সকলৰ মনলৈ আহিবলৈ লৈছিল। ই ভাৰতবর্ষৰ ভক্তি আন্দোলনৰ উত্থানৰ এক কাৰণ হিচাপে পৰিগণিত হৈছিল। এই আন্দোলনে ভাৰতবর্ষত মূল্যবোধ, সততা, সত্যতা, ন্যায় আৰু নৈতিকতাৰ পুনৰ উত্থান ঘটাবলৈ সক্ষম হৈছিল। বহুতো মহান ভাৰতীয় চিন্তাবিদে বৈদিক ধর্মৰ পুনৰ উত্থান কৰিছিল বৈদিক মূল্যবোধৰ প্রধান্যতা প্রতিষ্ঠা কৰিবলৈ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ বৈদিক যুগৰ সার্বজনীন মূল্যবোধ বৈধতাৰ চমু আভাস দিয়ক।

.....

.....

প্রশ্ন ২ ঃ মানুহৰ মর্য্যাদা আৰু কল্যাণ সাধনৰ ক্ষেত্রত আকবৰৰ নীতি উল্লেখ কৰক।

.....

.....

.....

৬.৫ ইংৰাজ শাসন কালত ভাৰতত মানৱ অধিকাৰ

ইংৰাজ শাসন কালত শোষণ আৰু দমনমূলক নীতিয়ে ভাৰতীয় সকলৰ মানৱ অধিকাৰ ভংগ কৰিছিল। সাম্রাজ্যবাদী শাসন কালত মৌলিক স্বাধীনতাৰ সংকটময় অৱস্থাৰ সৃষ্টি হৈছিল। এইবোৰে ভাৰতীয়সকলক অধিকাৰ সমূহৰ সুৰক্ষাৰ বাবে গভীৰভাবে চিন্তা কৰিবলৈ বাধ্য কৰাইছিল। ভাৰতীয় নেতাসকলৰ লগে লগে সাধাৰণ ভাৰতীয়সকলেও পশ্চিমীয়া ব্যক্তিগত অধিকাৰ আৰু হিন্দু সংস্কৃতিৰ ভাল তত্ত্বসমূহ একলগ কৰিব বিচাৰিছিল। ব্রহ্ম সমাজৰ প্রতিষ্ঠাতা ৰাজাৰাম মোহন ৰায়ে সকলোৰে মাজত জাতি, লিংগ নির্বিশেষে সমতা প্রতিষ্ঠাৰ বাবে চেষ্টা কৰিছিল। ৰামকৃষ্ণ আন্দোলনৰ গুৰিধৰোতা স্বামী বিবেকানন্দই বেদান্ত দর্শনৰ জৰিয়তে সকলোৰে মাজত সমান অধিকাৰ আৰু সুবিধাৰ সমর্থন কৰিছিল। সুপ্রসিদ্ধ কৰি ৰবীন্দ্রনাথ ঠাকুৰো ভাৰতবর্ষত মানৱ অধিকাৰ আন্দোলনৰ অন্যতম ব্যক্তি।

এইটো সচাঁ যে ভাৰতবর্ষত মানৱ অধিকাৰৰ আধুনিক অধ্যয়ন আৰু বিকাশ ইংৰাজ শাসন কালতেই হৈছিল । ইংৰাজ শাসন কালত মানৱ অধিকাৰৰ ৰীতি-নীতি আৰু গণতন্ত্ৰ সকলো ধ্বংস হৈছিল য'ত মানুহৰ নিত্য প্ৰয়োজনীয় সমূহৰ বিষয়ে কোৱাৰ কোনো গণতান্ত্ৰিক অধিকাৰ নাছিল। ইংৰাজ শাসনে ভাৰতীয়সকলক উচ্চ পদবী আৰু ৰাজনৈতিক, সামাজিক আৰু অর্থনৈতিক অধিকাৰসমূহৰ পৰা বঞ্চিত কৰিছিল। ন্যায়ালয়ৰ ৰীতি-নীতিসমূহ বৈষম্যমূলক আছিল, ন্যায়াধিশ সকলো ভাৰতীয়সকলৰ প্ৰতি অ-পক্ষপাতি নাছিল। ইংৰাজ শাসন কালত বিদেশী শাসনৰ প্ৰতি কৰা বিৰোধিতত ভাৰতীয়সকলৰ বাবে পৌৰ আৰু ৰাজনৈতিক অধিকাৰৰ দাবীসমূহ প্ৰতিফলিত হৈছিল। সাম্ৰাজ্যবাদী দমনমূলক শাসন ব্যৱস্থাই ভাৰতীয় সকলক পৌৰ স্বতন্ত্ৰতা আৰু সাংবিধানিক মৌলিক অধিকাৰৰ নিশ্চয়তা দাবী কৰিবলৈ বাধ্য কৰাইছিল।

১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ গঠনে ভাৰতবর্ষত স্বাধীনতা আন্দোলন আৰু ভাৰতীয় সকলৰ অধিকাৰৰ দাবীক অধিক তৰান্বিত কৰিছিল। ভাৰতীয়সকলৰ মৌলিক অধিকাৰৰ দাবীয়ে "সাংবিধানিক বিধেয়ক, ১৮৯৫"ত, যিখন "হোমৰুল খতপত্ৰ" বুলি জনা গৈছিল, স্থান লাভ কৰিছিল । এই বিধেয়কখনে বাক স্বাধীনতা, গোপনীয়তাৰ অধিকাৰ, ভোটদানৰ অধিকাৰ ইত্যাদিৰ দাবী তুলিছিল। এই সকলোবোৰৰ মাজত মাত্ৰ জাতি, ধর্ম, বর্ণ নির্বিশেষে চৰকাৰী সেৱা আগবঢ়োৱাৰ সমান অধিকাৰ প্ৰদান কৰা অধিকাৰটো মৌলিক অধিকাৰ হিচাপে ভাৰত চৰকাৰ আইন,১৯১৫ এ গ্ৰাহ্য কৰিছিল। যদিও এই বিধেয়কখনৰ সকলো প্ৰস্তাৱ গ্ৰাহ্য কৰা নহ'ল, তথাপিও এই বিধেয়কখনক ভাৰতীয় জাতীয় কংগ্ৰেছৰ এক সাহসিক পদক্ষেপ হিচাপে গণ্য কৰা হয় । এইবোৰৰ ওপৰিও ভাৰতীয় জাতীয় কংগ্ৰেছে ১৯১৭ আৰু ১৯১৯ চনৰ মাজত কিছুমান গুৰুত্বপূর্ণ সংকল্প গ্ৰহণ কৰিছিল য'ত পুনৰ ভাৰতীয়সকলৰ বাবে পৌৰ অধিকাৰ আৰু সমতাৰ অধিকাৰ ইংৰাজৰ ওচৰত দাবী কৰিছিল। ব'ম্বেত ১৯১৮ চনত অনুস্থিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিশেষ অধিবেশনে এখন ঘোষণাপত্ৰ গ্ৰহণ কৰে য'ত নতুন সংবিধানত অধিকাৰসমূহ সংযোজন কৰিবলৈ দাবী দাঙি ধৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছে ১৯২৫ চনত কানপুৰ অধিবেশনত পৌৰ, ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ, যেনে— বাক স্বাধীনতা, ভাৱ প্ৰকাশ আৰু সংগঠিত হোৱাৰ স্বাধীনতা, বিনামূলীয়া প্ৰাথমিক শিক্ষা, বিবেক বুদ্ধি আৰু ধমর্ৰ স্বাধীনতা, লিংগৰ সমতা ইত্যাদি দাবী দাঙি ধৰিছিল। ১৯২৭ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ মাদ্ৰাজ অধিবেশনে মৌলিক অধিকাৰসমূহ ভবিষ্যতৰ সংবিধানত সংযোগ কৰিবলৈ দাবী জনাইছিল। ১৯২৮ চনত নেহেৰু কমিটিয়ে মতিলাল নেহৰুৰ নেতৃত্বত স্পষ্টকৈ জনাই দিছিল যে ভাৰতবর্ষৰ মানুহৰ মৌলিক অধিকাৰ ৰক্ষা কৰাটো প্ৰথম চিন্তাৰ বিষয়। পিছত স্বাধীন ভাৰতৰ সংবিধানত মতিলাল নেহৰু প্ৰতিবেদনে আগবঢ়োৱা ১৯ টা মৌলিক অধিকাৰৰ পৰা দহটা মৌলিক অধিকাৰ গ্ৰহণ কৰা হৈছিল। ১৯৩১ চনত কৰাছী অধিবেশনত ভাৰতীয় জাতীয় কংগ্ৰেছে " মৌলিক অধিকাৰ আৰু কর্তব্য আৰু অর্থনৈতিক আৰু সামাজিক পৰিবর্তন"

ৰ সর্বাংগীন ব্যাপক প্রস্তাৱ গ্রহণ কৰিছিল। ১৯৪৫ চনত ছাৰ তেজ বাহাদুৰ চাপ্রু কমিটিয়েও প্রতিবেদন দাখিল কৰি মৌলিক অধিকাৰ সমূহ নিশ্চিতভাৱে ভাৰতীয় সংবিধানত সংযোগ কৰিবলৈ আহ্বান জনাইছিল।



জানি থোৱা ভাল

মতিলাল নেহৰু কমিটিয়ে আগবঢ়োৱা অধিকাৰবোৰ আছিল —

(১) ব্যক্তিগত স্বতন্ত্রতা, বাসস্থানৰ পবিত্রতা আৰু সম্পত্তিৰ অধিকাৰ।

(২) বিবেকৰ স্বাধীনতা আৰু নৈতিকতা আৰু ৰাজহুৱা শৃংখলাৰ পৰিপ্রেক্ষিতত বৃত্তি আৰু ধর্মীয় স্বতন্ত্রতা ।

(৩) শান্তিপূর্ণভাৱে সংগঠিত হোৱা আৰু ভাৱ প্রকাশ আৰু নৈতিকতা আৰু ৰাজহুৱা শৃংখলাৰ পৰিপ্রেক্ষিতত নিৰস্ত্রভাৱে সংগঠিত হোৱাৰ অধিকাৰ।

(৪) জাতি, ধর্ম, বর্ণ নির্বিশেষে ৰাষ্ট্র পৰিচালিত বিনামূলীয়া প্রাথমিক শিক্ষাৰ অধিকাৰ।

(৫) সকলো নাগৰিকৰ বাবে আইনৰ চকুত সমতাৰ আৰু পৌৰ অধিকাৰৰ সমতা প্রতিষ্ঠা কৰা।

(৬) সকলো নাগৰিকৰ বাবে আজ্ঞালেখ আৰু বন্দী প্রত্যক্ষীকৰণৰ অধিকাৰ।

(৭) আইনৰ শাসনৰ সুৰক্ষা আৰু সন্মান।

(৮) ধর্ম, জাতি, ভাষা, বর্ণ ইত্যাদিৰ ভিত্তিত থকা বৈষম্য দূৰ কৰা।

(৯) ৰাজহুৱা সম্পত্তিৰ ব্যৱহাৰৰ সমান অধিকাৰ।

(১০) বনুৱা আৰু অর্থনৈতিক ক্ষেত্রত নীতি চর্ত কার্যকৰী কৰা, সংগঠন কৰা, সংযোজন কৰাৰ স্বাধীনতা।

(১১) নীতিমূলকভাৱে সুৰক্ষাৰ বাবে অস্ত্র ৰখা অধিকাৰ।

(১২) নাগৰিক হিচাপে পুৰুষ আৰু মহিলাৰ সমান অধিকাৰ।

৬.৬ সংবিধান সভা আৰু মানৱ অধিকাৰ

ভাৰতীয় সকলৰ সংগ্রাম সফল হ'ল আৰু ১৯৪৬ চনত ইংৰাজ চৰকাৰে ঘোষণা কৰিছিল যে ভাৰতবর্ষই স্বাধীনতা পাব। সেই অনুসৰি সংবিধান ৰচনাৰ কাম আৰম্ভ হৈছিল। ১৯৪৬ চনত কেবিনেট মিছন আচঁনিৰ আধাৰত সংবিধান সভাৰ নির্বাচন অনুষ্ঠিত কৰা হৈছিল। সর্বমুঠ ৩৮৯ জন সদস্য নির্বাচিত হৈছিল, ইয়াৰে ২৯২ জন সদস্যই ৰাজ্যক প্রতিনিধিত্ব কৰিছিল আৰু ৯৩ জনে ৰাজকীয় ৰাজ্যক আৰু চাৰিজনে মুখ্য আয়ুক্ত প্রদেশক প্রতিনিধিত্ব কৰিছিল। সংবিধান সভা প্রথম মিলিত হৈছিল ১৯৪৬ চনৰ ডিচেম্বৰত। ভাৰতবর্ষৰ দুটা ভাগত ভাগ কৰা হৈছিল— ভাৰত আৰু পাকিস্তান আৰু ইয়ে সংবিধান সভাৰ সদস্যৰ সংখ্যা ২৯৯ জনলৈ হ্রাস কৰিছিল।

সংবিধান সভাই সংবিধান ৰচনা কৰিবলৈ ২২ খন সমিতি গঠন কৰি দিছিল। ৮ খন মুখ্য সমিতি আৰু অন্য কেইখন গৌণ সমিতি। সেইবোৰৰ মাজত বল্লভভাই পেটেলৰ নেতৃত্বত মৌলিক অধিকাৰৰ উপদেষ্টা সমিতি, সংখ্যালঘু আৰু জনজাতি আৰু বর্হিভূত এলেকা সমিতি আছিল। মৌলিক অধিকাৰ বিষয়ৰ লগত জড়িত উপ-সমিতিসমূহ আছিল- জে.বি.কৃপালানি নেতৃত্বাধীন মৌলিক অধিকাৰৰ উপ-সমিতি; হৰেন্দ্র কুমাৰ মুখার্জী নেতৃত্বাধীন সংখ্যালঘৰু উপ সমিতি ইত্যাদি। মৌলিক অধিকাৰ উপদেষ্টা সমিতিয়ে আয়াৰলেণ্ড আৰু আমেৰিকাৰ সংবিধানৰ আধাৰত মৌলিক অধিকাৰ সংযোজন কৰাৰ প্রয়াস কৰিছিল। তেওঁলোকে ন্যায়িক বিচাৰযোগ্য আৰু ন্যায়িক অবিচাৰযোগ্য অধিকাৰৰ বিষয়ে আলোচনা কৰিছিল। সমিতিখনৰ প্রধান উদ্দেশ্য আছিল দেশৰ স্বার্থৰ পৰিপ্রেক্ষিতত ব্যক্তিক স্বাধীনতা প্রদান কৰা।

সংবিধান ৰচনাকর্তাসকলে অধিকাৰ আৰু অন্যান্য সম্পর্কীয় বিষয় সভাৰ আলোচনাৰ মাজেৰে গ্রহণ কৰিছিল। জাতিৰ পিতা গান্ধীৰ চিন্তাধাৰাৰ প্রভাৰ সংবিধান ৰচনাকর্তাসকলৰ ওপৰত পৰিছিল। সংবিধান ৰচনাকর্তাসকলে সাধাৰণ জনগণক ন্যায়সংগত বিচাৰ কৰিব বুলি নিশ্চয়তা প্রদান কৰিছিল। তেওঁলোকে সংবিধানক মাত্র চৰকাৰ পৰিচালনাৰ যন্ত্র হিচাপে প্রস্তুত নকৰি সামাজিক পৰিবর্তনৰ অস্ত্র হিচাপে ৰচনা কৰিছিল। মানৱ অধিকাৰ বিষয়টো সংবিধান সভাত আলোচনাৰ কেন্দ্র হৈ পৰিছিল। মানৱ অধিকাৰ আলোচনাৰ মুখ্য উৎসবোৰ আছিল- ১৬৮৮ চনৰ অধিকাৰৰ বিধেয়ক, ১৭৭৬ চনৰ আমেৰিকাৰ স্বাধীনতাৰ ঘোষণাপত্র , ১৭৮৯ চনৰ ফ্রান্সৰ স্বাধীনতা ঘোষণা পত্র , ১৯৪৮ চনৰ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র ইত্যাদি। সংবিধান সভাৰ এক দীঘলীয়া আলোচনাৰ অন্তত আনুষ্ঠানিকভাৱে মৌলিক অধিকাৰ ভাৰতীয় সংবিধানত সংযোজন কৰা হয়। সংবিধান সভাই ভাৰতীয় সকলক ন্যায় — সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক, সমতা আৰু আইনৰ সমান অধিকাৰ, চিন্তাৰ স্বাধীনতা, ভাৱ প্রকাশৰ স্বাধীনতা, বিশ্বাস, আস্থা, উপাসনা, পেচা, সংগঠিত হোৱাৰ স্বাধীনতা, আৰু পিছপৰা আৰু সংখ্যালঘু আৰু জনজাতি এলেকা আৰু অৱহেলিত আৰু অন্যান্য শ্রেণীসমূহক সুৰক্ষা প্রদান কৰাৰ নিশ্চয়তা প্রদান কৰে। সংবিধান ৰচনাকর্তাসকলে সংবিধানখনক ভাৰতীয়ৰ ত্রাণকর্তা আৰু সকলোৰে সাধাৰণ মানৱ অধিকাৰ সুৰক্ষাৰ কবচ হিচাপে গঢ় দিব চেষ্টা কৰিছিল । সংবিধানৰ তৃতীয় অংশত ন্যায়িক বিচাৰযোগ্য মৌলিক অধিকাৰসমূহ সংযোগ কৰা হৈছে। আকৌ, সংবিধানৰ চতুর্থ অংশত কিছুমান অধিকাৰ সন্নিবিষ্ট কৰা হৈছে যিবোৰ ন্যায়িক বিচাৰযোগ্য নহয়।

জানুৱাৰী ১৯৫০ চনত ভাৰতবর্ষৰ সংবিধান গ্রহণৰ ঘোষণা ভাৰতীয় ইতিহাসৰ জলচ্ছেদ বুলিব পাৰি। ভাৰতবর্ষৰ সংবিধানৰ প্রস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি সকলোবোৰে ভাৰতীয়সকলৰ মানৱ অধিকাৰক সুৰক্ষা প্রদান কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ ঃ ব্রহ্ম সমাজৰ প্রতিষ্ঠাতা কোন আছিল?

.....

প্রশ্ন ৪ ঃ "হোমৰুল খতপত্র" ৰ অন্তর্গত দুটা অধিকাৰ উল্লেখ কৰক।

.....

প্রশ্ন ৫ ঃ ভাৰতীয় জাতীয় কংগ্রেছে কোন চনত সর্বগ্রহণযোগ্য "মৌলিক অধিকাৰ আৰু কর্তব্য আৰু অর্থনৈতিক আৰু সামাজিক পৰিবর্তন" প্রস্তাৱ গ্রহণ কৰিছিল?

.....

প্রশ্ন ৬ ঃ মৌলিক অধিকাৰ, সংখ্যালঘু আৰু জনজাতি আৰু অৱহেলিত এলেকাৰ উপদেষ্টা সমিতিৰ সভাপতি কোন আছিল?

.....

প্রশ্ন ৭ ঃ ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি সংবিধানৰ ..... অংশত সংযোগ কৰা হৈছে। (খালী ঠাই পূৰণ কৰক)

.....



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যদিও মানৱ অধিকাৰ শব্দটো নতুন; মানৱ অধিকাৰ ধাৰণাটো মানৱ সভ্যতাৰ সমানে পুৰণি। মানৱ অধিকাৰৰ ধাৰণাটো আগতে "প্রাকৃতিক অধিকাৰ" আৰু "মানুহৰ অধিকাৰ" বুলি জনা গৈছিল। " প্রাকৃতিক অধিকাৰ" বা "মানুহৰ অধিকাৰ"বোৰক বিংশ শতিকাত "মানৱ অধিকাৰ" বুলি ৰূপ দিয়া হয়। মানুহৰ অধিকাৰ শব্দটো মানৱ সভ্যতাৰ এক গুৰুত্বপূর্ণ চিন্তাৰ বিষয় আছিল ।
- প্রাচীন ভাৰতবর্ষ তত্ত্বগধুৰ চিন্তাৰ অতি চহকী। ৫০০০ বছৰ আগতে প্রাচীন ভাৰতীয় দার্শনিক আৰু চিন্তাবিদসকলে বহুতো তত্ত্ব গধুৰ উচ্চ নৈতিক আইন আৰু নীতিবাচক আইন সমূহত সার্বজনীন বৈধতা, যেনে— ধর্ম (সত্যতা), অর্থ (সম্পত্তি), কর্ম (কাম) আৰু মোক্ষ (নির্বান)ৰ গুৰুত্ব এখন শৃংখলাবদ্ধ আৰু ভাৰসাম্য সমাজ প্রতিষ্ঠা কৰাৰ স্বার্থত স্বীকাৰ কৰিছে ।
- প্রাচীন ভাৰতত বহুতো আইনজ্ঞ দার্শনিকে সার্বজনীন, যুক্তিবাদী আৰু নৈতিকতাবাদী আছিল - যিসকলৰ আইনৰ তত্ত্ব উচ্চ নৈতিকতা আৰু আদর্শ, উদাহৰণস্বৰূপে — ধর্মৰ আদর্শৰ ওপৰত প্রতিষ্ঠিত আছিল। প্রাচীন কালত ব্যক্তিৰ জীৱনৰ কর্মৰাজী ধর্মৰ নীতিৰ জৰিয়তে

পৰিচালিত হৈছিল। বৈদিক যুগৰ পৰা মানুহে ধর্মৰ দ্বাৰা পৰিচালিত হৈ সত্যৰ প্রতি আগ্রহী হৈ পৰিছিল।

- মোগল শাসন কালত বিশেষকৈ আকবৰ ৰাজত্ব কালত ভাৰতবর্ষত মানৱ অধিকাৰৰ এক নতুন যুগৰ আৰম্ভণি হৈছিল "সার্বজনীন সমিলমিল আৰু সহনশীলতা" নীতি ৰ সৈতে। আকবৰৰ প্রধান উদ্দেশ্য আছিল প্রজাৰ সর্বাংগীণ কল্যাণ সাধন কৰা। তেওঁৰ ন্যায় ভালপোৱা সংস্কৃতিটো তেওঁৰ পুত্র জাহাংগিৰেও অনুসৰণ কৰিছিল।
- আকবৰৰ শাসনৰ গতিধাৰা ঔৰংজেৱে সলনি কৰিছিল । সেই সময়ত ন্যায় আৰু সমতাৰ নীতিৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাছিল।
- সেইবাবে মানৱ অধিকাৰৰ চিন্তাধাৰা অ-মুছলমান ভাৰতীয় সকলৰ মনলৈ আহিবলৈ লৈছিল। ই ভাৰতবর্ষৰ ভক্তি আন্দোলনৰ উত্থানৰ এক কাৰণ হিচাপে পৰিগণিত হৈছিল। এই আন্দোলনে ভাৰতবর্ষত মূল্যবোধ, সততা, সত্যতা, ন্যায় আৰু নৈতিকতাৰ পুনৰ উত্থান ঘটাবলৈ সক্ষম হৈছিল। বহুতো মহান ভাৰতীয় চিন্তাবিদে বৈদিক ধর্মৰ পুনৰ উত্থান কৰিছিল বৈদিক মূল্যবোধৰ প্রধান্যতা প্রতিষ্ঠা কৰিবলৈ।
- ইংৰাজ শাসন কালত শোষণ আৰু দমনমূলক নীতিয়ে ভাৰতীয়সকলৰ মানৱ অধিকাৰ ভংগ কৰিছিল। সাম্রাজ্যবাদী শাসন কালত মৌলিক স্বাধীনতাৰ সংকটময় অৱস্থাৰ সৃষ্টি হৈছিল। এইবোৰে ভাৰতীয়সকলক অধিকাৰ সমূহৰ সুৰক্ষাৰ বাবে গভীৰভাবে চিন্তা কৰিবলৈ বাধ্য কৰাইছিল।
- ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্রেছৰ গঠনে ভাৰতবর্ষত স্বাধীনতা আন্দোলন আৰু ভাৰতীয় সকলৰ অধিকাৰৰ দাবীক অধিক তৰান্বিত কৰিছিল। ভাৰতবর্ষৰ মানৱ অধিকাৰ আন্দোলনত জাতীয় কংগ্রেছৰ ভূমিকা অতি গুৰুত্বপূর্ণ হৈছিল। ভাৰতীয় জাতীয় কংগ্রেছে বিভিন্ন অধিবেশন, প্রস্তাৱনা আৰু সমিতিৰ জৰিয়তে ভাৰতীয়সকলৰ অধিকাৰ আৰু স্বাধীনতাৰ দাবীৰ বাবে মাত মাতিছিল।
- সংবিধান সভা গঠনৰ লগে লগে সংবিধান ৰচনাৰ কাম আৰম্ভ হৈছিল। সংবিধান সভাই ভাৰতীয়সকলৰ বাবে অধিকাৰ আৰু স্বাধীনতা ভাৰতীয় সংবিধানত সংযোজন কৰাত গুৰুত্ব প্রদান কৰিছিল।
- মানৱ অধিকাৰ বিষয়টো সংবিধান সভাত আলোচনাৰ কেন্দ্র হৈ পৰিছিল। মানৱ অধিকাৰ আলোচনাৰ মুখ্য উৎসবোৰ আছিল ১৬৮৮ চনৰ অধিকাৰৰ বিধেয়ক, ১৭৭৬ চনৰ আমেৰিকাৰ স্বাধীনতাৰ ঘোষণাপত্র, ১৭৮৯ চনৰ ফ্রান্সৰ স্বাধীনতা ঘোষণা পত্র, ১৯৪৮ চনৰ মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্র ইত্যাদি। সংবিধান সভাৰ এক দীঘলীয়া আলোচনাৰ অন্তত আনুষ্ঠানিকভাৱে মৌলিক অধিকাৰ ভাৰতীয় সংবিধানত সংযোজন কৰা হয়।

- সংবিধান সভাই ভাৰতীয় সকলক ন্যায় — সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক, সমতা আৰু আইনৰ সমান অধিকাৰ, চিন্তাৰ স্বাধীনতা, ভাৱ প্রকাশৰ স্বাধীনতা, বিশ্বাস, আস্থা, উপাসনা, পেচা, সংগঠিত হোৱাৰ স্বাধীনতা, আৰু পিছপৰা আৰু সংখ্যালঘু আৰু জনজাতি এলেকা আৰু অৱহেলিত আৰু অন্যান্য শ্রেণীসমূহৰ সুৰক্ষা প্রদান কৰাৰ নিশ্চয়তা প্রদান কৰে। ভাৰতবর্ষৰ সংবিধানৰ প্রস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি সকলোবোৰে ভাৰতীয়সকলৰ মানৱ অধিকাৰক সুৰক্ষা প্রদান কৰে।



৬.৮ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights*. Allahabad : Central Law Publications.

2) Anuradha, K.P. (2010). *Human Rights Issues in India.* New Delhi: Adhyan Publishers and Distributors.

3) Basu, D. D. (2012). *Introduction to the Constitution of India.*

4) Gupta, D.C. (2010). *Indian Government and Politics.* New Delhi: Vikas Publishing House Pvt. Ltd.

5) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights*. New Delhi: Akansha Publishing House.

৬.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বৈদিক যুগত ভাৰতীয় দার্শনিক আৰু চিন্তাবিদসকলে বহুতো তত্ত্ব গধুৰ উচ্চ নৈতিক আইন আৰু নীতিবাচক আইন সমূহত সার্বজনীন বৈধতা যেনে ধর্ম (সত্যতা), অর্থ (সম্পত্তি), কর্ম (কাম) আৰু মোক্ষ (নির্বান)ৰ গুৰুত্ব এখন শৃংখলাবদ্ধ আৰু ভাৰসাম্য সমাজ প্রতিষ্ঠা কৰাৰ স্বার্থত স্বীকাৰ কৰিছে ।

২ নং প্রশ্নৰ উত্তৰ ঃ "সার্বজনীন সমিলমিল আৰু সহনশীলতা" নীতি ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাজা ৰাম মোহন ৰায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ বাক স্বাধীনতা আৰু গোপনীয়তাৰ অধিকাৰ।

৫ নং প্রশ্নৰ উত্তৰ ঃ ১৯৩১ চনত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বল্লৱভাই পেটেল।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ চতুৰ্থ ।



৬.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ মৌলিক অধিকাৰ উপ সমিতিৰ সভাপতি কোন আছিল?

প্ৰশ্ন ২ ঃ হোমৰুল খতপত্ৰৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ নেহৰু প্ৰতিবেদনৰ অন্তৰ্গত যিকোনো চাৰিটা অধিকাৰ উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰাচীন ভাৰতবৰ্ষৰ মানৱ অধিকাৰৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ মোগল যুগৰ মানৱ অধিকাৰ পৰিস্থিতিৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ ভাৰতৰ মানৱ অধিকাৰ আন্দোলনত সংবিধান সভাৰ ভূমিকা ব্যাখ্যা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ ভাৰতৰ মানৱ অধিকাৰ আন্দোলনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভূমিকা আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ঔপনিৱেশিক কালত ভাৰতৰ মানৱ অধিকাৰ আন্দোলনৰ বিভিন্ন পৰ্যায়সমূহ বৰ্ণনা কৰক।

****

অধ্যায় ৭ ঃ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক আৰু ন্যায়িক সংৰচনা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক আৰু ন্যায়িক সুবিধা সৃষ্টিৰ আঁৰৰ ঐতিহাসিক কাৰণ

৭.৪ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক সংৰচনা

৭.৪.১ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা

৭.৪.২ ভাৰতীয় সংবিধানৰ অন্তৰ্ভুক্ত মৌলিক অধিকাৰসমূহ

৭.৪.৩ ভাৰতীয় সংবিধানৰ অন্তৰ্ভুক্ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ

৭.৪.৪ ভাৰতীয় সংবিধানৰ অন্তৰ্ভুক্ত মৌলিক কৰ্তব্যসমূহ

৭.৫ ভাৰতত মানৱ অধিকাৰৰ ন্যায়িক সংৰচনা

৭.৫.১ মানৱ অধিকাৰ সু�ৰক্ষা আইন, ১৯৯৩

৭.৫.২ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ (National Human Rights Commission)

৭.৫.৩ ৰাজ্যিক মানৱ অধিকাৰ আয়োগ

৭.৫.৪ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগ, ২০০৪

৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৭ অধিক জানিবলৈ

৭.৮ অগ্ৰগতিৰ খতিয়ান

৭.৯ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় সংবিধানত মানৱ অধিকাৰ ৰক্ষাৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰাৰ আঁৰত থকা ঐতিহাসিক পটভূমি বৰ্ণনা কৰিব পাৰিব
- ভাৰতীয় জনসাধাৰণৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা উপভোগৰ সুবিধা বৃদ্ধি কৰাৰ বাবে সংবিধানত কোনবোৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে সেয়া ব্যাখ্যা কৰিব পাৰিব

- ভাৰতীয় জনসাধাৰণৰ মানৱ অধিকাৰ ৰক্ষাৰ বাৱে থকা আইনসমূহ বৰ্ণনা কৰিব পাৰিব
- ভাৰতীয় জনসাধাৰণৰ মানৱ অধিকাৰ ৰক্ষা কৰাত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ (NHRC), ৰাজ্যিক মানৱ অধিকাৰ আয়োগ আৰু অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ ভূমিকা পৰীক্ষা কৰিব পাৰিব।

৭.২ পৰিচয়

সমাজত মর্যাদা সহকাৰে সুসভ্য জীৱন একোটা যাপন কৰিবলৈ প্ৰতিগৰাকী ব্যক্তিৰে কিছুমান মানৱ অধিকাৰ থাকে। এই অধিকাৰসমূহ ব্যক্তিৰ মৌলিক প্ৰয়োজনীয়তাৰ অংশ। ভাৰতীয় সংবিধানৰ ৰচয়িতাসকলে এই কথা উপলব্ধি কৰি দেশৰ সংবিধানত মানৱ অধিকাৰৰ সৈতে জড়িত ব্যৱস্থা আৰু সা-সুবিধা অর্ন্তভুক্ত কৰাত জোৰ দিছিল। ভাৰতীয় সংবিধানত বিষয়টোৰ পৃষ্ঠপোষকতা কৰা ব্যৱস্থাৰ অর্ন্তভুক্তিকৰণে দেশৰ নাগৰিকৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ প্ৰতি থকা দেশৰ সন্মানৰ কথাটোকে প্ৰমাণ কৰে। সংবিধানৰ উপৰি ভাৰতীয় সংসদেও দেশৰ জনগণৰ অধিকাৰৰ পৃষ্ঠপোষকতা কৰিবলৈ বহুতো ন্যায়িক সা-সুবিধাৰ সৃষ্টি কৰিছে।

৭.৩ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক আৰু ন্যায়িক সুবিধা সৃষ্টিৰ আঁৰৰ ঐতিহাসিক কাৰণ

ভাৰতত ঔপনিবেশিক শাসনকালত আৰম্ভ হোৱা স্বাধীনতা আন্দোলনৰ কালছোৱাতে মানুহৰ নিজ অধিকাৰ আৰু স্বতন্ত্ৰতাৰ প্ৰতি সজাগতাই এক বৈপ্লৱিক ৰূপ গ্ৰহণ কৰিছিল। এই কালছোৱাত ভাৰতীয়সকলে দেশক বিদেশী শাসনৰ পৰা মুক্ত কৰাৰ মুখ্য দাবীৰ লগতে নিজ নিজ অধিকাৰ সুৰক্ষিত কৰাৰ দাবীও আন্দোলনৰ সৈতে সংযুক্ত কৰিছিল। ভাৰতীয়সকলে মৌলিক স্বাধীনতা তথা পৌৰ আৰু ৰাজনৈতিক অধিকাৰ লাভৰ দাবীৰ জৰিয়তে বিদেশী শাসনৰ প্ৰতি বিৰোধিতা প্ৰদর্শন কৰিছিল। (য়াছিন আৰু উপাধ্যায়, ২০০৪; ৫৯)। দেশৰ জনগণৰ অধিকাৰ আৰু স্বতন্ত্ৰতাৰ বাবে পোনপ্ৰথমবাৰৰ বাবে সাংগঠনিক দাবী উত্থাপন কৰা হৈছিল— ১৮৯৫ চনৰ ভাৰতীয় সংবিধান বিধেয়কৰ জৰিয়তে (এই বিধেয়কখনক Home Rule Document বুলিও জনা যায়)। বিধেয়কখনত ভাৰতীয় জনগণৰ মত প্ৰকাশৰ স্বাধীনতা আৰু আইনৰ দৃষ্টিত সমতা —এই দুটা বিষয়ৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ইয়াৰ পিছত ১৯২৫ চনৰ ভাৰতীয় কমনৱেলথ বিধেয়ক, ১৯২৮ চনৰ নেহৰু প্ৰতিবেদন, ১৯৩১ চনৰ কংগ্ৰেছৰ কৰাচী অধিৱেশন, ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন, ১৯৪৫ চনৰ তেজ বাহাদুৰ চাপ্ৰু কমিটিৰ পৰামর্শ আদি সকলোতে লিখিত ভাৰতীয় সংবিধানত নাগৰিকৰ মৌলিক অধিকাৰ আৰু স্বতন্ত্ৰতাৰ কথা অর্ন্তভুক্ত কৰাৰ বিষয়ত জোৰ দিয়া হৈছিল। স্বাধীনতা আন্দোলনৰ সময়ছোৱাত চলা এই সকলোবোৰ প্ৰচেষ্টাৰ ফলত সংবিধান সভাই ভাৰতীয় নাগৰিকৰ বাবে সংবিধানত অধিকাৰ আৰু স্বাধীনতা বিষয়ক কিছুমান ব্যৱস্থা অর্ন্তভুক্ত কৰাৰ সিদ্ধান্ত লৈছিল।

সেই সিদ্ধান্তৰ ফলশ্রুতিতে ভাৰতীয় সংবিধানৰ প্রস্তাৱনা, মৌলিক অধিকাৰ আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ শিতানত নাগৰিকৰ মৌলিক অধিকাৰ তথা মৌলিক স্বাধীনতাসমূহ সন্নিৱিষ্ট কৰিছে। সংবিধানৰ লগতে ভাৰতৰ সংসদেও দেশৰ নাগৰিকৰ মানৱ অধিকাৰৰ পৃষ্ঠপোষকতা কৰাত তথা সেইবোৰক সুৰক্ষা প্রদান কৰাত নিজৰ দায়বদ্ধতা প্রকাশ কৰিছে। সেইমর্মে সংসদে বিভিন্ন আইন প্রণয়ন কৰাৰ লগতে বিধিসম্মত আয়োগ (statutory commissions) গঠন কৰিছে। চমুকৈ ক'বলৈ হ'লে ভাৰতত নাগৰিকক দুইধৰণে মানৱ অধিকাৰ সুৰক্ষা প্রদানৰ প্রয়াস কৰা হয়— সাংবিধানিকভাৱে আৰু ন্যায়িকভাৱে।

৭.৪ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক সংৰচনা

মানৱ অধিকাৰৰ সাংবিধানিক সুবিধা বুলিলে সেইবোৰ সুবিধাৰ কথা বুজোৱা হয় যিবোৰ সংবিধানত লিপিৱদ্ধ কৰা আছে। ভাৰতীয় সংবিধানৰ বিভিন্ন অনুচ্ছেদত মানৱ অধিকাৰ বিষয়ক বিভিন্ন ব্যৱস্থা বিস্তৃতৰূপত সন্নিৱিষ্ট আছে। ভাৰতীয় সংবিধানৰ প্রস্তাৱনা, তৃতীয় অধ্যায় (মৌলিক অধিকাৰ), চতুর্থ অধ্যায় (ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি), চতুর্থ অধ্যায় (ক) (মৌলিক কর্তব্য) আৰু অনুচ্ছেদ ২২৬, ৩০০ ক, ৩২৫ তথা ৩২৬-ত মানৱ অধিকাৰৰ বিভিন্ন নীতি-নিয়ম সন্নিৱিষ্ট আছে। (অর্জুন দেৱ, এটে. এল. (এড) ১৯৯৬ * হিউমেন ৰাইটচ্ ঃ এ ছোৰ্চ বুক, নিউ দিল্লী, এন. চি. ই. আৰ. টি.)

৭.৪.১ ভাৰতীয় সংবিধানৰ প্রস্তাৱনা

ভাৰতীয় সংবিধানৰ প্রস্তাৱনাটো হ'ল ভাৰতৰ সকলো নাগৰিকৰে অধিকাৰ আৰু স্বতন্ত্রতা ৰক্ষা কৰিবলৈ দেশে বান্ধি লোৱা লক্ষ্যৰ আনুষ্ঠানিক ঘোষণা। ভাৰতীয় সংবিধানৰ প্রস্তাৱনাই এই কথা দাবী কৰে যে ভাৰতীয় সংবিধানৰ উদ্দেশ্য হ'ল এনে এখন ৰাষ্ট্র নির্মাণ কৰা য'ত সকলোৰে বাবে ন্যায় (সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক), স্বাধীনতা, সমতা আৰু ভ্রাতৃত্ববোধ নিশ্চিতভাৱে প্রতিষ্ঠা কৰিব পৰা যায়। অর্থাৎ, প্রস্তাৱনাটোৰ জৰিয়তে ভাৰতৰ জনগণৰ মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাৰ ভেঁটি নিকপকপীয়া কৰা হৈছে। এই পটভূমিতে কোৱা হয় যে ভাৰতীয় মানৱ অধিকাৰসমূহ সংবিধানৰ প্রস্তাৱনাৰ ফল বুলি গণ্য কৰিব পৰা যায়।

৭.৪.২ ভাৰতীয় সংবিধানৰ অর্ন্তগত মৌলিক অধিকাৰসমূহ

ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত মৌলিক অধিকাৰসমূহ সন্নিৱিষ্ট কৰা হৈছে। এই অধ্যায়টোত ভাৰতত মানৱ অধিকাৰৰ বিষয়টোৰ সৈতে জড়িত গুৰুত্বপূর্ণ সাংবিধানিক ব্যৱস্থাবোৰৰ উল্লেখ আছে। এই মৌলিক অধিকাৰসমূহ বলবৎসাধ্য অথবা ন্যায়িকভাৱে বিচাৰসাধ্য অধিকাৰ। অর্থাৎ, ভাৰতৰ নাগৰিকে আদালতত নিজৰ মৌলিক অধিকাৰ খর্ব হোৱাৰ গোচৰ তৰিব পাৰে আৰু ন্যায় লাভ কৰিব পাৰে। ভাৰতীয়

সংবিধানৰ ১৩নং অনুচ্ছেদ মতে কোনো আইনেই (law), লাগিলে সেয়া কোনো নির্দেশ, নীতি, নিয়ম, জাননী, অধ্যাদেশ, দেশাচাৰ অথবা সামাজিক প্রথাই নহওক কিয়, নাগৰিকৰ মৌলিক অধিকাৰ খর্ব কৰিব নোৱাৰিব। এই কথাই দেশখনৰ নাগৰিকৰ মৌলিক অধিকাৰসমূহক সুৰক্ষা প্রদান কৰিবলৈ থকা ভাৰতীয় সংবিধানৰ আগ্রহৰ কথাকে সূচায়। সংবিধানৰ তৃতীয় অধ্যায়ত থকা মানৱ অধিকাৰ বিষয়ক নীতি-নিয়ম, সা-সুবিধাবোৰৰ বিষয়ে তলত উল্লেখ কৰা হ'ল।

সংবিধানৰ অনুচ্ছেদ ১৪ৰ পৰা ১৮লৈ সমতাৰ অধিকাৰ সন্নিৱিষ্ট আছে। অনুচ্ছেদ ১৪-ই আইনৰ আগত সকলো নাগৰিকৰে সমতা লাভৰ অধিকাৰ আছে আৰু আইনে সকলোকে সমান সুৰক্ষা প্রদান কৰিব বুলি নিশ্চিত দিছে। অনুচ্ছেদ ১৫ত কোৱা হৈছে যে ৰাষ্ট্রই কোনো নাগৰিকৰ প্রতি ধর্ম, জাতি, সম্প্রদায়, লিংগ আৰু জন্মস্থানক ভিত্তি কৰি বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব। অনুচ্ছেদ ১৬ৰ জৰিয়তে এই নিশ্চিত প্রদান কৰা হৈছে যে ৰাষ্ট্রৰ সকলো নাগৰিকে ৰাজহুৱা নিয়োগৰ ক্ষেত্রত সমান সুযোগ লাভ কৰিব। অনুচ্ছেদ ১৭ আৰু ১৮ৰ জৰিয়তে ক্রমে অস্পৃশ্যতা আৰু উপাধিৰ বিলুপ্তিকৰণৰ কথা কোৱা হৈছে।

অনুচ্ছেদ ১৯ৰ পৰা ২২লৈ স্বাধীনতাৰ অধিকাৰ সন্নিৱিষ্ট কৰা হৈছে। অনুচ্ছেদ ১৯(১)-এ ভাৰতৰ নাগৰিকক ৬টা মৌলিক স্বাধীনতা প্রদান কৰিছে। এই স্বাধীনতাকেইটা হ'ল—

- ভাব প্রকাশৰ স্বাধীনতা
- নিৰস্ত্রভাৱে আৰু শান্তিপূর্বক সমবেত হোৱাৰ স্বাধীনতা
- সংস্থা আৰু সংগঠন খোলাৰ স্বাধীনতা
- ভাৰতৰ চা�ৰিসীমাৰ ভিতৰত মুকলিকৈ চলা-ফুৰা কৰাৰ স্বাধীনতা
- ভাৰতৰ যিকোনো ঠাইত বাস কৰা অথবা নিগাজীকৈ থকাৰ স্বাধীনতা
- যিকোনো বৃত্তি, অনুশীলন কৰা অথবা যিকোনো জীৱিকা অর্জনৰ পথ গ্রহণ কৰা, ব্যৱসায়-বাণিজ্য আদি কৰাৰ স্বাধীনতা।

অনুচ্ছেদ ১৯(১)-ৰ আন এক অভিন্ন অংশ হ'ল তথ্য জনাৰ অধিকাৰ যেনে— ভাব প্রকাশৰ স্বাধীনতা। অনুচ্ছেদ ২০(২)-ৰ মতে এজন অভিযুক্তক একেটা অভিযোগত এবাৰতকৈ অধিক দোষী সাব্যস্ত তথা শাস্তি প্রদান কৰিব পৰা নাযায়। অনুচ্ছেদ ২১-এ দেশৰ প্রতিগৰাকী নাগৰিক আৰু অনা-নাগৰিকৰে জীৱন আৰু ব্যক্তিগত স্বাধীনতাক সুৰক্ষা প্রদান কৰাৰ নিশ্চিতি দিছে। অনুচ্ছেদ ২১ক-ই দেশৰ ৬ৰ পৰা ১৪ বছৰীয়া সকলো শিশু-কিশোৰক শিক্ষাৰ অধিকাৰ প্রদান কৰিছে। অনুচ্ছেদ ২২-এ যিকোনো ধৰণৰ স্বেচ্ছাচাৰী গ্রেপ্তাৰ আৰু হাজোতত ৰখা কার্যৰ বিৰুদ্ধে নাগৰিকক সুৰক্ষা প্রদান কৰিছে।

অনুচ্ছেদ ২৩ আৰু ২৪ত শোষণৰ বিৰুদ্ধে অধিকাৰ সন্নিৱিষ্ট কৰা হৈছে। অনুচ্ছেদ ২৩ত মানুহৰ সৰবৰাহ আৰু ভিক্ষাবৃত্তিত নিয়োজনৰ লগতে সকলোধৰণৰ

বলপূর্বক শ্রম আদায় কার্যৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অনুচ্ছেদ ২৪ত কল-কাৰখানা, খনি আৰু অন্য বিপদশংকুল কামত ১৪ বছৰৰ তলৰ শিশুক শ্রমিক হিচাপে কামত খটুওৱাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

অনুচ্ছেদ ২৫ৰ পৰা ২৮লৈ নাগৰিকৰ ধর্মীয় স্বাধীনতা সন্নিৱিষ্ট কৰা হৈছে। অনুচ্ছেদ ২৫এ ভাৰতৰ প্রতিগৰাকী বাসিন্দাকে নিজ বিবেকমতে পৰিচালিত হোৱাৰ স্বাধীনতা তথা মুকলিভাৱে যিকোনো ধর্মত দীক্ষা লোৱা, অনুশীলন কৰা আৰু প্রচাৰ কৰাৰ অধিকাৰ প্রদান কৰিছে। অনুচ্ছেদ ২৬ৰ জৰিয়তে দেশৰ সকলো ধর্মীয় সম্প্রদায়ে ধর্মীয় আৰু দাতব্য উদ্দেশ্যেৰে অনুষ্ঠান-প্রতিষ্ঠান গঢ়ি তোলাৰ, সেইবোৰৰ তদাৰক কৰাৰ আৰু নিজ নিজ ধর্মীয় কাম-কাজ পৰিচালনা কৰাৰ স্বাধীনতা লাভ কৰিছে। অনুচ্ছেদ ২৭ত কোৱা হৈছে যে কোনো ব্যক্তি অথবা অনুষ্ঠান-প্রতিষ্ঠানে কোনো ধর্মৰ পৃষ্ঠপোষকতা কৰাৰ বাবদ কোনো শুল্ক দিব নালাগে। অনুচ্ছেদ ২৮ৰ জৰিয়তে ৰাষ্ট্রীয় সাহার্য্যপ্রাপ্ত শিক্ষানুষ্ঠানবোৰত কোনো বিশেষ ধর্মীয় আচাৰ-আচৰণৰ অভ্যাস নচলাবলৈ বাধা আৰোপ কৰা হৈছে।

সংবিধানৰ অনুচ্ছেদ ২৯ৰ পৰা ৩১লৈ দেশৰ নাগৰিকৰ শিক্ষা আৰু সংস্কৃতিমূলক অধিকাৰবোৰৰ বিষয়ে উল্লেখ আছে। অনুচ্ছেদ ২৯(১)ৰ দ্বাৰা কোনো বিশেষ ভাষা, সংস্কৃতি অথবা লিপি ব্যৱহাৰ কৰা সকলো নাগৰিকে নিজ নিজ স্বকীয়তা সংৰক্ষণ কৰাৰ অধিকাৰ দিয়া হৈছে। অনুচ্ছেদ ২৯(২)ত কোৱা হৈছে যে কোনো ৰাষ্ট্রৰ অধীনস্থ অথবা ৰাষ্ট্রীয় সাহার্য্যপ্রাপ্ত শিক্ষানুষ্ঠানে কোনো নাগৰিককে ধর্ম, জাতি, সম্প্রদায় অথবা ভাষাৰ ভিত্তিত নামভর্তি কৰাত বাধা দিব নোৱাৰিব। অনুচ্ছেদ ৩০(১)ৰ জৰিয়তে দেশৰ সংখ্যালঘু সম্প্রদায়ক শৈক্ষিক অনুষ্ঠান স্থাপন আৰু পৰিচালনা কৰাৰ অধিকাৰ দিয়া হৈছে। অনুচ্ছেদ ৩০(২)ৰ জৰিয়তে এই কথা স্পষ্ট কৰি দিয়া হৈছে যে কোনো সংখ্যালঘু সম্প্রদায়ৰ পৰিচালনাত চলি থকা শৈক্ষিক অনুষ্ঠানৰ বিৰুদ্ধে ৰাষ্ট্রই কোনো বৈষম্যমূলক আচৰণ প্রদর্শন কৰিব নোৱাৰিব।

সংবিধানৰ অনুচ্ছেদ ৩২ৰ পৰা ৩৪লৈ সাংবিধানিক প্রতিকাৰৰ কথা উল্লেখ কৰা আছে। এই তিনিটা অনুচ্ছেদে মৌলিক অধিকাৰ বলবৎকৰণৰ ক্ষেত্রত প্রয়োজন হোৱা সাংবিধানিক সংশোধনৰ নিশ্চিত প্রদান কৰিছে। নিজ অধিকাৰ খর্ব হোৱা বুলি অনুভৱ কৰা নাগৰিকে প্রয়োজন সাপেক্ষে উচ্চতম ন্যায়ালয়ৰ কায চাপিব পাৰে। উচ্চতম ন্যায়ালয়ে প্রয়োজন সাপেক্ষে বন্দী উপস্থাপন (Habeas Corpus), পৰমাধিদেশ (Mandamus), নিষেধাজ্ঞা (Prohibition), উৎপ্রেষণ (Certiorari) আৰু কৈফিয়ৎ তলবী (Qua-Warranto) দৰে লেখসমূহ (Writ) জাৰি কৰিব পাৰে। অনুচ্ছেদ ৩৫-এ ভাৰতীয় সংসদক সংবিধানৰ তৃতীয় অধ্যায়ত থকা মৌলিক অধিকাৰসমূহৰ ফলপ্রসূ ৰূপায়ণৰ বাবে প্রয়োজন সাপেক্ষে বিভিন্ন আইন প্রণয়ন কৰাৰ কর্তৃত্ব প্রদান কৰিছে।



জানি থোৱা ভাল

বন্দী উপস্থাপন হ'ল একপ্রকাৰ লেখ (Writ)। উচ্চতম ন্যায়ালয় অথবা উচ্চ ন্যায়ালয়ে এই লেখৰ জৰিয়তে কাৰোবাক আটক কৰি ৰখা কোনো ব্যক্তিলৈ নির্দেশ প্রেৰণ কৰে। এই নির্দেশত লিখা থকা নির্দিষ্ট স্থান আৰু সময়ত আটকাধীন ব্যক্তিক হাজিৰ কৰাব লাগে। ইয়াৰ জৰিয়তে আটকাধীন ব্যক্তিক মুকলি কৰি দিয়া হয় অথবা মুকলি হোৱাৰ বাবে প্রচেষ্টা চলোৱাৰ সুযোগ দিয়া হয়। কোনোধৰণৰ ন্যায়িক যুক্তিযুক্ততা নথকাকৈ আটক কৰি ৰখা বুলি গণ্য কৰা ব্যক্তিৰ হকে এই লেখ জাৰি কৰা হয়। পৰমাধিদেশৰ জৰিয়তে আদালতে কোনো ব্যক্তি অথবা কর্তৃপক্ষক তেওঁৰ/তেওঁলোকৰ কর্তব্যৰ বিষয়ে সোঁৱৰাই দিয়ে, কর্তব্য পালনৰ নির্দেশ দিয়ে। উৎপ্রেষণ হ'ল এনে এক লেখ যিখনৰ জৰিয়তে কোনো গোচৰ নিম্ন আদালতৰ পৰা উচ্চ আদালতলৈ নিয়াৰ নির্দেশ দিয়া হয়। নিষেধাজ্ঞাৰ জৰিয়তে কোনো নিম্ন আদালতক ইয়াৰ ন্যায়িক কর্তৃত্বৰ পৰিসৰ চেৰাই নাযাবলৈ অথবা প্রাকৃতিক ন্যায়ৰ নীতিসমূহৰ বিৰুদ্ধাচৰণ নকৰিবলৈ নির্দেশ দিয়া হয়। কৈফিয়ৎ তলবীৰ জৰিয়তে উচ্চতম ন্যায়ালয় অথবা উচ্চ ন্যায়ালয়ে কোনো ব্যক্তিক তেওঁৰ কর্তৃত্বাধীন নোহোৱা কোনো বিভাগীয় বিষয়ত কাম কৰা/হস্তক্ষেপ কৰাৰ পৰা বিৰত থকাৰ নির্দেশ দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ভাৰতীয় সংবিধানৰ.....মৌলিক অধিকাৰ , ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি আৰু মৌলিক কর্তব্যসমূহত মানৱ অধিকাৰৰ ব্যৱস্থা অর্ন্তভুক্ত কৰা আছে। (খালী ঠাই পূৰণ কৰক)

.....

প্রশ্ন ২ ঃ মৌলিক অধিকাৰসমূহ ন্যায়িকভাৱে বিচাৰসাধ্য অধিকাৰ। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৩ ঃ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৯(১)ত সন্নিৱিষ্ট মৌলিক স্বাধীনতাকেইটা কি কি?

.....

.....

.....

.....

প্ৰশ্ন ৪ ঃ ভাৰতীয় সংবিধানে নিশ্চিত প্ৰদান কৰা ধৰ্মীয় স্বাধীনতাৰ অধিকাৰবোৰ কি কি ?

.....

.....

.....

প্ৰশ্ন ৫ ঃ ভাৰতীয় নাগৰিকৰ মৌলিক মানৱ অধিকাৰ আৰু স্বাধীনতাক সুৰক্ষা প্ৰদান কৰা লেখবোৰ (Writ) কি কি ?

.....

.....

.....

৭.৪.৩ ভাৰতীয় সংবিধানৰ অন্তৰ্ভুক্ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ

ভাৰতীয় সংবিধানৰ চতুৰ্থ অধ্যায়ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ (Directive Principles of State Policy / DPSP) অন্তৰ্ভুক্ত কৰা হৈছে। অনুচ্ছেদ ৩৬ৰ পৰা ৫১লৈ ভাৰতত মানৱ অধিকাৰ সুৰক্ষা বিষয়ক সংৰচনাৰ ভেঁটি সুদৃঢ় কৰা বিভিন্ন ব্যৱস্থা তথা সা-সুবিধাৰ উল্লেখ আছে। এই নিৰ্দেশাত্মক নীতিবোৰৰ লক্ষ্য হ'ল ভাৰতৰ নাগৰিকৰ কল্যাণ সাধন কৰা। নিৰ্দেশাত্মক নীতিবোৰ ন্যায়ালয়ত বিচাৰসাধ্য নহয় যদিও ইয়াৰ লক্ষ্য হ'ল ব্যক্তিৰ সামাজিক, অৰ্থনৈতিক ন্যায় তথা মৰ্যাদা সুনিশ্চিত কৰিবলৈ ৰাষ্ট্ৰৰ হাতত এক ইতিবাচক কৰ্তব্য অৰ্পণ কৰা। মানৱ অধিকাৰৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ কেইটামান নিৰ্দেশাত্মক নীতি তলত উল্লেখ কৰা হ'ল—

- অনুচ্ছেদ ৩৮ৰ মতে ৰাষ্ট্ৰই নাগৰিকৰ কল্যাণ সাধিব পৰাকৈ এক সামাজিক শৃংখলা সুনিশ্চিত আৰু সুৰক্ষিত কৰাৰ প্ৰয়াস কৰিব লাগে।
- অনুচ্ছেদ ৩৯ত ভাৰতৰ সকলো নাগৰিকৰে কল্যাণ সম্ভৱপৰ কৰি তুলিবলৈ কিছুমান কৌশল সন্নিৱিষ্ট কৰা হৈছে। ৰাষ্ট্ৰই বাস্তৱত ৰূপায়িত কৰিবলগীয়া কিছুমান গুৰুত্বপূৰ্ণ কাৰ্য হ'ল—
  - ১) সকলো নাগৰিকৰ বাবে উপযুক্ত জীৱিকা অৰ্জনৰ পথ মুকলি কৰা।
  - ২) উমৈহতীয়া কল্যাণ সাধনৰ বাবে সম্পদৰ সঠিক বিতৰণ সুনিশ্চিত কৰা।
  - ৩) পুৰুষ আৰু মহিলাক সমান কামৰ বিনিময়ত সমান পা�ৰিশ্ৰমিক প্ৰদান কৰা।
  - ৪) সম্পদৰ কেন্দ্ৰীকৰণ ৰোধ কৰা যাতে ই উমৈহতীয়া কল্যাণৰ লক্ষ্য বাস্তৱায়িত কৰাত বাধাৰ সৃষ্টি কৰিব নোৱাৰে।
  - ৫) শৈশৱ আৰু যুৱাৱস্থা প্ৰাপ্তসকলক সকলোধৰণৰ শোষণ অথবা নৈতিক আৰু বৈষয়িকভাৱে কৰা শোষণৰ পৰা সুৰক্ষা প্ৰদান কৰা।

৬) শ্রমিকৰ স্বাস্থ্য আৰু শক্তিক সুৰক্ষা প্রদান কৰা তথা শ্রমিকৰ বয়স আৰু শক্তিৰ সৈতে খাপ নোখোৱা যিকোনো বৃত্তিত জড়িত হোৱাৰ পৰা শ্রমিকক সর্বতোপ্রকাৰৰ সুৰক্ষা প্রদান কৰা।

- অনুচ্ছেদ ৪১ৰ মতে ৰাষ্ট্রই ইয়াৰ কর্তৃত্ব সামর্থ্যৰ ভিতৰত কর্মৰ অধিকাৰ আৰু শিক্ষাৰ অধিকাৰ সুনিশ্চিত কৰাকে ধৰি নিবনুৱা, বৃদ্ধাৱস্থা অথবা ৰুগীয়া হোৱাৰ ফলত কর্মহীন হোৱাসকলক ৰাজহুৱা সহায়তা প্রদান কৰিবলৈ ফলপ্রসূ সা-সুবিধাৰ সৃষ্টি কৰিব লাগে।
- অনুচ্ছেদ ৪২ মতে ৰাষ্ট্রই ন্যায়সন্মত আৰু মানৱীয় কর্ম-পৰিবেশ সৃষ্টিৰ বাবে তথা মাতৃ শ্রমিক/কর্মচাৰীক সকাহ দিব পৰাকৈ অনুকূল নিয়ম-নীতি তৈয়াৰ কৰিব লাগে।
- অনুচ্ছেদ ৪৩ মতে ৰাষ্ট্রই মানৱীয় কর্ম-পৰিবেশ সুনিশ্চিত কৰাৰ উপৰি সকলোৰে জীৱনক এক মর্যাদাপূর্ণ সন্মানজনক মান প্রদানৰ চেষ্টা কৰাৰ লগতে নাগৰিকক জিৰণিৰ আনন্দ তথা সামাজিক-সাংস্কৃতিক জীৱন একোটা উপভোগ কৰাৰ অৱকাশ দিবলৈ প্রয়োজনীয় সা-সুবিধাৰ ব্যৱস্থা গ্রহণ কৰিব লাগে।
- অনুচ্ছেদ ৪৫ মতে ৰাষ্ট্রই ১৪ বছৰ বয়সলৈকে সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রদানৰ বাবে উপযুক্ত সা-সুবিধা গঢ়ি তুলিব। (সংবিধান গ্রহণৰ পৰৱর্তী ১০ বছৰৰ বাবেহে এই নীতি প্রযোজ্য আছিল যদিও চৰকাৰে আজিকোপতি এই নীতিমতে কাম কৰি যোৱাৰ প্রয়াস অব্যাহত ৰাখিছে।)
- অনুচ্ছেদ ৪৬ মতে ৰাষ্ট্রই দুর্বল শ্রেণীৰ লোকসকলৰ, বিশেষকৈ অনুসূচীত জাতি আৰু জনজাতিৰ শৈক্ষিক আৰু অর্থনৈতিক উন্নয়নৰ স্বার্থক পৃষ্ঠপোষকতা কৰি তেওঁলোকক সামাজিক অন্যায় আৰু শোষণৰ পৰা সুৰক্ষিত কৰি ৰাখিব।
- অনুচ্ছেদ ৪৬ মতে ৰাষ্ট্রই দেশৰ পৰিপুষ্টি স্তৰ বৃদ্ধি কৰি ৰাজহুৱা স্বাস্থ্য উন্নত কৰাৰ প্রয়াস কৰিব লাগে।
- অনুচ্ছেদ ৫১ মতে ৰাষ্ট্রই আন্তর্জাতিক শান্তি আৰু সুৰক্ষাৰ পৃষ্ঠপোষকতা কৰিব, অন্য দেশৰ সৈতে যথোচিত আৰু সন্মানীয় সম্পর্ক ৰক্ষা কৰি চলিব তথা মধ্যস্থতাৰ জৰিয়তে আন্তর্জাতিক বিবাদ মীমাংসা কৰিবলৈ অনুপ্রেৰণা যোগাব।

৭.৪.৪ ভাৰতীয় সংবিধানৰ অর্ন্তভুক্ত মৌলিক কর্তব্যসমূহ

এই কথা সকলোৰে জ্ঞাত যে মানৱ অধিকাৰ আৰু কর্তব্যসমূহ ইটো-আনটোৰ পৰিপূৰক। সকলোৰে মানৱ অধিকাৰ সুনিশ্চিত কৰিবলৈ আমি আটায়ে অধিকাৰবোৰৰ প্রতি শ্রদ্ধাশীল হ'ব লাগিব। লগতে আমি সমাজৰ প্রতিগৰাকী ব্যক্তিৰে অধিকাৰ ৰক্ষাৰ হকে কিছুমান কাম কৰিব লাগিব। এই কথাটোৰ প্রতি লক্ষ্য ৰাখি ভাৰতীয় সংসদে

১৯৭৬ চনত সংবিধানৰ চতুর্থ অধ্যায় (ক)ত কেইটামান মৌলিক কর্তব্যৰ সংযোজন ঘটাইছিল। সংবিধাৰ অনুচ্ছেদ ৫১ (ক)ৰ মতে ভাৰতৰ প্রতিগৰাকী নাগৰিকে তলত উল্লেখ কৰা মৌলিক কর্তব্যসমূহ পালন কৰিব লাগে।

- প্রতিগৰাকী ভাৰতীয় নাগৰিকে ভাৰতীয় সংবিধান মানি চলিব লাগে, সংবিধানৰ আদর্শৰ প্রতি শ্রদ্ধাশীল হ'ব লাগে, ৰাষ্ট্রীয় পতাকা আৰু ৰাষ্ট্রীয় সংগীতক শ্রদ্ধা কৰা উচিত।
- স্বাধীনতা লাভৰ বাবে হোৱা ৰাষ্ট্রীয় আন্দোলনক উদ্বুদ্ধ কৰা মহান আদর্শসমূহক প্রতিগৰাকী ভাৰতীয় নাগৰিকে সস্নেহে মনত ৰাখিব লাগে আৰু অনুসৰণ কৰা উচিত।
- ভাৰতৰ সার্বভৌমত্ব, একতা আৰু সংহতিক প্রতিগৰাকী ভাৰতীয় নাগৰিকে সমর্থন আৰু ৰক্ষা কৰা উচিত।
- প্রতিগৰাকী ভাৰতীয় নাগৰিকে দেশক বচাব লাগে আৰু প্রয়োজনৰ সময়ত দেশৰ প্রতি সেৱা আগবঢ়োৱা উচিত।
- ধর্ম, ভাষা, অঞ্চল, সম্প্রদায়ভিত্তিক বৈচিত্র্যতাৰ উর্ধলৈ উঠি প্রতিগৰাকী ভাৰতীয় দেশবাসীৰ মাজত সংহতি স্থাপনৰ প্রয়াস কৰাৰ লগতে সকলোৰে মনত উমৈহতীয়া ভ্রাতৃত্ববোধ জাগ্রত কৰাৰ চেষ্টা চলাব লাগে, মহিলাৰ মর্যাদা হানিকাৰক প্রথাৰ বিলুপ্তি সাধন কৰাৰ প্রয়াস কৰা উচিত।
- আমাৰ মিশ্রিত সংস্কৃতিৰ ঐতিহ্যৰ মোল প্রতিগৰাকী ভাৰতীয়ই বুজি পাব লাগে আৰু ইয়াৰ সুৰক্ষাৰ হকে কাম কৰা উচিত।
- দেশৰ প্রাকৃতিক পৰিবেশ যেনে— বনাঞ্চল, হ্রদ, নদী, বন্যপ্রাণী আদি সুৰক্ষা আৰু উন্নয়নৰ বাবে প্রতিগৰাকী ভাৰতীয় দায়বদ্ধ হ'ব লাগে। আমি সকলো জীৱৰ প্রতি কৰুণাময় হোৱা উচিত।
- দেশৰ প্রতিগৰাকী নাগৰিকে বিজ্ঞান মানসতা, মানৱীয়তা, অনুসন্ধিৎসা আৰু সংশোধনীকামী মানসিকতাৰ বিকাশৰ বাবে যত্নপৰ হোৱা উচিত।
- প্রতিগৰাকী ভাৰতীয় নাগৰিকে ৰাজহুৱা সম্পত্তি ৰক্ষা আৰু হিংসাৰোধ কৰাৰ চেষ্টা কৰা উচিত।
- প্রতিগৰাকী ভাৰতীয় নাগৰিকে ব্যক্তিগত তথা সমূহীয়া কাম-কাজৰ সকলো দিশতে উৎকৃষ্ট প্রদর্শন কৰিবলৈ যত্নপৰ হোৱা উচিত যাতে দেশে সকলো প্রয়াসতে সফলতাৰ মুখ দেখে আৰু ক্রমে উন্নতিৰ জখলাৰে আগুৱাই যাব পাৰে।
- প্রতিগৰাকী ভাৰতীয় নাগৰিকে পিতৃ-মাতৃ নাইবা অভিভাৱক হিচাপে ৬ৰ পৰা ১৪ বছৰীয়া প্রতিটো শিশুই যাতে শিক্ষালাভৰ সুযোগ পায় তাৰ বাবে অনুকূল পৰিবেশ সৃষ্টিৰ প্রয়াস কৰা উচিত (এই মৌলিক কর্তব্যটো ২০০২ চনৰ ৮৬তম সংবিধান সংশোধনী জৰিয়তে যোগ দিয়া হৈছে)।

ওপৰত উল্লেখ কৰা অনুচ্ছেদবোৰৰ উপৰি ভাৰতীয় সংবিধান আন কেইবাটাও অনুচ্ছেদত মানৱ অধিকাৰৰ সৈতে জড়িত ব্যৱস্থাৰ উল্লেখ আছে। তাৰে দুটামান তলত উল্লেখ কৰা হ'ল—

১) অনুচ্ছেদ ২২৬-এ ভাৰতীয় নাগৰিকক মৌলিক অধিকাৰ ৰক্ষাৰ হেতু উচ্চ ন্যায়ালয়ৰ কায চপাৰ সুযোগ দিছে। এই অনুচ্ছেদৰ জৰিয়তে উচ্চ ন্যায়ালয়ে বন্দী উপস্থাপন, পৰমাধিদেশ, নিষেধাজ্ঞা, উৎপ্রেষণ আৰু কৈফিয়ৎ তলবীৰ দৰে লেখ জাৰি কৰি নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰাৰ চেষ্টা কৰে।

২) অনুচ্ছেদ ৩০০(ক)ৰ মতে আইনসংগত কর্তৃত্বৰ বাহিৰে আন কোনেও কাকো সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰে।

৩) অনুচ্ছেদ ৩২৫-এ স্পষ্ট কৰি দিছে যে ধর্ম, জাতি, সম্প্রদায়, অথবা লিংগৰ আধাৰত কাকো কোনো বিশেষ নির্বাচন সম্বন্ধীয় ভূমিকা গ্রহণৰ পৰা বিৰত কৰিব পৰা নাযাব অথবা ভূমিকা ল'ব পাৰিব বুলি কোনেও দাবী কৰিব নোৱাৰিব। এই অনুচ্ছেদে ভাৰতীয় নাগৰিকৰ সমতাৰ অধিকাৰক পৃষ্ঠপোষকতা কৰি ৰাজহুৱা বিভাগত সকলোৰে সম-অধিকাৰ সুনিশ্চিত কৰাৰ প্রয়াস কৰে।

৪) অনুচ্ছেদ ৩২৬-ত উল্লেখ আছে যে লোকসভা আৰু বিধানসভাৰ নির্বাচনবোৰ সার্বজনীন প্রাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত অনুষ্ঠিত হ'ব। এই অনুচ্ছেদে সকলো ভাৰতীয় নাগৰিকক কোনোধৰণৰ বৈষম্যৰ বলি নোহোৱাকৈ ভোটাধিকাৰ সাব্যস্ত কৰাৰ অধিকাৰ প্রদান কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৬ ঃ ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহ ন্যায়িকভাৱে বলবৎসাধ্য। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ৭ ঃ কোন বর্ষত আৰু কিমান সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে ৬-১৪ বছৰীয়া শিশুৰ শিক্ষালাভৰ অধিকাৰক ভাৰতীয় সংবিধানৰ অর্ন্তগত মৌলিক কর্তব্যবোৰৰ সৈতে যোগ কৰা হৈছিল?

.....

প্রশ্ন ৮ ঃ ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ লক্ষ্য হ'ল ভাৰতীয় নাগৰিকৰ ..... সাধন কৰা। (খালী ঠাই পূৰণ কৰক)

প্রশ্ন ৯ ঃ ৰাষ্ট্রই সংবিধানৰ অনুচ্ছেদ ৩৯ৰ জৰিয়তে উপনীত হ'ব খোজা লক্ষ্যবোৰ কি কি?

.....

.....

৭.৫ ভাৰতত মানৱ অধিকাৰৰ ন্যায়িক সংৰচনা

ভাৰতীয় জনগণৰ মানৱ অধিকাৰক সুৰক্ষা প্ৰদান কৰিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্যিক বিধানমণ্ডলে যিবোৰ আইন প্ৰণয়ন আৰু বলবৎ কৰে সেইবোৰেই ভাৰতত মানৱ অধিকাৰৰ ন্যায়িক সংৰচনাটো গঠন কৰিছে। এনে কিছুমান আইন হ'ল - মানৱাধিকাৰ সুৰক্ষা আইন, ১৯৯৩; তথ্যৰ অধিকাৰ আইন, ২০০৫; ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োজন আইন, ২০০৫; ৰাষ্ট্ৰীয় সংখ্যালঘূ আয়োগ আইন, ১৯৯২; ৰাষ্ট্ৰীয় মহিলা আয়োগ আইন, ১৯৯০; পৌৰ অধিকাৰ সুৰক্ষা আইন, ১৯৫৫; অন্যধৰণে সক্ষম লোকৰ (সমান সুবিধা, অধিকাৰৰ সুৰক্ষা আৰু সমান অংশগ্ৰহণৰ সুবিধা) আইন, ১৯৯৫; অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (নিষ্ঠুৰতা প্ৰতিৰোধী) আইন, ১৯৮৯; অনৈতিকভাৱে ব্যক্তি সৰবৰাহ (প্ৰতিৰোধী) আইন, ১৯৫৬; মহিলাৰ মৰ্যাদাহানিকৰ উপস্থাপন (প্ৰতিৰোধী) আইন, ১৯৮৬; কিশোৰ অপৰাধীক ন্যায়প্ৰদান আইন, ১৯৮৬; যৌতুক প্ৰতিৰোধী আইন, ১৯৬১; সতীপ্ৰথা নিবাৰণ (প্ৰতিৰোধী) আয়োগ আইন, ১৯৮৭; প্ৰসূতি অৱস্থাত সুবিধাপ্ৰদান আইন, ১৯৬১; শিশু আইন, ১৯৬০; শিশু শ্ৰমিক (প্ৰতিৰোধী আৰু নিয়ন্ত্ৰণ) আইন, ১৯৮৬; নূন্যতম মজুৰি আইন, ১৯৮৬; সাম্প্ৰদায়ভিত্তিক অযোগ্যতা দূৰীকৰণ আইন, ১৯৫০; মানসিক স্বাস্থ্য আইন, ১৯৮৭; বন্ধুৱা শ্ৰমিক (প্ৰথা) বিলোপকৰণ আইন, ১৯৭৬।

৭.৫.১ মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩

মানৱ অধিকাৰক সুৰক্ষা প্ৰদান কৰিবলৈ আৰু বিষয়টোৰ পৃষ্ঠপোষকতা কৰিবলৈ ভাৰত চৰকাৰে এটা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান গঢ়ি তোলাৰ উদ্দেশ্যে ১৯৯২ চনৰ ১৪ মে'ত লোকসভাত মানৱ অধিকাৰ আয়োগ বিধেয়কখন উত্থাপন কৰিছিল। বিধেয়কখন গৃহ পৰিক্ৰমাৰ স্থায়ী সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হৈছিল। কিন্তু সেইখিনি সময়তে দেশত মানৱ অধিকাৰ আয়োগ এখন গঠন কৰাটো অতি জৰুৰী হৈ পৰিছিল। সেয়েহে ১৯৯৩ চনৰ ২৭ ছেপ্টেম্বৰত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে এক অধ্যাদেশযোগে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু ৰাজ্যিক পৰ্যায়ত ৰাজ্যিক মানৱ অধিকাৰ আয়োগ গঠনৰ কথা ঘোষণা কৰিছিল। কিছুমান সংশোধনী ঘটোৱাৰ পিছত সংসদৰ দুয়োখন সদনে এই অধ্যাদেশৰ সলনি মানৱ অধিকাৰ সুৰক্ষা বিধেয়কখন গৃহীত কৰিছিল। ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰাৰ পিছত ১৯৯৪ চনৰ ৮ জানুৱাৰীত বিধেয়কখন মানৱ অধিকাৰ সুৰক্ষা আইন হিচাপে এক পূৰ্ণাংগ আইনত পৰিণত হৈছিল। মানৱ অধিকাৰ সুৰক্ষা আইন, ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ, ৰাজ্যিক মানৱ অধিকাৰ আয়োগ আৰু মানৱ অধিকাৰ বিষয়ক গোচৰ নিষ্পত্তিৰ বাবে জিলা পৰ্যায়ত গঠিত আদালবোৰে ভাৰতত মানৱ অধিকাৰ সুৰক্ষাৰ বিষয়টোক বাস্তৱত পৰিণত কৰাত সহায় কৰিছে।

৭.৫.২ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ (National Human Rights Commission)

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ হ'ল মানৱ অধিকাৰৰ পৃষ্ঠপোষকতা আৰু ৰক্ষাৰ প্ৰতি থকা ভাৰতৰ দায়ৱদ্ধতাৰ প্ৰকাশ। ১৯৯৩ চনৰ ১২ অক্টোবৰত এই আয়োগখন গঠন কৰা হৈছিল। মানৱ অধিকাৰ সুৰক্ষা আইনৰ দ্বিতীয় অধ্যায়ৰ পৰা চতুৰ্থ অধ্যায়লৈ মানৱ অধিকাৰ আয়োগ বিষয়ক নীতি-নিয়মসমূহৰ উল্লেখ আছে।

➢ আয়োগৰ গঠন

মানৱ অধিকাৰ সুৰক্ষা আইনৰ দ্বিতীয় অধ্যায়ত মানৱ অধিকাৰ আয়োগ গঠনৰ ব্যৱস্থাৱলী সন্নিৱিষ্ট কৰা হৈছে। আইনৰ ধাৰা ৩-ত কোৱা হৈছে যে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ নামৰ কৰ্তৃপক্ষ এটা গঠন কৰিব। আয়োগখন তলত উল্লেখ কৰা ধৰণে গঠিত হ'ব—

ক) উচ্চতম ন্যায়ালয়ৰ ভূতপূৰ্ব মুখ্য ন্যায়াধীশ এগৰাকী আয়োগৰ অধ্যক্ষ হ'ব।

খ) উচ্চতম ন্যায়ালয়ৰ ন্যায়ধীশ (কৰ্মৰত অথবা কাম কৰি যোৱা) এগৰাকী আয়োগৰ সদস্য হ'ব।

গ) যিকোনো উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ (কৰ্মৰত অথবা কাম কৰি যোৱা) এগৰাকী আয়োগৰ সদস্য হ'ব।

ঘ) মানৱ অধিকাৰ সম্পৰ্কে জ্ঞান থকা অথবা বিষয়টোৰ সৈতে জড়িত ব্যৱহাৰিক অভিজ্ঞতা থকা লোকৰ মাজৰ পৰা দুগৰাকী সদস্য নিযুক্তি দিয়া হ'ব।

ঙ) সংখ্যালঘূসকলৰ বাবে থকা ৰাষ্ট্ৰীয় আয়োগ, অনুসূচীত জাতি আৰু জনজাতিৰ বাবে থকা ৰাষ্ট্ৰীয় আয়োগ তথা ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ/অধ্যক্ষা কেইগৰাকী ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ সদস্য হ'ব।

আয়োগৰ অধ্যক্ষ আৰু অন্যান্য সদস্যসকলক প্ৰধানমন্ত্ৰীৰ অধ্যক্ষতাত গঠিত এখন ছজনীয়া কমিটীয়ে বাচনি কৰিব আৰু এই তালিকাত ৰাষ্ট্ৰপতিয়ে অনুমোদন জনাব। লোকসভাৰ অধ্যক্ষ, কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী, লোকসভাৰ বিৰোধী দলৰ দলপতি, ৰাজ্যসভাৰ বিৰোধী দলৰ দলপতি আৰু ৰাজ্যসভাৰ উপাধ্যক্ষ হ'ব ছজনীয়া কমিটীখনৰ আনসকল সদস্য।

কেন্দ্ৰীয় চৰকাৰে মানৱ অধিকাৰ আয়োগৰ বাবে এগৰাকী বিষয়া নিযুক্ত কৰিব। বিষয়াগৰাকীয়ে আয়োগৰ সচিবপ্ৰধানৰূপে কাৰ্যনিৰ্বাহ কৰিব। আয়োগৰ কাম সুচাৰুৰূপে পৰিচালিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে আৰক্ষী আৰু অনুসন্ধানকাৰী বিষয়াৰ দলো আয়োগক যোগান ধৰিব। আয়োগৰ মুখ্য কাৰ্যালয় থাকিব নতুন দিল্লীত। কেন্দ্ৰীয় চৰকাৰৰ অনুমতি সাপেক্ষে আয়োগে দেশৰ অন্য ঠাইতো কাৰ্যালয় স্থাপন কৰিব পাৰিব।

➢ কার্যকাল

ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষ আৰু আন সদস্যসকলক ৫ বছৰৰ বাবে নিয়োগ কৰা হয়। কার্যকাল শেষ হোৱাৰ পিছত তেওঁলোকক আন এটা কার্যকালৰ বাবে নিযুক্তি দিয়া হ'ব পাৰে। আয়োগৰ অধ্যক্ষ সমন্বিতে আন সকলোৱে ৭০ বছৰ বয়সলৈকে সেৱা আগবঢ়াব পাৰে। যদি উচ্চতম ন্যায়ালয়ে অনুসন্ধানৰ অন্তত কোনো অধ্যক্ষ অথবা সদস্যক আয়োগৰ পৰা আঁতৰাব লাগে বুলি ৰাষ্ট্রপতিক পৰামর্শ দিয়ে, তেন্তে ৰাষ্ট্রপতিয়ে তেনে অধ্যক্ষ অথবা সদস্যক বিধি বর্হিভূত আচৰণ অথবা অযোগ্যতাৰ প্রমাণিত ভেঁটিত আয়োগৰ পৰা আঁতৰোৱাৰ নির্দেশ জাৰি কৰিব পাৰে।

➢ আয়োগৰ কার্যাৱলী

মানৱ অধিকাৰ আইনৰ ধাৰা ১২-ত মানৱ অধিকাৰ আয়োগৰ কাম-কাজ সম্পর্কে উল্লেখ আছে। এই কার্যাৱলী হ'ল—

- আয়োগে সকলো নিজাববীয়াকৈ (suo motu) গোচৰ অথবা কোনো ব্যক্তি নাইবা ব্যক্তিৰ হৈ আন কোনোবাই দাখিল কৰা আবেদনৰ অনুসন্ধান কৰে। আবেদনত উল্লিখিত অভিযোগবোৰ—
  - ১) মানৱ অধিকাৰ উলংঘন নাইবা উলংঘনৰ বাবে উচটনি দিয়াৰ বিষয়ে হ'ব পাৰে।
  - ২) কোনো ৰাজহুৱা বিষয়া/কর্মচাৰীৰ দ্বাৰা তেনে উলংঘন কার্য ৰোধ কৰাত দেখুওৱা হেমাহিৰ বিষয়ে হ'ব পাৰে।
- কোনো আদালতত বিচৰাধীন হৈ থকা মানৱ অধিকাৰ খর্বৰ অভিযোগৰ বিচাৰ প্রক্রিয়া সম্পর্কে আয়োগে যদি কোনো অভিযোগ লাভ কৰে তেন্তে সংশ্লিষ্ট আদালতৰ অনুমোদন সাপেক্ষে বিচাৰ প্রক্রিয়াত হস্তক্ষেপ কৰিব পাৰে।
- ৰাজ্য চৰকাৰৰ অনুমোদন সাপেক্ষে আয়োগে যিকোনো কাৰাগাৰ অথবা ৰাজ্য চৰকাৰৰ নিয়ন্ত্রণাধীন যিকোনো অনুষ্ঠান-প্রতিষ্ঠান পৰিদর্শন কৰিব পাৰে। এনে অনুষ্ঠান-প্রতিষ্ঠানত ব্যক্তিক চিকিৎসা, সংশোধনী অথবা সুৰক্ষাৰ বাবে আটকাধীন অথবা আবাসী হিচাপে ৰখা হ'ব পাৰে। আয়োগে এনেদৰে ৰখা ব্যক্তিসকলৰ জীৱন-যাপনৰ মান অধ্যয়ন কৰি প্রয়োজনীয় দিহা-পৰামর্শ আগবঢ়াব পাৰে।
- কোনো এক নির্দিষ্ট সময়ত মানৱ অধিকাৰ ৰক্ষাৰ বাবে বলবৎ হৈ থকা সংবিধান প্রদত্ত অথবা সংবিধানৰ অধীনস্থ কোনো আইনে নাগৰিকলৈ আগবঢ়োৱা সুৰক্ষাবোৰ আয়োগে পুনৰীক্ষণ কৰিব পাৰে আৰু

প্রয়োজনসাপেক্ষে তেনে আইনৰ ফলপ্রসূ ৰূপায়ণৰ বাবে প্রয়োজনীয় দিহা-পৰামর্শ দিব পাৰে।

- মানৱ অধিকাৰ উপভোগ কৰাত বাধা দিয়া সন্ত্রাসবাদ সহিতে সকলো ধৰণৰ কাৰকৰ বিষয়ে আয়োগ পুনৰীক্ষণ কৰিব পাৰে আৰু ইয়াৰ উপশমৰ বাবে প্রয়োজনীয় দিহা-পৰামর্শ আগবঢ়াব পাৰে।
- আয়োগে মানৱ অধিকাৰ বিষয়ক সন্ধিপত্র আৰু অন্য আন্তর্জাতিক চুক্তি-নথি আদি অধ্যয়ন কৰে আৰু সেইবোৰৰ ফলপ্রসূ ৰূপায়ণৰ বাবে প্রয়োজনীয় দিহা-পৰামর্শ আগবঢ়াব পাৰে।
- আয়োগে মানৱ অধিকাৰ বিষয়ক বিভিন্ন গৱেষণা চলায় আৰু তেনে গৱেষণাৰ পৃষ্ঠপোষকতা কৰে।
- আয়োগে বিভিন্ন ছপা সামগ্রী, প্রচাৰ মাধ্যম আৰু অন্য উপলব্ধ পন্থাৰে সমাজৰ বিভিন্ন শ্রেণীৰ লোকৰ মাজত মানৱ অধিকাৰ সম্পর্কীয় জ্ঞান বিলোৱাত সহায় কৰে, মানৱ অধিকাৰ ৰক্ষা কৰিব পৰাকৈ উপলব্ধ বিভিন্ন আইন-কানুনৰ বিষয়ে সজাগতা বৃদ্ধিৰ পোষকতা কৰে।
- মানৱ অধিকাৰৰ বিষয়টোক লৈ কর্মৰত বেচৰকাৰী সংস্থা আৰু অনুষ্ঠান-প্রতিষ্ঠানৰ প্রয়াসক মানৱ অধিকাৰ আয়োগে উদ্‌গণি যোগায়।
- মানৱ অধিকাৰ ৰক্ষাৰ বাবে প্রয়োজনীয় বুলি ভবা আন আন বহু ধৰণৰ কাম-কাজো আয়োগে সম্পাদন কৰিব পাৰে।
- আয়োগে কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰক বছৰেকীয়া প্রতিবেদন দাখিল কৰে। কিন্তু বছৰেকীয়া প্রতিবেদন দাখিল কৰাৰ সময়লৈকে অপেক্ষা কৰিব নোৱাৰা ধৰণৰ বিষয় সন্দর্ভত আয়োগে যিকোনো সময়তে বিশেষ প্রতিবেদন দাখিল কৰিব পাৰে।
- আয়োগে উচ্চতম ন্যায়ালয়ে জাৰি কৰা নির্দেশ অনুসৰি সংবিধানৰ অনুচ্ছেদ ৩২-ৰ কর্মপৰিধিৰ ভিতৰত কৰা অনুশীলনৰ অধীনত (exercise of the juridication) মানৱ অধিকাৰ ৰক্ষা বিষয়ক বিভিন্ন কাম সম্পাদন কৰিব পাৰে।

➢ ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগৰ কার্যাৱলীৰ মূল্যায়ন

এতিয়ালৈকে ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগে ৭৪০০০ তকৈও অধিক অভিযোগ লাভ কৰিছে। সকলোৱে আশা কৰে তেওঁলোকে মানৱ অধিকাৰ উলংঘন বিষয়ত আয়োগৰ পৰা ন্যায় লাভ কৰিব। এতিয়ালৈকে আয়োগে ভালেমান গুৰুতৰ মানৱ অধিকাৰ উলংঘন গোচৰৰ অনুসন্ধান কৰিছে আৰু

যাৱতীয় দিহা-পৰামর্শ দি চৰকাৰৰ হাতত ইয়াৰ প্রতিবেদন দাখিল কৰিছে। কিন্তু তথাপিও এতিয়ালৈকে আয়োগৰ কাম-কাজ সন্তোষজনক নহয়। কাৰণ, আয়োগখন কেৱলমাত্র অনুসন্ধানকাৰী আৰু পৰামর্শদাতা কর্তৃপক্ষহে। আয়োগে সংশ্লিষ্ট কর্তৃপক্ষবোৰক প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিবলৈ নাইবা ভুক্তভোগীক অর্ন্তৱর্তীকালীন সাহার্য্য দিবলৈ পৰামর্শহে দিব পাৰে। আয়োগে কাকো পোনে পোনে দোষী সাব্যস্ত কৰিব নোৱাৰে। লগতে, আয়োগৰ অনুসন্ধানবোৰ সদায় নিৰপেক্ষ নহয়। কাৰণ, আয়োগৰ হাতত কোনো স্বতন্ত্র অনুসন্ধান সংস্থা নাই।

৭.৫.৩ ৰাজ্যিক মানৱ অধিকাৰ আয়োগ (State Human Rights Commission)

মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩ ৰ ধাৰা ২১ (চতুর্থ অধ্যায়) মতে ৰাজ্য চৰকাৰসমূহে নিজ নিজ ৰাজ্যত ৰাজ্যিক মানৱ অধিকাৰ আয়োগ গঠন কৰিব পাৰে। ৰাজ্যিক মানৱ অধিকাৰ আয়োগ এজন অধ্যক্ষ - যিগৰাকী উচ্চ ন্যায়ালয়ৰ ভূতপূর্ব মুখ্য ন্যায়াধীশ হ'ব লাগিব, এজন সদস্য - যি গৰাকী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হ'ব লাগিব, এগৰাকী সদস্য - যি গৰকী জিলা আদালতৰ বিচাৰপতি হ'ব লাগিব, আৰু আন দুগৰাকী সদস্যক, যাক মানৱ অধিকাৰ ক্ষেত্রখনৰ জ্ঞান থকা ব্যক্তিৰ মাজৰ পৰা নির্বচিত কৰা হয়, লৈ গঠিত। ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষ আৰু আন সদস্যসকলক ৰাজ্যপালে এখন কমিটিৰ পৰামর্শ অনুসৰি নিয়োগ কৰে। এই কমিটিখনৰ সদস্যসকল হ'ল- ৰাজ্যখনৰ মুখ্যমন্ত্রী, ৰাজ্যখনৰ বিধান সভাৰ অধ্যক্ষ , ৰাজ্যখনৰ গৃহ মন্ত্রালয়ৰ ভাৰপ্রাপ্ত মন্ত্রী, ৰাজ্যখনৰ বিধান সভাৰ বিৰোধী দলৰ সভাপতি। ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষ আৰু সদস্যৰ কার্যকাল ৫ বছৰ । কিন্তু তেঁওলোকক ৰাষ্ট্রপতিয়ে কিছুমান কাৰণৰ ভিত্তিত কার্য্যকাল শেষ হোৱাৰ আগতেই পদৰ পৰা অপসাৰণ কৰিব পাৰে। ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ কিছুমান কার্য্য হ'ল—

(ক) ৰাজ্যিক মানৱ অধিকাৰ আয়োগে ভাৰতীয় সংবিধানৰ সপ্তম সূচীত সন্নিৱিষ্ট ৰাজ্যিক সূচী আৰু সমৱর্তী সূচীৰ অন্তর্গত বিষয়সমূহৰ সৈতে জড়িত মানৱ অধিকাৰ ভংগৰ ঘটনাসমূহৰ অনুসন্ধান কৰে। যিবোৰ বিষয় ইতিমধ্যে ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগে অনুসন্ধান কৰি আছে, সেইবোৰ বিষয়ত ৰাজ্যিক মানৱ অধিকাৰ আয়োগে হস্তক্ষেপ নকৰে।

(খ) ৰাজ্যিক মানৱ অধিকাৰ আয়োগে ৰাজ্য চৰকাৰক বার্ষিক প্রতিবেদন দাখিল কৰে আৰু যিকোনো সময়ত যিকোনো বিষয়ত বিশেষ প্রতিবেদন দাখিল কৰিব পাৰে।



জানি থোৱা ভাল

১৯৯৬ চনৰ ১৯ মাৰ্চত অসম মানৱ অধিকাৰ আয়োগ গঠন কৰা হয়। এগৰাকী অধ্যক্ষ আৰু চাৰিগৰাকী সদস্যৰ দ্বাৰা পৰিচালিত এই আয়োগৰ মুখ্য কার্যালয় গুৱাহাটীত অৱস্থিত।



চিন্তা-চর্চা কৰক ৭.১

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু অসম ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ বর্তমানৰ অধ্যক্ষৰ নাম জানিবলৈ যত্ন কৰক।

.....

.....

৭.৫.৪ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগ, ২০০৪

ভাৰতবর্ষৰ সংসদে ১৯৮৯ চনত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (নিষ্ঠুৰতা প্ৰতিৰোধী) আইন প্ৰণয়ণ কৰে আৰু এই আইনখনে ২০০৪ চনত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ গঠন কৰিছিল। এই আয়োগৰ সদস্যসকলক ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে। এজন অধ্যক্ষ, এজন উপাধ্যক্ষ আৰু আন তিনিজন সদস্যক লৈ এই আয়োগ গঠিত। এই আয়োগৰ সদস্যসকলৰ কার্যকাল তিনিবছৰ। এই আয়োগৰ কিছুমান কার্য্য তলত উল্লেখ কৰা হ'ল-

(ক) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (নিষ্ঠুৰতা প্ৰতিৰোধী) আইনে আগবঢ়োৱা অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সুৰক্ষামূলক ব্যৱস্থাৰ সৈতে জড়িত বিষয়সমূহ এই আয়োগে অনুসন্ধান কৰে।

(খ) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সুৰক্ষামূলক ব্যৱস্থা আৰু মানৱ অধিকাৰ ভংগৰ সৈতে জড়িত বিশেষ বিষয়সমূহৰ অনুসন্ধান এই আয়োগে কৰে।

(গ) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ আর্থ-সামাজিক উন্নয়ন পৰিকল্পনা প্ৰক্ৰিয়াত এই আয়োগে পৰামর্শ প্ৰদান কৰে আৰু অংশ গ্ৰহণ কৰে। এই আয়োগে তেওঁলোকৰ আর্থ-সামাজিক উন্নয়ন প্ৰক্ৰিয়াক মূল্যায়ণো কৰিব পাৰে।

(ঘ) অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কল্যাণৰ বাবে এই আয়োগে আন কিছুমান কার্য্যও সাধন কৰে।

(ঙ) এই আয়োগে ভাৰতবর্ষৰ ৰাষ্ট্ৰপতিৰ ওচৰত বার্ষিক প্ৰতিবেদন দাখিল কৰাৰ উপৰিও অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ অধিকাৰৰ সৈতে জড়িত বিষয়ত ভাৰতৰ ৰাষ্ট্ৰপতিৰ ওচৰত প্ৰতিবেদন দাখিল কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১০ ঃ ভাৰতত মানৱ অধিকাৰৰ ন্যায়িক সুবিধাবোৰ প্রথমৰে পৰা সংবিধানত সন্নিৱিষ্ট কৰা আছে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ১১ ঃ মানৱ অধিকাৰ সুৰক্ষা আইনখন কোন চনত প্রণয়ন কৰা হৈছিল?

.....

প্রশ্ন ১২ ঃ মানৱ অধিকাৰ সুৰক্ষা আইনে ..... গঠনৰ পথ মুকলি কৰি দিছিল। (খালী ঠাই পূৰ কৰক)

প্রশ্ন ১৩ ঃ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ৰাষ্ট্রীয় আয়োগ ..... চনত গঠন কৰা হৈছিল। (খালী ঠাই পূৰ কৰক)

.....

প্রশ্ন ১৪ ঃ ভাৰতত ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগে সম্পাদন কৰা যিকোনো দুটা কার্য উল্লেখ কৰক।

.....

.....

প্রশ্ন ১৫ ঃ ৰাজ্যিক মানৱ অধিকাৰ আয়োগে সম্পাদন কৰা যিকোনো দুটা কার্য উল্লেখ কৰক।

.....

.....



৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতত মানৱ অধিকাৰ বিষয়ক সকলো নীতি-নিয়ম আৰু সা-সুবিধা সাংবিধানিক আৰু ন্যায়িকভাৱে লিপিৱদ্ধ কৰা আছে। এই নীতি-নিয়ম আৰু সা-সুবিধাবোৰৰ জৰিয়তে দেশৰ নাগৰিকৰ মানৱীয় মর্যাদাৰ আৰু জীৱনৰ মোলৰ পোষকতা কৰিবলৈ থকা দৃঢ় সংকল্পৱদ্ধতা বাস্তৱত ৰূপায়িত কৰা হয়।
- মানৱ অধিকাৰৰ সাংবিধানিক সংৰচনাৰ প্রকাশ সংবিধানৰ প্রস্তাৱনা, মৌলিক অধিকাৰ, ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি আৰু মৌলিক কর্তব্যবোৰৰ মাজত দেখিবলৈ পোৱা যায়।
- ভাৰতীয় সংসদেও দেশত মানৱ অধিকাৰৰ পোষকতা কৰি ইয়াৰ সুৰক্ষাৰ বাবে বিভিন্ন আইন প্রণয়ন কৰিছে।

- সংসদে গ্রহণ আৰু বলবৎ কৰা মানৱ অধিকাৰ বিষয়ক এখন গুৰুত্বপূর্ণ আইন হ'ল মানৱ অধিকাৰ সু�ৰক্ষা আইন, ১৯৯৩। এই আইনখন বলবৎ হোৱাৰ লগে লগে দেশত ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগ, ৰাজ্যিক মানৱ অধিকাৰ আয়োগ আৰু জিলা পর্যায়ত মানৱ অধিকাৰ আদালত গঠনৰ পথ প্রশস্ত হৈ পৰিল।
- ৰাষ্ট্রীয় মানৱ অধিকাৰ আয়োগে দেশৰ নাগৰিকৰ মানৱ অধিকাৰ ৰক্ষাত এক ফলপ্রসূ ভূমিকা পালন কৰি আহিছে। কিন্তু ক্ষমতা প্রয়োগৰ সীমাৱদ্ধতাৰ বাবে আৰু বিত্তীয় স্বতন্ত্রতা নথকা হেতু আয়োগে ভবামতে কাম কৰাত কিছু বাধাপ্রাপ্ত হৈছে।
- মানৱ অধিকাৰ সুৰক্ষা আইন, ১৯৯৩ ৰ ধাৰা ২১ (চতুর্থ অধ্যায়) মতে ৰাজ্য চৰকাৰসমূহে নিজ নিজ ৰাজ্যত ৰাজ্যিক মানৱ অধিকাৰ আয়োগ গঠন কৰিব পাৰে।
- ভাৰতবর্ষৰ সংসদে ১৯৮৯ চনত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি (নিষ্ঠুৰতা প্রতিৰোধী) আইন প্রণয়ণ কৰে আৰু এই আইনখনে ২০০৪ চনত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ৰাষ্ট্রীয় আয়োগৰ গঠন কৰিছিল। এই আয়োগে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ অধিকাৰ ৰক্ষাৰ বাবে বহু কার্য্য সাধন কৰে।



৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Agarwal, H.O. (2006). *Human Rights* . Allahabad : Central Law Publications.

2) Anuradha, K.P. (2010). *Human Rights Issues in India.* New Delhi : Adhyan Publishers and Distributions.

3) Dev, Arjun. Et al (ed) (1996). *Human Rights– A Source Book*. New Delhi : NCERT.

4) Gupta, D.C. (2010) . *Indian Government and Politics*. New Delhi : Vikas Publishing House Pvt.Ltd..

5) Saksena, K.P. (ed) (2003). *Human Rights and the Constitution– Vision and the Reality*. New Delhi : Gyan Publishing House.

6) Yasin, Adil-ul & Upadhayay, Archana. (2004). *Human Rights* . New Delhi : Akansha Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) বৈশ্য ধনেশ্বৰ (২০০৫)ঃ *মানৱ অধিকাৰ*। গুৱাহাটীঃ লয়ার্ছ বুক ষ্টল প্ৰকাশক।

২) দেৱ, অ., দেৱ, ই., দেৱ, সু (অনুবাদ, গুণ বৰুৱা) (২০০১) ঃ *মানৱ অধিকাৰ ঃ এখনি আদি গ্ৰন্থ*। নতুন দিল্লীঃ নেশ্যনেল বুক ট্ৰাষ্ট।

৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰস্তাৱনা

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ক) ভাব প্ৰকাশৰ স্বাধীনতা

খ) নিৰস্ত্ৰভাৱে আৰু শান্তিপূৰ্বক সমবেত হোৱাৰ স্বাধীনতা

গ) সংস্থা আৰু সংগঠন খোলাৰ স্বাধীনতা

ঘ) মুকলিকৈ চলা-ফুৰা কৰাৰ স্বাধীনতা

ঙ) ভাৰতৰ যিকোনো ঠাইত বাস কৰা অথবা নিগাজীকৈ থকাৰ স্বাধীনতা।

চ) যিকোনো বৃত্তি অনুশীলন কৰা অথবা যিকোনো জীৱিকা অৰ্জনৰ পথ গ্ৰহণ কৰা, ব্যৱসায়-বাণিজ্য আদি কৰাৰ স্বাধীনতা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২৫-ৰ পৰা ২৮লৈ নাগৰিকৰ ধৰ্মীয় স্বাধীনতা সন্নিৱিষ্ট কৰা হৈছে। অনুচ্ছেদ ২৫-এ ভাৰতৰ প্ৰতিগৰাকী বাসিন্দাকে নিজ বিবেকমতে পৰিচালিত হোৱাৰ স্বাধীনতা তথা মুকলিভাৱে যিকোনো ধৰ্মত দীক্ষা লোৱা, অনুশীলন কৰা আৰু প্ৰচাৰ কৰাৰ অধিকাৰ প্ৰদান কৰিছে। অনুচ্ছেদ ২৬-ৰ জৰিয়তে দেশৰ সকলো ধৰ্মীয় সম্প্ৰদায়ে ধৰ্মীয় আৰু দাতব্য উদ্দেশ্যেৰে অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি তোলাৰ, সেইবোৰৰ তদাৰক কৰাৰ আৰু নিজ নিজ ধৰ্মীয় কাম-কাজ পৰিচালনা কৰাৰ স্বাধীনতা লাভ কৰিছে। অনুচ্ছেদ ২৭ত কোৱা হৈছে যে কোনো ব্যক্তি নাইবা অনুষ্ঠান-প্ৰতিষ্ঠানে কোনো ধৰ্মৰ পৃষ্ঠপোষকতা কৰাৰ বাবদ কোনো শুল্ক দিব নালাগে। অনুচ্ছেদ ২৮-ৰ জৰিয়তে দেশীয় সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠানবোৰত কোনো বিশেষ ধৰ্মীয় আচাৰ-আচৰণৰ অভ্যাস নচলাবলৈ বাধা আৰোপ কৰা হৈছে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বন্দী উপস্থাপন, পৰমাধিদেশ, নিষেধাজ্ঞা, উৎপ্ৰেষণ, কৈফিয়ৎ তলবী।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ২০০২ চনৰ ৮৬ তম সংবিধান সংশোধনীৰ জৰিয়তে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ কল্যাণ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ক) সকলো নাগৰিকৰ বাবে উপযুক্ত জীৱিকা অৰ্জনৰ পথ প্ৰদান মুকলি কৰা।

খ) উমৈহতীয়া কল্যাণ সাধনৰ বাবে সম্পদৰ সঠিক বিতৰণ সুনিশ্চিত কৰা।

গ) পুৰুষ আৰু মহিলাক সমান কামৰ বিনিময়ত সমান পাৰিশ্ৰমিক কৰা।

ঘ) সম্পদৰ কেন্দ্ৰীভৱন ৰোধ কৰা যাতে ই উমৈহতীয়া কল্যাণৰ লক্ষ্য বাস্তৱায়িত কৰাত বাধাৰ সৃষ্টি কৰিব নোৱাৰে।

ঙ) শৈশৱ আৰু যুৱাৱস্থা প্ৰাপ্তসকল সকলো ধৰণৰ শোষণ অথবা নৈতিক আৰু বৈষয়িকভাৱে কৰা শোষণৰ পৰা সুৰক্ষা প্ৰদান কৰা।

চ) শ্ৰমিকৰ স্বাস্থ্য আৰু শক্তিক সুৰক্ষা প্ৰদান কৰা তথা শ্ৰমিকৰ বয়স আৰু শক্তিৰ সৈতে খাপ নোখোৱা যিকোনো বৃত্তিৰ সৈতে জড়িত হোৱাৰ পৰা শ্ৰমিকক সৰ্বতোপ্ৰকাৰৰ সুৰক্ষা প্ৰদান কৰা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ৮ জানুৱাৰী, ১৯৯৪

১২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ, ৰাজ্যিক মানৱ অধিকাৰ আয়োগ আৰু জিলা পৰ্যায়ত মানৱ অধিকাৰ আদালত।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ ২০০৪

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ ক) মানৱ অধিকাৰ আয়োগে সকলো নিজাববীয়াকৈ suo motu গোচৰ অথবা কোনো ব্যক্তি নাইবা ব্যক্তিৰ হৈ আন কোনোবাই দাখিল কৰা আবেদনৰ অনুসন্ধান কৰে। আবেদনত উল্লিখিত অভিযোগবোৰ—

১) মানৱ অধিকাৰ উলংঘন নাইবা উলংঘনৰ বাবে উচটনি দিয়াৰ বিষয়ে হ'ব পাৰে।

২) কোনো ৰাজহুৱা বিষয়া/কৰ্মচাৰীৰ দ্বাৰা তেনে উলংঘন কাৰ্য ৰোধ কৰাত দেখুওৱা হেমাহিৰ বিষয়ে হ'ব পাৰে।

খ) কোনো আদালতত বিচৰাধীন হৈ থকা মানৱ অধিকাৰ খৰ্বৰ অভিযোগৰ বিচাৰ প্ৰক্ৰিয়া সম্পৰ্কে আয়োগে যদি কোনো অভিযোগ লাভ কৰে তেন্তে সংশ্লিষ্ট আদালতৰ অনুমোদন সাপেক্ষে বিচাৰ প্ৰক্ৰিয়াত হস্তক্ষেপ কৰিব পাৰে।

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ৰাজ্যিক মানৱ অধিকাৰ আয়োগে ভাৰতীয় সংবিধানৰ সপ্তম সূচীত সন্নিৱিষ্ট ৰাজ্যিক সূচী আৰু সমৱৰ্তী সূচীৰ অন্তৰ্গত বিষয়সমূহৰ সৈতে জড়িত বিষয়সমূহৰ মানৱ অধিকাৰ ভংগৰ ঘটনাসমূহৰ অনুসন্ধান কৰে। যিবোৰ বিষয় ইতিমধ্যে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে অনুসন্ধান কৰি আছে, সেইবোৰ বিষয়ত ৰাজ্যিক মানৱ অধিকাৰ আয়োগে হস্তক্ষেপ নকৰে।

(খ) ৰাজ্যিক মানৱ অধিকাৰ আয়োগে ৰাজ্য চৰকাৰক বাৰ্ষিক প্ৰতিবেদন দাখিল কৰে আৰু যিকোনো সময়ত যিকোনো বিষয়ত বিশেষ প্ৰতিবেদন দাখিল কৰে।



৭.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ২২৬ অনুসৰি ভাৰতীয় নাগৰিকে মৌলিক অধিকাৰ ৰক্ষা কৰাৰ বাবে উচ্চতম ন্যায়ালয়ৰ কাষ চাপিব পাৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ অধ্যক্ষ আৰু সদস্যসকলক কোনে নিযুক্তি দিয়ে?

প্ৰশ্ন ৩ ঃ ভাৰতত মানৱ অধিকাৰৰ পোষকতা আৰু সুৰক্ষাৰ বাবে থকা যিকোনো দুখন আইন উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতীয় সংবিধানত মানৱ অধিকাৰ বিষয়ক নীতি-নিয়ম আৰু সা-সুবিধা অৰ্ন্তভুক্তিৰ আঁৰৰ ঐতিহাসিক পটভূমিৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ভাৰতত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ কাৰ্যাৱলী সম্পৰ্কে এটি চমুটোকা লিখক।

প্ৰশ্ন ৩ ঃ ভাৰতীয় সংবিধানত মানৱ অধিকাৰ হিচাপে অৰ্ন্তগত হোৱা সমতাৰ অধিকাৰ আৰু শৈক্ষিক তথা সাংস্কৃতিক অধিকাৰৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ৪ ঃ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ৰাষ্ট্ৰীয় আয়োগৰ কাৰ্যাৱলীৰ বিষয়ে সংক্ষেপে লিখক।

প্ৰশ্ন ৫ ঃ ৰাজ্যিক মানৱ অধিকাৰ আয়োগৰ গঠন আৰু কাৰ্য্যাৱলীৰ বিষয়ে সংক্ষেপে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতত মানৱ অধিকাৰৰ সাংবিধানিক সা-সুবিধাবোৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ ভূমিকাৰ এক সমালোচনাত্মক মূল্যায়ন আগবঢ়াওক।

****

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দর্ভত শিক্ষার্থীৰ সঁহাৰি

প্ৰিয় শিক্ষার্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দর্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেডকমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে ? [ ] [ ] [ ]

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দর্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধার্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/ লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কার্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পর্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পর্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকর্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱর্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।